REFERENCE,
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY

# Assam
# Legislative Assembly
# Debates

सत्यमेव जयते

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY
ASSEMBLED AFTER THE FOURTH GENERAL
ELECTIONS UNDER THE SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION OF
INDIA

## BUDGET SESSION

VOL. I

**NO. 3**

The 3rd April 1969

Printed at *Madhulekha Press : Udalguri, Darrang (Assam)*

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, *1969*

( Budget Session )

Volume–I

No.—3

The 3rd April, 1969

## CONTENTS


| | | Pages |
|---|---|---|
| 1. | Starred questions and Answers— | 1 |
| 2. | Unstarred Question and Answere— | |
| 3. | Further Informatton on Starred Question No. 179 replied on 15th March 1969— | 28 |
| 4. | Adjournment Motion–Hunger-strike by unemployed youth in front of the Assembly Buildings— | 28 |
| 5. | Re : Exemption of Entertainment Taxes to certain Cinemas— | 31 |
| 6. | Re : Cholera Epidemic Around Gauhati— | 34 |
| 7. | Calling Attention To A Matter of Urgent Public Importance-Seizure of explosives...... | 37 |
| 8. | The Assam Municipal ( Amendment ) Bill, 1969— | 38 |
| 9. | Fifteenth Report of the Committee on Government Assurances— | 39 |
| 10. | Fifteenth Report of the Committee on Subordinate Legislation— | 29 |
| 11. | Motion : Discussion on the Land Settlement Policy of Government— | 29 |
| 12. | Ruling by the Speaker on Adjourment Motion-Hunger-strike by unemployed youth in front of the Assembly Buildings— | 61 |
| 13. | Appointment of Shri Zahirul Islam as Member of the Subordinate Legislation Committee— | 65 |
| 14. | Motion—Discussion on the Land Settlement Policy of Government -- | 66 |

Proceeding of the Budget Session of the Asasm Legislative Assembly Assembled after the Fourth General Elections Under the Sovereign Democratic Republican Constitution of India.

The Assembly met in the Assembly Chamber, Shillong, at 10 A.M. on Monday, the 3rd April, 1969.

PRESENT :

Shri Mohi Kanta Das, M.A., B.L., Speaker, in the Chair, Eight Ministers, Six Ministers of State, Three Deputy Ministers and Eighty-one Members.

## STARRED
## QUESTIONS AND ANSWERS
Date : 3 April 1969

( To which oral answers were given )

Re : Length of Joypur-Dibrugarh Road

Shri Bhadra Kanta Gogoi asked :

*383. Will the Minister-in-charge of P. W. D. (R. & B.) be pleased to state—

(a) What is the total length of Joypur-Dibrugarh Road in Dibrugarh Subdivision ?

(b) What is the total length of the road black-topped and what is the remaining portion left unmetalled ?

(c) Under which P. W. D. Circle this unmetalled portion lying and why the unmetalled portion have not yet been black-topped ?

(d) Whether Government proposes to complete this Road making it fit for running the State Transport vehicles ?

Shri Altaf Hossain Mazumder [ Minister of State, P.W.D. ( R. & B. )] replied :

383. (a) There is no P. W. D. Road, named Joypur–Dibrugarh Road. But there is a P.W.D. Road running from Dibrugarh to Joypur comprising the following Roads, viz.—

(1) A. T. Road, N. H. 37,
(2) Lahowal-Bordubi-Tinsukia Road,
(3) Joypur Ali,
(4) Naharkatiya Bridge approach,
(5) Sessani Ali and Naharkatiya Tinali,
(6) Naharkatiya Feeder Road, and
(7) Joypore Ali The Total length of this road is 36.03 miles

(b) Black-topped portion is 28.38 miles. Unmetalled portion is 7.65 miles.

(c) The entire portion is under the Eastern Assam Circle, Jorhat. There is a provision for metalling and surfacing the unmetalled portion under the "State Level and District Level Schemes" during the Fourth Five Year Plan.

(d) It is expected that with the available amount the whole length of the road from Dibrugarh to Joypore can be black-topped

Starred question No. 384 was not put and answered, hon. questionser being absent.

### Re : Flood affected area of Nowgong District

শ্ৰীশৰৎ চন্দ্ৰ গোস্বামীয়ে সুধিছে :

*৩৮৫। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নগাওঁ জিলাৰ অন্তৰ্গত জাগীয়াল মৌজাৰ কলং সুতিৰ দক্ষিণপাৰ আৰু হাৰিয়া নৈৰ উত্তৰ পাৰে থকা বিস্তীৰ্ণ অঞ্চলটো স্বভাবতে বান পীড়িত হোৱা হেতুকে খেতিৰ কাৰণে নিৰাপদ নোহোৱা বুলি

ৰাইজে বহুকালৰ পৰা চৰকাৰক আবেদন নিবেদন কৰি জনাই অহা হয়নে ?

(খ) এই অঞ্চলটো বানৰ কৰাল গ্ৰাসৰ পৰা ৰক্ষা কৰিবলৈ দক্ষিণপাটৰ পৰা কলং সুতিৰ দক্ষিণ পাৰে হাৰিয়ামুখ হৈ হাৰিয়া নৈৰ উত্তৰ পাৰেদি নি দক্ষিণপাট কামপুৰ গড়কাপ্তানী পথ ( বৰকোলাঘাট ) পৰ্য্যন্ত এটি মথাউৰি নিৰ্ম্মাণৰ বাবে উক্ত বান প্ৰপীড়িত অঞ্চলৰ পহুপুৰি, জাককুৱা, ধেমালি, দক্ষিণ পেটবঢ়া, বালিগাওঁ, মৰিয়া গাওঁ, ভোমৰাগুৰি, তুবুকি, বৰদোৱা আদি গাৱৰ অবিৰাম চেষ্টাৰ ফলত যোৱা ১৯৫১ চনত প্ৰথমবাৰৰ বাবে নগাওঁ জিলাৰ বান নিয়ন্ত্ৰণ বিভাগে মথাউৰি বন্ধাৰ আৱশ্যকীয় চাৰ্ভেকাৰ্য্য চলোৱা হয় নে ?

(গ) পুনৰ ১৯৫৮ চনত এবাৰ ১৯৬৪ চনত আৰু এবাৰ অনেকৰ পথাৰ আৰু বাৰীৰ ফচল আদি কাটি-কুটি নষ্ট কৰি মথাউৰিৰ চাৰ্ভে চলোৱাটোও হয় নে ?

(ঘ) যদি উল্লিখিত বাৰম্বাৰ চাৰ্ভে চলোৱাটো হয় তেন্তে তাৰ পৰিণাম কি হল আৰু ৰাইজৰ বহু প্ৰতীক্ষিত এই মথাউৰিটো হব লাগে নে নেলাগে তাক বিশেষভাবে পৰীক্ষা-নিৰীক্ষা কৰি চৰকাৰে কিবা বিজ্ঞান সন্মত সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিছেনে এতিয়ামানে ?

(ঙ) যদি সিদ্ধান্ত হৈছে, তেন্তে কি হৈছে আৰু যদি নাই হোৱা, চৰকাৰে অনুগ্ৰহ কৰি অতি শীঘ্ৰে আৱশ্যকীয় সিদ্ধান্ত লৈ ৰাইজক সুদীৰ্ঘ কলীয়া অনিশ্চয়তা আৰু আশংকা কৰাৰ খৰটকীয়া দিহা কৰিবনে ?

বান-নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে :

৩৮৫। (ক) হয়, হাৰিয়া নৈৰ উত্তৰ পাৰে হাৰিয়াঘাটৰ পৰা হাৰিয়ামুখলৈ আৰু কলঙৰ দক্ষিণ পাৰে দক্ষিণপাটৰ পৰা হাৰিয়ামুখলৈ এই ঠাইডোখৰ দ কাৰণে প্ৰবল বানৰ সময়ত কপিলা নৈৰ পানী এই ঠাইত জমা হৈ উপচি পৰে।

(খ) হয়, জৰিপ কৰি পৰীক্ষা কৰা হৈছিল।

(গ) নহয়। সম্ভৱ, পথাৰ জৰিপৰ সময়ত কম্পাচ জৰিপৰ কাৰণে কিছু গছৰ ঠাল-ঠেঙুলী আদি কটা হৈছিল।

(ঘ) কলঙৰ দক্ষিণ পাৰে দক্ষিণপাটৰ পৰা হাৰিয়ামুখলৈ এটা মথাউৰি সাজিবলৈ ১৯৬৪ চনত এটা স্থূল প্ৰাক্কলন কৰা হৈছিল কিন্তু পুনৰ পৰ্য্যবেক্ষণ দৰকাৰ অনুভৱ কৰাত এই আঁচনি স্থগিত ৰাখিবলগা হয়।

(ঙ) হাৰিয়া নৈৰ সোঁপাৰে হাৰিয়াঘাটৰ পৰা হাৰিয়ামুখলৈ আৰু কলঙৰ বাওঁপাৰে হাৰিয়ামুখৰ পৰা দক্ষিণপাটলৈ মথাউৰি সাজিবৰ কাৰণে বিষদ প্ৰাক্কলন তৈয়াৰ কৰি পৰীক্ষা কৰি থকা হৈছে।

Re : Scheme for opening the mouth of the river Kullong

M. Shamsul Huda asked :

*386. Will the Minister, (P.W.D. F.C.&I.) be pleased to state–

(a) Whether it is a fact that the Government has finalised the Scheme for opening the mouth of the river Kullong at Hatimura, Nowgong ?

(b) If so, the estimated cost of the Scheme ?

(c) When the work of the scheme will be commenced ?

Shri Mahendra Mohan Choudhury [ Minister, P. W. D. ( Flood Control and Irrigation)] replied :

386. (a) No. However, a scheme for providing Sluice at the mouth of the Kullong in the existing dyke between Hatimura and Borghop Hills has been prepared.

(b) Rupees 36,02,000.

(c) The Government propose to start implementation of the Scheme in the next year.

Starred question No. 387 was not put and answered hon. questioner being absent :

Re : State River Research Wing

Shri Dulal Chandra Barua asked :

*388. Will the Minister, P.W.D. ( F. C. & I. ) be pleased to state—

(a) Whether there is a State River Research Wing under the Government of Assam ?

(b) If so, whether they have undertaken any scheme for research work ?

(c) Whether the State has been benefitted from this Wing in respect of flood control measures in the State ?

(d) If not, the steps Government have taken to make this Wing effective ?

Shri Mahendra Mohan Choudhury ( Minister, Flood Control and Irrigation ) replied :

388. (a) Yes, there is a River Research Station under the State Government.

(b) Specific Engineering tests on materials and research on Engineering problem are carried out in the River Research Station.

(c) Yes, the State has been benefitted in respect of the problems referred to the Station, though there is scope for more.

(d) Steps for Recruitment of suitable staff and repossession of the Research Buildings from the Military are being taken.

Re : Requisition of land for M/S Gombhira Tea Co. ( Private ) Ltd.

Shri Biswanath Upadhyaya asked :

*389. Will the Minister, Revenue be pleased to state—

(a) Whether it is a fact that Government requisitioned about 4000 bighas of waste land out of the grants sanctioned in favour of M/S Gombhira Tea Co. ( Private ) Ltd. nearly 10 ( ten ) years ago ?

(b) What were the reasons of derequisitioning the same ?

Shri Mahendra Mohan Choudhury ( Minister, Revenue) replied :

389. (a) Five thousand bighas of lands were requisitioned in the year 1958.

(b) The reasons in nut shell were as follows--

(i) The garden was listed by the Cachar Plantation Enquiry Committee in 1950 as an uneconomic garden and granted special relief consideration.

(ii) With a view to make the garden an economic one, the proprietor of the Co. secured a loan of Rs. 10 lakhs on mortgage of the entire garden from the Metropolitan Insurance Co. Ltd. (now a Unit of Life Insurance Corporation of India) in 1955.

In case of requisition of a large area of valuable land the mortgagor would have demanded repayment of the loan, thus forcing the garden into liquidation.

(iii) Due to the peculiar position, isolation and in-accessibility of the Chargola Gardens, the Gardens are to be self-sufficient with regard to fuel, timber and thatch; hence a large area under forest was considered necessary for the economy of the Garden. The entire Cachar District was also given special consideration due to its isolation caused by the partition of the Surma Valley and disturbance of the old communication routes.

(iv) To reduce cost and ensure self-sufficiency the Garden authorities intended to shift their plywood plant at Calcutta to this Garden and had already secured permission of the Industries Department, Government of Assam. The big trees existing on the requistioned area was alleged to be necessary to feed this plant. Moreover, it was to give employment to about 500 persons without any employment. Acquisition, it was felt, might upset this plan.

(v) In support of reservation of virgin soil for future expansion, Chapter XXI, paragraph 8 of the Plantation Inquiry Commission Report, 1956, was referred, which recommends reservation of virgin soil in tea growing areas, for future expansion. The area requisitioned appeared to be good virgin soil for tea.

(vi) The area requisitioned was an excellent forest. Wanton devastation of this forest may have had an adverse effect on the surrounding areas.

(vii) In 1956, this land was requisitioned and then released for these reasons in 1959.

Shri Gaurisankar Bhattacharyya—Government would do well to make a difference because the two transactions are altogether different. But apart from that, Government has cited as one of the reasons, the recommendations of the Plantation Enquiry Committee. That Committee made various recommenations which by now are almost out of date. Some of those recommendations were in favour of the tea garden owners and there were also recommendations in favour of the tea garden labourers and ex-tea garden labourers. Whether the Government care to see that the recommendations of the Plantation Labour Committee with regard to the tea garden

labourers and ex-tea garden labourers are implemented? If they have been implemented, how then the tea garden labourers and the ex-tea garden labourers are clamouring for land?

Shri Mahendra Mohan Choudhury — The report of the Plantation Enquiry Committee is dated as far back as 1950. The position obtaining at that time was not present at the moment. Therefore, although the Plantation Enquiry Committee made such recommendation on the uneconomic gardens, that proposition does not hold good now. It has been proved that the Cachar tea gardens are economic units, and all the laws which govern the Assam Valley tea gardens, the same laws will govern Cachar tea gardens also. I do not know Sir, how labourers, for the sale of the tea gardens are thrown unemployed. However' the matter will be enquired into and if any labourer are found to be unemployed, we shall try to accommodate them.

Shri Gaurisankar Bhattacharyya - Can Government deny if I bring the charge home that the six grounds are only alleged and bogus grounds? The real ground was the employment of a Minister's son and a present of some ornaments? That was the real ground.

Shri Mahendra Mohan Choudhury—What I have stated I am speaking from the records. I am stating the grounds which were given as the reasons for derequisitioning the land.

Shri Biswanath Upadhyaya—Sir, the land was requisitioned for a specific purpose i.e. for plantations. But we find that on misrepresentation the lands have been derequisitioned. What Government propose to do against such people for cheaing the Government ?

Shri Mahendra Mohan Choudhury—It is not cheating at all. They have a right to appeal and appeal was heard by the then Minister. That was in the year 1959 and the Minister was satisfied that the grounds which I have already stated in the reply are valid.

Shri Biswanath Upadhyaya — May I know from the Minister that the land which was allowed to the tea garden was for plantation of tea and they have got no right to lease out the land ? That is my point.

Shri Mahendra Mohan Choudhury—I have already replied to that.

Shri Hiralal Patwary—The Minister has stated just now that portion of the land has been allotted to the tea garden. May I know whether that land has been allotted as free simple grant for special cultivation of tea and they have no right to sell it ? Whether it is a fact ?

Shri Mahendra Mohan Choudhury — No, Sir, the lease by which the land was given is not at the moment before me. I have asked the Secretary to examine the terms of the lease and whether under the condition of the lease the owner of the garden can sell the land or not.

Shri Dulal Chandra Burua—The Hon'ble Minister has stated that the appeal which was heard by the then Minister of Revenue by which the land was allotted to the tea garden has been set aside. These lands are necessary for plantation of tea But it is found that instead of planting

tea in the land, the owner of the garden has sold out these lands. May I know under the laws of the Gover nment whether any action can be taken against the garden ? If so, in what way ?

Shri Mahendra Mohan Choudhury — I do not know whatever action is permissible under the law we shall try to inflict punishment on him.

Re : Help to flood affected Widows in Golokganj area

শ্ৰীকবিৰ চন্দ্ৰ ৰয় প্ৰধানীয়ে সুধিছে :

*৩৯০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ভয়াবহ বন্যাৰ পিছত গোলকগঞ্জ অঞ্চলৰ বিধবা সকলৰ দুঃখ দুৰ্দ্দশা অৱসান ঘটাবৰ বাবে কি কি ব্যৱস্থা লৈছে ?

(খ) খাদি বোৰ্ডৰ জৰিয়তে মাত্ৰ ১২,৫০০ টকা ঢেকি বহুৱাবৰ বাবে মঞ্জুৰী দিয়াৰ কথাতো সঁচানে ?

(গ) তাত কিমান বিধবাই কাম কৰি আছে ?

(ঘ) এই অঞ্চলত ধানৰ কল চলাতো চৰকাৰে জানেনে ?

(ঙ) যদি জানে তেনেহলে সোনকালে বন্ধ কৰি দিয়াৰ ব্যৱস্থা কৰিবনে যাতে এই অঞ্চলৰ বিধবা সকলে ঢেকি চলাই জীবিকা নিৰ্ব্বাহ কৰিব পাৰে ?

ৰাজহ বিভাগৰ মন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে :

৩৯০। (ক) বানপানী বিধ্বস্ত অন্যান্য জনসাধাৰণৰ লগতে গোলকগঞ্জ অঞ্চলৰ বানপানী বিধ্বস্ত বিধবা পৰিয়ালকো নিম্নলিখিত সাহায্য দিয়া হৈছে—

(১) নগদ টকা আৰু খাদ্যবস্তু, কাপোৰ কানি আৰু কম্বল আদি নিৰ্দ্ধাৰিত নিৰিখত বিনামূলীয়া ( Gratuitous relief ) হিচাবে দিয়া হৈছে ।

(২) সস্তীয়া মূল্যৰ দোকানৰ জৰিয়তে খাদ্য বিতৰণ ।

(৩) মুখ্যমন্ত্ৰী পুঁজিৰ ধনেৰে ৮,০০০ খন কম্বল কেৱল বিধবাসকলৰ

মাজত বিতৰণ কৰা হয়। তদুপৰি বানপানী বিধ্বস্ত পৰিয়ালৰ মাজত বিতৰণ কৰা ৯,৩০০ খন কম্বলৰ কিছু অংশও কিছুসংখ্যক বিধবাই পাইছে।

(৪) এলোমিনিয়ামৰ বাচন-পত্ৰ।

(খ) এতিয়ালৈকে মুঠ ২৪,১০০ টকা এই বানপানী বিধ্বস্ত বিধবাসকলে ঢেকীৰে ধানবনা আঁচনি কাৰ্য্যকৰী কৰিবৰ বাবে পৰীক্ষামূলক সাহায্য হিচাবে মঞ্জুৰী দিয়া হৈছে।

(গ) প্ৰতিদিনে এশৰো অধিক বিধবাই এই আঁচনিৰ গোলকগঞ্জ আৰু হালাকুৰা কেন্দ্ৰত কাম কৰি আছে।

(ঘ) এই কথা চৰকাৰৰ অজ্ঞাত।

(ঙ) এই প্ৰশ্নৰ উত্তৰ দিয়াৰ প্ৰয়োজন নুঠে।

Shri Kabir Chandra Roy Pradhani—মন্ত্ৰী মহোদয়ে কৈছে বান-বিধ্বস্ত বিধবা সকলক বিনামূলীয়া সাহায্য কম্বল আৰু টকা আদি দিয়া হৈছে। মই জানিব পাৰোনে কিমান গৰাকী বিধবাক সাহায্য দিয়া হৈছে, কিমান গৰাকীক কম্বল দিয়া হৈছে আৰু কিমানক টকা দিয়া হৈছে?

Shri Mahendra Mohan Choudhury—মুখ্য মন্ত্ৰীৰ সাহায্যৰ পৰা ৮ হাজাৰখন কম্বল দিয়া হৈছে। আৰু ৯ হাজাৰ ৩ শ খন ৰাজহুৱা সাহায্য ভৰালৰ পৰা দিয়া হৈছে। কিন্তু বিধবাৰ সংখ্যা কিমান এতিয়া কোৱা টান।

Shri Kabir Chandra Roy Pradhani— কিমান বিধবাক কিমানখন কম্বল দিয়া হ'ল, কিমানক টকা দিয়া হ'ল? কোন তাৰিখে দিয়া হ'ল আৰু কোন কেন্দ্ৰক দিয়া হ'ল?

Shri Mahendra Mohan Choudhury— জনমুৰি হিচাব দিয়া টান। কিমান দিয়া হৈছে এই কথা সিদিনাও কোৱা হৈছে। বান বিধস্ত সকলক সাহায্য হিচাবে এই বিলাক দিয়া হ'ল।

| | | |
|---|---|---|
| 1. Gratuitous relief in Cash and kind. | Rs. | 2,50,000/- |
| 2. For Sinking tube-wells. | ,, | 61,000/- |
| 3. Rihabilitation Grant. | ,, | 2,57,000/- |
| 4. Tractorisation Scheme- | ,, | 1,23,410/- |
| 5. C. G. Shops. | ,, | 4,78,000/- |
| ( Rs. 2,25,000/- Subsequently Surrendered as there is no demand for rice in C. G. S. ) | | |
| Total | Rs. | 11,69,410/- |

6 Seed loan and Seed Grant Rs. 5,76,826/- ( 50% as Loan & 50% as Grant )

| | | |
|---|---|---|
| 7. Test Relief Grant ( for roads etc. ) | Rs. | 5,85,700/- |
| 8. Test Relief for husking paddy by Widows. | Rs. | 24,100/- |
| 9. Cattle Loan. | Rs. | 6,22,800/- |

Shri Kabir Chandra Roy Pradhani—মন্ত্ৰী মহোদয়ে কৈছে General relief ৰ কথা। কিন্তু প্ৰশ্নটো হৈছে অকল বিধবাৰ কথা। এই বিধবা বিলাকৰ দুৰৱস্থা মুখ্যমন্ত্ৰীয়েও দেখি আহিছে। এই বিধবা সকলৰ কেইগৰাকীক কম্বল দিয়া হ'ল, বিনামূলীয়া খাদ্য বিতৰণ কৰা হ'ল আৰু কেইগৰাকী বিধবাক ঘৰ ভঙা বাবদ টকা দিয়া হ'ল ?

Shri Mahendra Mohan Choudhury—যি সাহায্য দিয়া হৈছে অকল বিধবাকেই দিয়া হৈছে। ইয়াৰ উপৰিও কেৱল কম্বলৰ কাৰণে ৮ হাজাৰ দিয়া হৈছে আৰু Paddy husking ৰ বাবে ১২৫০০ টকা দিয়া হৈছে।

Shri Sadhan Ranjan Sarkar—গোলকগঞ্জত বিধবা সকলৰ বেলেগে Census কৰিব দিয়া হৈছিল। কিন্তু এতিয়া আকৌ বিধবা সকলৰ এটা নতুন Census কৰি সা-সুবিধা, সাহায্য আদি দিয়াৰ কিবা ব্যৱস্থা কৰিবনে ?

Shri Mahendra Mohan Choudhury—চাৰ বিধবা সকলৰ যিটো

সমস্যাৰ কথা তেখেতসকলে কৈছে. এই সম্পৰ্কে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশ ক্ৰমে Commissioner of Plains Division তালৈ গৈছিল আৰু তদন্ত কৰিছিল। তেখেতৰ হিচাব মতে ১০ হাজাৰ বিধবা মানুহ আছে আৰু এই বিধবা সকলৰ দুখ কষ্ট বানপানী হোৱাৰ কাৰণেই নহয়। এওঁলোকে খুজি মাগি খায়। বানপানী হোৱাৰ কাৰণে খুজিব মাগিব পৰা নাই। গতিকে তেওঁলোকৰ দুখ দূৰ কৰিবৰ কাৰণে Commissioner of Plains Division ক তালৈ পঠিওৱা হৈছিল আৰু তেওঁৰ অনুমোদন ক্ৰমে সাহায্য আদি দিয়াৰ ব্যৱস্থা হৈছে।

Shri Sadhan Ranjan Sarkar — চাৰ, কিছুমান অঞ্চলত বিধবাৰ সংখ্যা অতিমাত্ৰা দেখা গৈছে। ইয়াৰ কাৰণ কি উদ্ভাৱন কৰাৰ চেষ্টা কৰিছেনে?

Shri Mahendra Mohan Choudhury—চাৰ, এইবিলাক কাৰণ সম্পৰ্কে যি দেখা গৈছে ইয়াৰ বিশেষ কাৰণ হ'ল যে ছোৱালীবিলাক কম বয়সতে বিয়া দিয়ে আৰু কম বয়সৰ ছোৱালী বেছি বয়সীয়া মানুহক বিয়া দিয়াৰ ফলতো এনে সম্ভৱ হয় বুলি স্বীকাৰ কৰিব লাগিব। যি অনুপাতে বিধবাৰ সংখ্যা থাকিব লাগিছিল সেই অনুপাতে বহুত বেছি হৈছে আৰু ই এটা নতুন সমস্যাৰ সৃষ্টি কৰিছে। এওঁলোকৰ এটা নাৰী বাহিনীও আছে। আৰু দুখ কষ্টৰ কাৰণে এওঁলোক জাগি উঠে। অফিচাৰ সকলে তালৈ গলে সাহায্যৰ কাৰণে জোৰ জবৰদস্তি কৰে। এই সমস্যাৰ সমাধান কৰিবলৈ চৰকাৰে বিবেচনা কৰি আছে আৰু এই বিবেচনা অনুপাতে কিবা এটা ব্যৱস্থা লব লাগিব।

Shri Giasuddin Ahmed—বানপানীত উদ্ভৱ হোৱা সমস্যাৰ বাহিৰেও এই বিধবা সকলৰ সমস্যাটো স্থায়ী সমস্যা বুলি মন্ত্ৰী মহোদয়ে কৈছে—মই জানিব খুজিছো এই স্থায়ী সমস্যা সমাধান কৰাৰ কাৰণে চৰকাৰে ইতিমধ্যে কি কি ব্যৱস্থা হাতত লৈছে?

Shri Mahendra Mohan Choudhury চাৰ, চৰকাৰে এতিয়ালৈকে স্থায়ীভাৱে বসবাস আৰু বন্দবস্ত কৰি ব্যবস্থা কৰাৰ নীতি গ্ৰহণ কৰা

হোৱা নাই । যিহেতুকে ই এটা বিশেষ সমস্যা, এই সমস্যা সমাধান কৰাৰ বাবে চৰকাৰে কি ব্যবস্থা গ্ৰহণ কৰিব পাৰে সেই কথা বিবেচনা কৰি আছে।

Shri Atul Chandra Goswami— চাৰ, এটা Point of order এই যে নাৰীবাহিনী গঠন কৰিছে ইয়াৰ Commander in Chief জন কোন ? নাৰী নে পুৰুষ ?

( No Reply ).

Re : Eviction of flood affected people

Shri Kabir Chandra Roy Pradhani asked :

*391 Will the Revenue Minister be pleased to state—

(a) Whether it is a fact that the flood affected people of last October have been evicted by Government ?

(b) If not, whether it is a fact that the S. D. C. of Golakganj evicted flood victims of Kachakhana G. S. Shri Bhajahari Mandal and others violating the stay order of A. D. C., Dhubri and if so, what disciplinary action has been taken against the Officer ?

(c) Whether the Government propose to provide financial aid to those victims for reconstruction of their residential houses ?

(d) Whether Government propose to stop the eviction of the flood affected people in the District of Goalpara ?

Shri Mahendra Mohan Choudhury ( Minister, Revenue ) replied :

391. (a) & (b) Eviction of Shri Bhajahari Mandal and others of Kachakhana G. S. who were encroachers of P. W. D. roadside land was to be carried out by the S. D. C. Golakganj as per eviction order earlier passed by the A. D. C., Dhubri. But when the S. D. C. started to demolish the house of Shri Mandal and partly evicted the encroachment as per said order of eviction, the encroachers obtained a stay order from the A. D. C., Dhubri and accordingly further eviction was stopped. Since there was no violation of A. D. C.'s stay order, the question of taking disciplinary action against the officer concerned does not arise.

(c) Does not arise.

(d) There has been no other eviction in this flood-affected area.

Shri Kabir Chandra Roy Pradhani— এই কথা সঁচানেকি যে, একে দিনাই Stay order ও হৈছে আৰু Eviction ও কৰিছে ?

Shri Mahendra Mohan Choudhury— হয়।

Shri Kabir Chandra Roy Pradhani— এই S. D. C. জনে Local M. L. A. গৰাকীৰ লগত আলোচনা কৰি আশ্বাস দিছিল যে, তেওঁ ৭ দিনৰ সময় দিছে আৰু এই ৭ দিনৰ ভিতৰত Stay order আহিলে Eviction নকৰে ?

Shri Mahendra Mohan Choudhury— যেতিয়া ঘৰ ভাঙিবলৈ গ'ল আৰু কাম আৰম্ভ কৰিলে সেই সময়তহে Stay order পালে আৰু তেতিয়া

ঘৰ ভাঙা কাম বন্ধ থাকে। অৱশ্যে মাননীয় সদস্য গৰাকীৰ লগত S.D.C. য়ে কি আলোচনা কৰিছিল, নাজানো।

Shri Kabir Chandra Roy Pradhani— চাৰ, আৰু এটা কথা জনাব নেকি যে, কাছখনা আৰু আগমণিত Eviction কৰি ঘৰ-বাৰী ভাঙি উঠাই দিছে আৰু তাত মানুহ নাই।

Shri Mahendra Mohan Choudhury — চৰকাৰে জনামতে বান বিধ্বস্ত অঞ্চলত উচ্ছেদ কৰা হোৱা নাই।

Shri Kabir Chandra Roy Pradhani— চৰকাৰে এইটো জানেনে যে, ৰাজ্য দখল কৰাৰ দৰে S. D. C. য়ে Military Force লৈ গৈ হুৰ-হুৰাই ঘৰ-বাৰী ভাঙি দিছে ?

Shri Mahendra Mohan Choudhury— সেইটো নহয়।

Shri Hiralal Patowary— মন্ত্ৰী মহোদয়ে জনাবনে যে, পশ্চিম বঙ্গ Front চৰকাৰে ৰাস্তাৰ কাষত থকা এনে ধৰণৰ ঘৰত কাৰবাৰ কৰি থাকে যাৰ জীবিকাৰ অন্য উপায় নাই, তেনে মানুহক অন্য ঠাইত মাটি নিদিয়াকৈ উচ্ছেদ নকৰে। এই ব্যৱস্থা আমাৰ চৰকাৰে লবনে ?

Shri Mahendra Mohan Choudhury— পশ্চিমবঙ্গ চৰকাৰে কি ব্যৱস্থা লৈছে সেই বিষয়ে আলোচনা কৰাটো অপ্ৰাসঙ্গিক।

Shri Kehoram Hazarika— চাৰ, এই যে কথাযাৰ ক'লে যে, S D.C. য়ে ৰাজ্য দখল কৰাৰ দৰে Military Force লৈ ঘৰ-বাৰী ভাঙিছে যদি এই কৰাটো সঁচা হয়, তেনেহলে এই বিষয়াজনৰ ভাৰত চৰকাৰে কি ব্যৱস্থা লৈছে ? তেওঁৰ এটা বিহীত ব্যৱস্থা লবনে ?

Shri Mahendra Mohan Choudhuary— এই প্ৰশ্নটোত কোৱা মতে তদন্ত কৰা হৈছিল আৰু কথাটো অসত্য বুলি প্ৰমাণ হৈছে।

Shri Kabir Chandra Roy Pradhani— কাৰ দ্বাৰা তদন্ত হৈছিল ?

Shri Mahendra Mohan Choudhury— D. C. ৰ দ্বাৰা।

Starred Question No. 392 was not put and answered the hon. questioner being absent :

Re : Area of Land of Singlacherra Tea Eastate covered by Paddy field

Shri Bishwanath Upadhyaya asked :

*393. Will the Minister in-charge Revenue be pleased to state—

(a) Whether it is a fact that sections 6,7,8, and 9 of the Singlacherra Tea Estate are covered by paddy field but they have been shown in the records as under the tea cultivation ?

(b) If so, what is the reason of the same ?

Shri Mahendra Mohan Choudhury (Minister, Revenue) replied :

393. (a) Out of the total area covered by sections 6, 7,8 and 9 of the Singlacherra Tea Estate, an area of 1,913 bighas has been classed as tea land and 215 bighas as paddy land.

(b) Classification was made during the last re-settlement operation according to the purpose for which the land have been found utilised or fit for utilization.

Shri Bishwanath Upadhyaya—Sir, so far my knowledge goes the whole area is under paddy field. Will the Government make an enquiry ?

Shri Mahendra Mohan Choudhury—The question was whether the entire area is under tea or paddy cultivation. The question was what is the classification of the

land. The answer is 1,913 bighas has been classed as tea land and 215 bighas as paddy land. This is the information I have already given.

Shri Gaurisankar Bhattacharyya—Sir, the question was whether it is a fact that sections 6,7,8 and 9 of the Singlacherra Tea Estate are covered by paddy field. But the Minister has given the classification only. Why the honourable Minister replied like this ?

Shri Mahendra Mohan Choudhury– I am sorry.

Shri Gaurisankar Bhattacharyya—Then what is the answer ?

Shri Mahendra Mohan Choudhury—It can be replied on Monday next.

Re : Chitas, Zamabandis in the Custody of the Zaminders

Shri Benoykrishna Ghose asked :

*394 Will the Minister of Revenue be pleased to state—

(a) Whether it is a fact that during the time of Zaminders the titled deeds such as chitas, Zamabandis, etc. of the lands possessed by the tenants of Goalpara District had been in the custcdy of the Zaminders and the tenants had nothing except the rent receipts to prove their Title ?

(b) If so, whether the Government took charge of such titled deeds when Zamindaries were acquired and if not, why ?

Shri Mahendra Mohan Choudhury ( Minister, Revenue ) asked :

394. (a) It is a fact that few documents such as title deeds of the tenants were found to be in the custody of the Zamindars. But Government have no information that tenants left with no document except rent receipt to prove their title.

(b) At the time of acquisition, Government took over the available documents from the erstwhile Zamindars.

Shri Benoy Krishna Ghose— Sir, in case Zamabandis and Chitas in certain cases cannot be traced out, in such cases whether Government will accept the rent receipts of the tenants to prove their title ?

Shri Mahendra Mohan Choudhury— Yes.

Shri Kandarpa Narayan Banikya— Sir, whether new records of Zamabandis and Chitas at the time of new settlement which is going on now will be taken into consideration ?

Shri Giasuddin Ahmed— Sir, whether Government is aware of the grievances of the tenants that they are facing difficulties in procuring Chitas and Zamabandis ?

Shri Mahendra Mohan Choudhury— Compalints have been received on many occasions.

Shri Giasuddin Ahmed— Sir, whether Government is aware of the fact that for want of Chitas, Zamabandis

and other relevant papers maintained during Zemindary period— now under the custody of the Government, the aggrieved tenants are facing great difficulties in cases for correction of eroneous records of their lands ?

Shri Mahendra Mohan Choudhury, Minister— We will look into it.

Starred question No. 395 was not put and answered hon. questioner being absent :

Re : Increase of House rent in Shillong and in other towns in spite of the Rent Control Act

Shri Dulal Chandra Barua asked :

*396. Will the Minister-in-charge of Housing be pleased to state—

(a) Whether Government is aware of the fact that in spite of the operation of the Urban Areas Rent Control Act, the house-rent in Shillong and other towns, in the State has been exhorbitantly increased day by day ?

(b) If so, whether Government proposes to implement the provisions of the Act strictly to safeguard the interest of low paid Government servants as well as poor tenants living in the Urban areas in the State ?

Shri Mahendra Mohan Choudhury (Minister, Revenue) replied :

396. (a) No such specific complaint has been received by Government from any individual.

(b) The provisions of the Assam Urban Rent Control Act, 1966 (Assam Act II of 1967) confer no power upon Government to interfere in such matter. Any tenant aggrieved by demand of excess rent may seek relief in Civil Court.

Shri Dulal Chandra Barua— Sir, whether it is a fact that many of the tenants, specially low paid Government servents lodged complaints to the Deputy Commissioner for exhorbitant increase of house rent day by day in Shillong ? If so, may I know from the honourable Minister what steps have so far been taken to relieve these poor Government servants ?

Shri Mahendra Mohan Choudhury— No such specific complaint has been received by the Government. Moreover, no relief can be given by the Deputy Commissioner, only the Civil Court can take up such cases.

Shri Dulal Chandra Barua— Sir, is it a fact that Government itself has taken houses at exhorbitant rent for Govt. purposes which has given impetus to other house-owners to increase the house rents ? Why, inspite of operation of the Urban Area Rent Control Act, Government cannot give relief to the poor people ?

Shri Mahendra Mohan Choudhury— The provisions of

the Assam Urban Areas Rent Control Act confer no power upon the Government to fix house rent. Any tenant aggrieved may seek relief in the Civil Court.

Shri Dulal Chandra Barua— Sir, if provisions of the Assam Urban Area Rent Control Act does not confer power to take action against the wrong-doers, do the Government not consider it proper to amend this Act so that such wrong-doers can be punished?

Shri Mahendra Mohan Choudhury— Amendment of the Act can be done in this House. It is up to the House to do so, if it so desire.

Starred question No. 397 and 399 was not put and answered hon questioner being absent:

Re: Liquor Factory at Barua Bamungaon in Assam Co-operative Sugar Mill

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*৪০০। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰুৱা বামুনগাওঁ অসম সমবায় চেনী কলত যিটো মদ তৈয়াৰ কৰা কাৰখানা স্থাপন কৰা হৈছে তাত কিমান খৰচ পৰিছে ?

(খ) এই প্ৰতিষ্ঠানটোৰ কৰ্ম্মকৰ্ত্তা সকল কোন কোন ?

(গ) ইয়াৰ পৰা বছৰি কিমান টকা আয় হব বুলি চৰকাৰৰ ধাৰণা ?

(ঘ) এই মদ তৈয়াৰী কাৰখানাটোৰ পৰম আয়ুষ কিমান বছৰ অনুমান কৰা হৈছে ?

সমবায় বিভাগৰ মন্ত্ৰী শ্ৰীলক্ষ্মী প্ৰসাদ গোস্বামীয়ে উত্তৰ দিছে :

৪০০। (ক) ঘৰসহ ১২,২৫,০০০ টকা খৰচ পৰিব। বৰ্ত্তমানলৈকে ১১,০০,০০০ টকা খৰচ হৈছে।

(খ) এই প্ৰতিষ্ঠানটো চেনিকলৰ অংশবিশেষ। চেনিকলৰ তত্বাবধানতেই

এই প্ৰতিষ্ঠানটোও পৰিচালিত হব ।

(গ) আয়ৰ পৰিমাণ লালী পোৱাৰ ওপৰত নিৰ্ভৰ কৰিব । অনুমান মতে এই বছৰ প্ৰায় ২২,০০০ কুইন্টল লালী পোৱা যাব আৰু ২,৭০,০০০ টকা আয় হব লাগে ।

(ঘ) ২৫ বছৰ ।

Shri Gaurisankar Bhattacharyya— Sir, লালীৰ কথা ক'লে কিন্তু মদৰ কথা নকলে। চৰকাৰে কিমান মদ পাব বুলি ভাবিছে? লালী যিটো বছৰত পাব সেইটো বছৰত মদ কিমান তৈয়াৰ কৰিব ?

Shri Lakshmi Prasad Goswami—কিমান মদ পোৱা হব সেইটো কব নোৱাৰো । কিন্তু কিমান মূল্যৰ মদ পোৱা হব সেইটো দিব পাৰিম। বৰ্ত্তমানে এই মিলৰ পৰা ২২ হাজাৰ কুইন্টল লালী পোৱা যায়। তাৰ পৰা Rectified spirit পোৱা হব; ২ লাখ ৭২ হাজাৰ টকা আয় হব আৰু এই Rectified ৰ পৰা Foreign Lequor পোৱা যাব ৫.৬০ লাখ টকাৰ।

Shri Soneswar Bora— অসম সমবায় চেনি কলৰ লগত প্ৰস্তাবিত চৰকাৰী মদৰ কাৰখানা প্ৰতিস্থা কৰা গান্ধীবাদৰ পূৰ্ণ বিকাশ কৰিছে বুলি ভাবে নেকি ?

Shri Lakshmi Prasad Goswami— এইটো কথা মই কব নোৱাৰো।

Shri Gaurisankar Bhattachayyya—সমবায় চেনি কলৰ লগতে এই কাৰখানাটোও হব। গতিকে Dry Area ত এনে এটা কাৰখানা বহুৱাটো আপত্তিজনক কথা নহবনে ?

Shri Lakshmi Prasad Goswami— এই প্ৰশ্নৰ প্ৰসঙ্গত মই চৰকাৰী নীতি বিষয়ে কব নুখোজো । কিন্তু ইয়াৰ পৰা যে লাভ হব সেইটোহে মই উত্তৰত কৈছো ।

Shri Bhadra Kanta Gogai— চৰকাৰে অহা ২৫ বছৰলৈকে মদৰ প্ৰচলন থাকিব বুলি ভাবে নেকি ?

Shri Lakshmi Prasad Goswami - কোনো কোনো এলেকাত ২৫ বছৰলৈকে প্ৰচলন থাকিব পাৰে আৰু যিবিলাক Wet Area আছে তালৈকো মদ পঠাব পৰা যাব।

Shri Mohidhar Pegu— এই যে, আমাৰ চেনি কলৰ পৰা মদ তৈয়াৰ কৰা কথা কৈছে আৰু এই মদ ইয়াৰ পৰা Foreign Lequor ৰ কথা কৈছে এই Foreign Lequor বৃটিছ Quality ত তৈয়াৰী কৰিবলৈ গলে বহু বছৰ সময় লাগে। কিন্তু যিবিলাক মদ আমি দেশীয় মদ বুলি কওঁ সেইবিলাক মদ Health Condition ফালৰ পৰা উপযুক্ত বুলি ভাবে নেকি ?

Shri Lakshmi Prasad Goswami — মাননীয় সদস্যই সেই বিষয়ে মোতকৈয়ো বেছি জানে। মই মাত্ৰ জানো যে, আমাৰ চেনি কলৰ পৰা যি লালী তৈয়াৰ হব তাৰ সদ্ব্যৱহাৰ কৰিবৰ কাৰণে এই কামটো লোৱা হব।

M. Shamsul Huda— মন্ত্ৰী মহোদয়ে কৈছে, আমাৰ কিমান টকা লাভ হব। কিন্তু ইয়াৰ বজাৰ ক'ত পাব সেইটোৰ বিষয়ে কি চিন্তা কৰা হৈছে ? আৰু যে, Foreign Liquor তৈয়াৰ কৰা কথা কৈছে সেইটোৱে কি অৰ্থ কৰিছে ?

Shri Ramesh Chandra Barua - ইয়াৰ উত্তৰটো মইহে দিম। আমি এতিয়াও বাহিৰৰ পৰা মদ আনো। কিন্তু এই কাৰখানাটো হলে বাহিৰৰ পৰা মদ অনাৰ প্ৰয়োজন নহব।

## Re : Clash between East-Pakistanies Hajon Refugees and the Police at Matia Camp

শ্ৰীমনেশ্বৰ বড়োই সুধিছে :

*৪০১। মাননীয় পুনৰ্ব্বাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এইটো সঁচানে যে কিছুদিন আগেয়ে মাটিয়া শৰণাৰ্থী শিবিৰত পূব পাকিস্তানৰ পৰা অহা হাজং শৰণাৰ্থী আৰু পুলিচ আৰু অইন পুনৰ্ব্বাসন বিভাগৰ বিষয়াৰ ভিতৰত কোনো গুৰুতৰ সংঘৰ্ষ হৈছিল ?

(খ) যদি সঁচা হয় ইয়াৰ কাৰণ কি ?

(গ) কিমান জন মানুহ সংঘৰ্ষত আহত হৈছিল ?

(ঘ) এইটো সঁচানে যে পুলিচ বিষয়া সকলে শৰণাৰ্থী সকলৰ পঁজা ঘৰত জুই দিছিল ?

(ঙ) যদি সঁচা হয় কিয় ?

পুনৰ্ব্বাসন বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীমতী পদ্মকুমাৰী গোহাঁইয়ে উত্তৰ দিছে ।

৪০১। (ক) নহয় ।

(খ) এই প্ৰশ্ন নুঠে ।

(গ) এই প্ৰশ্ন নুঠে ।

(ঘ) নহয় ।

(ঙ) এই প্ৰশ্ন নুঠে ।

Shri Maneswar Baro— অধ্যক্ষ মহোদয়, মই বৰ দুখীত যে, মন্ত্ৰী মহোদয়ে মাটিয়া শৰণাৰ্থী শিবিৰত চৰকাৰী বিষয়াই অত্যাচাৰ কৰা নাই বুলি কৈছে । কিন্তু এইটো কথা সম্পূৰ্ণ সত্য যে, চৰকাৰী কৰ্মচাৰীয়ে তাত যথেষ্ট অত্যাচাৰ কৰিছিল আৰু ইংটি চাহাবে এজনী ১৬ বছৰীয়া ছোৱালীক চুলিত ধৰি টানি আনি দাঁত ভাঙি দিছিল আৰু সেই কথাটো ইয়াত লিখা আছে । ( এখনি আলোচনী প্ৰদৰ্শন কৰে ) অৱশ্যে ইয়াৰ পৰা মই পঢ়ি সময় নষ্ট কৰিব নোখোজো । আকৌ Assam Tribune, 8th Decemberৰ কাকততো এই কথা প্ৰকাশ পাইছে ।

Shrimati Padma Kumari Gohain— যিখন মেগেজিন আৰু Tribuneৰ কথা কৈছে তাৰ উত্তৰ মই Calling Allention ত দিছো । আমাৰ কিছুমান ৰিফিউজিক দণ্ডকাৰণ্যলৈ পঠোৱাৰ ব্যৱস্থা কৰা হৈছিল । কিন্তু তাত কিছুমান ৰিফিউজিয়ে বাধা দিয়াত তাক পুলিচৰ সহায়ত ব্যৱস্থা কৰিবলৈ লোৱা হৈছিল কিন্তু কোনো ছোৱালীক মাৰপিত কৰা বা হাতত ধৰি টানি নিয়াৰ

কথা মহকুমাধিপতিৰ Report ৰ পৰা আমি পোৱা নাই। আৰু ডাক্তৰ Report ত তেনে কোনো কথাৰ উল্লেখ নাই।

Shri Gaurisankar Bhattacharyya—পশ্চিমবঙ্গৰ কাগজতে নহয় আমাৰ অসমৰ কাগজ Assam Tribune টো প্ৰকাশ পাইছে। আৰু এই Secretary জনৰ বিৰুদ্ধে যি অভিযোগ আছে তাকো কাকতত প্ৰকাশ পাইছে। গতিকে মই জানিব খুজো যিজন Secretary ৰ বিপক্ষে ইমান বিলাক অভিযোগ আছে সেইবিলাক কথা মন্ত্ৰী মহোদয়েই জানেনে নাজানে ?

Shrimati Padma Kumari Gohain— এই কথা মহকুমাধিপতিয়ে আমাৰ দৃষ্টিগোচৰ কৰা নাই।

Shri Dulal Chandra Barua— অধ্যক্ষ মহোদয়, প্ৰশ্নত 'ক'ৰ পৰা 'ঙ' লৈকে নহয় নহয় নহয় বুলি কৈছে। কথা হ'ল মন্ত্ৰী মহোদয়াই প্ৰকৃত সঁচা কথা কোৱা নাই। পশ্চিমবঙ্গৰ কাকততো আৰু অসমৰ কাকততো প্ৰকাশ হোৱা কথাটো আমাৰ চৰকাৰে controdiction কৰা নাই। দ্বিতীয়তে মন্ত্ৰী মহোদয়াই পুলিচ অনা কথাটো স্বীকাৰ কৰিছে। এইবোৰ কথা উল্লেখ কৰিছে গতিকে মই কব খুজিছো যে এই আটাইবিলাক হয়, হয়, হয় আৰু মন্ত্ৰী মহোদয়াই ভুল তথ্য দি সদনক বিভ্ৰান্ত কৰিবলৈ চেষ্টা কৰি এই সদনৰ বিশেষ অধিকাৰ ভঙ্গ কৰিছে।

Shrimati Padma Kumari Gohain—যোৱাবাৰ যেতিয়া Calling Attention অনা হৈছিল তেতিয়া সেই বিষয়ে চৰকাৰৰ পৰা যি মন্তব্য দিয়া হৈছিল সেই কথা চিলঙৰ এখন কাগজত Tribune ৰ কথাটো প্ৰতিবাদ কৰিছিল। আৰু প্ৰতিবাদৰ টোকা Assam Tribune এ প্ৰকাশ নকৰিলে। আৰু Frontier Times ত প্ৰকাশ কৰা হৈছিল আৰু কাগজত ওলোৱাৰ পিচতেই মই নিজে তালৈ গৈছিলো কিন্তু কোনেও মোক লিখিতভাৱে Complain দিয়া নাই। আকৌ প্ৰশ্নটো পোৱাৰ পাচতো মই মহকুমাধিপতিলৈ লিখি পঠাইছিলো আৰু জনাবলৈ কৈছিলো যে, এই বিষয়ে ডাক্তৰে কিবা

Report দিছে নেকি ? কিন্তু তাৰ পৰা যি উত্তৰ আহিল তাক মহকুমাধিপতিয়ে একো নাজানো বুলি কৈছে ।

Shri Gaurisankar Bhattacharyya— ছোৱালীজনীক হাতত ধৰি নিয়াৰ কথাটোৰ Report ডাক্তৰে কেনেকৈ দিব ।

FURTHER INFORMATION ON STARRED QUESTION NO. 179 REPLIED ON 15TH MARCH 1969

RE : POLICE FIRING AT DALU IN KARIMGANJ SUB-DIVISION

Shri Bimala Prasad Chaliha ( Chief Minister ) : In reply to question No. 179 I was to furnish this House with some information with regard to the Block Development Officers. I am sorry that there have been some delay in giving this information because I was absent from this House for some time. All the Block Development Officers are invested with the power of a III Class Magistrate within their respective jurisdiction which was notified by Notification No LJJ. 9/65/130 dated 10th September, 1965.

ADJOURNMENT MOTION-HUNGER-STRIKE BY UNEMPLOYED YOUTH INFRONT OF THE ASSEMBLY BUILDINGS

Mr. Speaker : Now, Mr. Gogoi will speak.

Shri Promode Chandra Gogoi— Mr. Speaker Sir, we beg to move the following motion to adjourn the business

of the Assembly for the purpose of discussing a definite matter of public importance. The following are the words. This Assembly do now adjourn to discuss the situation arising out of hunger strike launched by the representatives of youths and students of Assam from 7 A.M. to-day infront of the Assembly House.

অধ্যক্ষ মহোদয়, আমি এই বিষয়টোত এই কাৰণেই সভাস্থগিত প্ৰস্তাৱ আনিব খুজিছো যে, ইয়াত অসমৰ ভিতৰত এই বাবেই প্ৰথম ছাত্ৰ আৰু যুৱকসকলৰ প্ৰতিনিধিয়ে কিছুমান দাবীৰ কাৰণে বিধান সভাৰ সন্মুখত ১২ ঘণ্টাৰ কাৰণে অনশন ধৰ্মঘট কৰিছে আৰু এই ছাত্ৰসকলৰ মাজত গুৱাহাটী বিশ্ববিদ্যালয় আইন কলেজ ছাত্ৰ সন্থাৰ নৱ নিৰ্বাচিত সাধাৰণ সম্পাদক শ্ৰীগিৰিধৰ পাটৰ আৰু যোৰহাট আইন কলেজৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীহেম হাজৰিকাইও ইয়াত অংশ গ্ৰহণ কৰিছে। গতিকে এই অনশন ধৰ্মঘটত অসমৰ বিভিন্ন অঞ্চলৰ যিবিলাক গুৰুত্বপূৰ্ণ শিক্ষানুষ্ঠান, সেইবিলাকৰ প্ৰতিনিধিয়ে ইয়াত অংশ গ্ৰহণ কৰিছে আৰু তেওঁলোকৰ যিবিলাক দাবী সেইবিলাক অতি গুৰুত্বপূৰ্ণ। তেওঁলোকৰ অন্যান্য দাবীৰ ভিতৰত আছে—

(১) শতকৰা ৭৫ ভাগ চাকৰিত অসমৰ যুৱক-যুৱতীক নিয়োগ কৰা।

(২) অসমৰ দ্ৰুত উদ্যোগীকৰণ।

(৩) অসমত দ্বিতীয় তেল শোধানাগাৰ স্থাপন।

(৪) ভূমিহীন কৃষক-যুৱকক ভূমি বিতৰণ।

(৫) দেশী-বিদেশী পুঁজি আৰু

(৬) চাহ বাগিচা সমূহৰ ৰাষ্ট্ৰীয়কৰণ ইত্যাদি।

যিবিলাক দাবীলৈ অনশন কৰিছে সেই বিলাকৰ সৰহভাগেই এই সদনত আলোচনা হোৱা নাই। ইয়াৰ ভিতৰত একমাত্ৰ তেল শোধানাগাৰৰ প্ৰশ্নটোহে আলোচনা হৈছে আৰু বাকীবিলাক বিষয়ত এই বিধান সভাৰ কালছোৱাত এই সদনত আলোচনা কৰা হোৱা নাই। এই Rules ত যি

নিয়ম সেই নিয়ম মতে সভা স্থগিত প্ৰস্তাৱটো এটা বিষয়ৰ ওপৰত অনা হৈছে। যিটো বিষয়ৰ ওপৰত সভা স্থগিত প্ৰস্তাৱ অনা হৈছে, সেইটো অতি জৰুৰী আৰু আজি এই সমস্যা আমাৰ বিধান সভাৰ সন্মুখতেই হৈছে আৰু এই প্ৰস্তাৱৰ জৰিয়তে আগতে আলোচনা হোৱা কোনো আলোচনাৰ পুনাৰাবৃত্তি কৰিব খোজা নাই। ইয়াৰ ওপৰিও যিবিলাক 'বিষয়' বিধান সভাৰ ভবিষ্যত কাৰ্য্যসূচীৰ ভিতৰত আছে সেই বিলাকৰ ভিতৰত এই প্ৰস্তাৱটো আলোচনা হোৱাৰ সম্ভাৱনা নাই। গতিকে মই ভাবো এই বিষয় সমস্যাটো গুৰুত্বপূৰ্ণ বিবেচনা কৰি আজিৰ সভা স্থগিত ৰাখি বিষয়বিলাকৰ সম্পৰ্কে আলোচনা কৰা উচিত।

Shri Mahendra Mohan Choudhury (Minister, Parliamentary Affairs) : Sir, this kind of matters have been discussed on the floor of the House in connection with certain adjournment Motion also. Now-a-days the hunger strike has become very common and even on a very flimsy affair people resort to such hunger strike. I therefore, think that if on all such cases the business of the House is to be suspended, I think Sir, it will create an impossible situation. I think, it does not constitute the subject matter of an adjournment motion and it seems that the adjournment motion has no leg to stand. It is up to you Sir, whether you would allow it or not. But we from this side of the House say that this Motion is out of order.

Mr. Speaker : I have heard both the sides. I shall give my ruling at 2 P. M.

RE : EXEMPTION OF ENTERTAINMENT TAXES TO CERTAIN CINEMAS

Shri Gaurisankar Bhattacharyya : Sir, to-day for the first time, I am seeking your permission to use the Zero Hour. I wish, the Finance Minister was present, because this relates to his ministry and to some extent to him as well. Sir, our budget has been a deficit one with more than 50 crores of rupees in the deficit. It Was discussed on the floor of this House and the Minister also joined in the tune that there will be no exemption of entertainment tax with regard to the films. Now, here certain extraordinary steps have been taken or are being taken. For example, there was one "extraordinary" Bombay film namely "Ankhe" Exemption of entertainment tax has been granted to this film; Because the producers of these films could spend here privately 25,000 rupees, therefore this film has been given exemption of entertainment tax. This is peculiar only in the case of Assam, because no other state of India has given this film exemption of entertainment tax.

There is another film, "Humsaya". Here probably 'Humsaya' means the lower abdomen of some dancing girls which are being displayed in the film. I understand that on the 5th next the Congress Secretary, Shri Kakoti is coming to Shillong to accept Rs. 5000/- for the Congress fund from the Mahavir Films and on the 10th another sum of Rs 20,000/- will be given to sumebody

else, not to Congress, and I understand that on the 11th of this month this 'Humsaya' film also will be favoured with the exemption of amusement tax. I had forgotten to say, Sir, the 'Hamsaya' was silently and quietly enjoyed by the Finance Minister in the Shillong 'Dreamland'. So far as 'Sadhu Aur Saitan', another film, is concerned, the Finance Minister and some other Members of this House were entertained with this film as well as a little tea and snacks and I understand that with regard to this film, 'Sadhu Aur Saitan' also a sum of Rs. 5,000/- will be donated on the 5th to Shri Kakoti Rs. 20,000/-, to some other person on the 10th (voice from the Opposition, Shame, Shame) and remission will be given on the 11th as soon as the Assembly is over. These are very disquieting informations particularly in view of what has appeared in this Daily Newspaper, 'Ganaraj' dated 22nd March, 1969. I shall hand over these papers to Mr. Speaker. I will read it,"

গনরাজ (GANARAJ)

৮ই চৈত্র, শনিবার ১৩৭৫ বাং

২১ শে মার্চ্চ ১৯৬৯ ইং

"আসামের অর্থ ও শ্রম মন্ত্রীর বিরুদ্ধে"

দুর্নীতির গুরুতর অভিযোগ

„কংগ্রেস সদস্য কর্ত্তৃক কংগ্রেসী মন্ত্রীকে বহিস্কারের দাবী ঃ

অন্যথায় আমরন অনাশনে প্রাণত্যাগের হুমকী

(গনরাজ প্রতিনিধি)

"আগরতলা ২১ শে মার্চ্চ :-"আসাম হিলস্ নেহেরু সেবক সঙ্ঘের সভাপতি ও কংগ্রেস কর্মী শ্রী এম পি শাস্ত্রী আজ সন্ধ্যা ৭টায় স্থানীয় অগ্রগতি পত্রিকা অফিসে এক সাংবাদিক সম্মেলনে আসামের অর্থ ও শ্রম মন্ত্রী শ্রী কে পি ত্রিপাঠীর বিরুদ্ধে গুরুতর দুর্নীতির অভিযোগ এনে বলেন— শ্রী ত্রিপাঠী আসামে তার পরিবারের বিভিন্ন ব্যক্তির নামে কয়েকটি চা বাগান, বিস্কুটের কারখানা এবং লৌহ ও ইস্পাতের কারখানা করেছেন। তাছাড়া উত্তর প্রদেশে তার স্ত্রী বা মেয়ের নামে বৃহৎ জায়গার উপর প্রাসাদোপম বাড়ী করেছেন যাঁর মূল্য প্রায় ৬৭ লক্ষ টকা। শ্রী শাস্ত্রী এই সমস্ত অভিযোগের সত্যতা প্রমাণের উপযোগী দলিল পত্র প্রধানমন্ত্রী সরাষ্ট্রমন্ত্রী ও কংগ্রেস সভাপতির নিকট পাঠিয়ে অবিলম্বে শ্রী ত্রিপাঠীর বিরুদ্ধে তদন্ত দাবী করেছেন এবং তাকে ( ত্রিপাঠীকে ) মন্ত্রীত্ব ও কংগ্রেস সংগঠন থেকে বহিস্কারের দাবী করেছেন। যদি এই দাবী পূরণ নাহয় তাহলে প্রধানমন্ত্রীর বাড়ীর সম্মুখে অনির্দ্দিষ্ট কালের জন্য অনশন ধর্মঘট করে শ্রী শাস্ত্রী প্রাণত্যাগ করবেন বলে ঘোষনা করেছেন।"

I wish these are all false but wishes are not always horses. Therefore, I would like to have a categorical information from the Government, particularly, with regard to these films whether it is a fact that such an unique think has been made in Assam by granting exemption of amusement tax to 'Ankhen' and exemptions are proposed regading 'Hams ya' and 'Sadhu Aur Saitan' as alleged particularly in view of the great financial stringency of this State.

Shri Bimala Prasad Chaliha ( Chief Minister ) : Mr. Speaker, Sir, unfortunately the Finance Minister is not here to-day and I can only reply to the questions raised

by the Member after enquiring into these matters which I have taken note of. If you so desire, these replies, may be given by the Finance Minister himself on Monday and that will be better because there are a lot of references.

Shri Gaurisankar Bhattacharyya : Please make it Tuesday.

Shri Bimala Prasad Chaliha : As you desire, it will be replied on Tuesday.

## RE : CHOLERA EPIDEMIC AROUND GAUHATI.

Shri A. N. Akram Hussain— মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত যোৱাকালি বাতৰি কাকতত লিখিছে যে, গুৱাহাটী নগৰৰ কাষৰ অঞ্চললৈকে কলেৰা ব্যাপক তিনি সপ্তাহৰ ভিতৰত প্ৰায় ১০০ জনৰ মৃত্যু। কেইসপ্তাহমানৰ আগতে উত্তৰ কামৰূপ আৰু মঙ্গলদৈ মহকুমাৰ অঞ্চল বিশেষত মহামাৰীৰ ৰূপ হোৱাৰ পিচত বৰ্ত্তমান বৃহত্তৰ গুৱাহাটীয়ে সামৰা কেইটামান অঞ্চলকো ধৰি গুৱাহাটীৰ মহকুমাৰ কেইবাটাও নতুন অঞ্চলত কলেৰাই দেখা দিয়াৰ বাতৰি পোৱা গৈছে। এনে পৰিস্থিতিৰ সন্মুখীন হৈয়েই কামৰূপৰ উপায়ুক্তই সমগ্ৰ গুৱাহাটী মহকুমা কলেৰা আক্ৰান্ত অঞ্চল হিচাপে ঘোষণা কৰে।

প্ৰথমতে উত্তৰ কামৰূপ. মঙ্গলদৈ অঞ্চলত এই কলেৰা মহামাৰী আৰম্ভ হয় তাৰ পাচত এই মহামাৰী আহি গুৱাহাটীত বিয়পি পৰে। গুৱাহাটী Municipal Area ৰ ভিতৰতো কলেৰাই দেখা দিয়ে। এই কলেৰা ব্যাপক ভাবে বাঢ়ি যোৱাৰ কাৰণ হ'ল যিবিলাক অঞ্চলত মহামাৰীয়ে দেখা দিছে সেইবিলাক অঞ্চলত চিকিৎসাৰ বাবে ডাক্তৰৰ অভাৱ আৰু চিতাদাৰৰ অভাৱ আৰু যথোপযুক্ত নহয়। এই বিলাক অঞ্চলত চিতাদাৰৰ কোনো ব্যৱস্থা নাই।

Mr. Speaker— Mr. Akram Hussain, there should be no deleate. Just seek informtion stating facts.

Shri A. N. Akram Hussain— গুৱাহাটী মহকুমাৰ অকল গোবেশ্বৰ অঞ্চলতে ২৬ জন লোকৰ মৃত্যু হৈছে বুলি গুৱাহাটীৰ চিভিল্ চাৰ্জনৰ পৰা জানিব পৰা গৈছে। পৰহিৰ পৰা বকো অঞ্চলতো ব্যাপকভাবে কলেৰাই দেখা দিছে। Gauhati ৰ যিবিলাক ভিতৰৰ অঞ্চলত কলেৰাই ব্যাপকভাবে বিয়পি পৰিছে সেই মহামাৰী দমনৰ কাৰণে কোনো চিকিৎসাৰ ব্যৱস্থা হোৱা নাই। চিতাদাৰৰ সংখ্যা অতি কম। সেই কাৰণে মই কওঁ যে, ward য়ে ward এ কলেৰাৰ প্ৰতিষেধক ব্যৱস্থা লব লাগে আৰু ward এ ward এ ডাক্তৰ আৰু চিতাদাৰৰ ব্যৱস্থা কৰিব লাগে। মই মন্ত্ৰী মহোদয়ক এই সদনত অনুৰোধ জনাও যেন যিবিলাক অঞ্চলত কলেৰাই ব্যাপকভাবে দেখা দিছে সেই অঞ্চলবোৰ সিক্ত চকুৰে চাই অহা উচিত হব। মন্ত্ৰীসকলে কলেৰা ৰোগক ভয় কৰি ৰাইজৰ দুৰৱস্থা জানিবলৈ নোযোৱাটো গৰিহনা কাৰ্য্য।

Shri Chatrasing Teron, ( Minister, Health ) Sri, that this matter will be raised in the zero hour' this information was not given to me and so I could not come wholly prepared but as regards the cholera epidemic to certain parts of North Gauhati and also the southerns bank is concerned, so far as my information goes, have been some cases in the North Bank and some stary cases in the South Bank also

I shall try to collect the detailed information and furnish to the House. As far as priventive measures are concerned, I know, Sir, steps have been taken and innoculations are being given now. There, after collecting the information I shall inform the House.

Shri Hiralal Patwary : চাৰ এই ক্ষেত্ৰত যিহেতু টংলা, মঙ্গলদৈ আদিত কলেৰাৰ বিস্তৃত হৈছে এইটো information মন্ত্ৰী মহোদয়ে সংগ্ৰহ কৰিব

লাগে। য'ত নদী বিলাক আছে তাৰ ভিতৰত ময়লা পেলাই দিয়ে। আৰু সেই ময়লাপানী খোৱাৰ কাৰণে কলেৰা হৈছে। এই পানী খোৱাৰ কাৰণেই যে এই মহামাৰী হৈছে—মন্ত্ৰী মহোদয়ে তাৰ লগতে এই information টোও সংগ্ৰহ কৰিবনে?

Shri Chatra Sing Teron : Sir, this morning I tried to contact the S.D.M. & H.O., Mangaldai over the phone. But he was out for Tangla with the Civil Surgeon. In his office somebody responded and told me the Civil Surgeon and the S. D. M. & H. O. were already at Tangla and they are likely return in the evening. When they return to Mangaldai I shall again try to contact him. As regards the point that sometimes stools are let loose in the rivers I have no definite information about that. We shall surely look into it.

Shri Hiralal Patwary : Sir, will the Minister collect the information from his Department about which I am telling him ?

Shri Dulal Chandra Barua : Sir, the Minister has stated that preventive measures have already been taken against the spread of epidemic. But it surprising that in spite of the preventive measures how the disease could spread and come up to Kamrup ? Are these preventive measures effective ?

Shri A. K. Akram Hussain : আজি অতদিন হৈ গ'ল, এই information টো এতিয়াও দিয়া নাই ?

Mr. Speaker : He will collect the information and place

in the House.

Shri Dulal Chandra Barua : Sir, my question has not been replied. I wanted to know whether these preventive measures as stated by the Minister are effective or not ?

Shri Chatra Sing Teron : May I reply to this, Sir ? Sir, the point is that ( Interruption from the opposition )

Mr. Speaker : The Minister has said that he will collect the information and place them in the House. Now Mr. Maneswar Boro. ( Shri Hiralal Patwary rose to speak ) No. You sit down. I have closed it. Mr. Boro ?

Shri Atul Chandra Goswami : মিনিষ্টাৰে নিজে গৈ পৰিদৰ্শন কৰা উচিত। গুৱাহাটীলৈকেটো সদায়েই মিনিষ্টাৰ গৈ আছে।

## CALLING ATTENTION TO A MATTER OF URGENT PUBLIC IMPORTANCE-SEIZURE OF EXPLOSIVES............

Shri Moneswar Boro— Mr. Speaker, Sir, I beg to call the attention of the Chief Minister, under Rule 54 of the Rules of Procedure and conduct of Business in Assam Legislative Assembly to the news item published in Natun Asamiya, dated 7th March, 1969 under the caption "বিষ্ফোৰক সামগ্ৰী জব্দ"। নতুন অসমীয়াৰ কথাটো কিমান দূৰ সত্য, এই বিষ্ফোৰক বিলাক ক'ৰ পৰা অনা হৈছে বা কোনে আনিছে আৰু কিমান জব্দ কৰিছে, সেইটো মুখ্যমন্ত্ৰীয়ে এই সদনক জনালে ভাল হয়।

Shri Bimala Prasad Chaliha ( Chief Minister ) - Mr. Speaker, Sir, the attention of Government has been drawn to the news item referred to in the motion. On 20/2/69

Land Customs Officers Shri P. Dutta and Shri R. L. Dey of Silchar had seized 3450 K. G. of Sodium Hydrosulphite at Lumding Railway Station. The seized article was not an explosive as stated in the news item. The markings on the drums containing the Sodium Hydrosulphite indicated that the goods were made in England, released at Chittagong Port and then sent to Pabna in East Pakistan. It appears, from Pabna the drums were passed on to Dharmanagar in Tripura. The goods were booked at Dharmanagar Railway Station by one Shri M. Banik of Agartala falsely declaring it Jute stick powder. The consignment was intended to be delivered at Kalighat Station at Calcutta. Land Customs Authorities had conducted investigations to locate the smugglers but it is understood no person by the name of M. Banik cou'd be traced at Agartala. The value of the seized article is about Rs. 80,000/-

THE ASSAM MUNICIPAL ( AMENDMENT ) BILL, 1969

Shri Bimalal Prasad Chaliha ( Chief Minister ) -- Sir, I beg leave of the House to introduce the Assam Municipal ( Amendment ) Bill, 1969.

Mr. Speaker-- The Motion is moved. Has the House granted leave to introduce the Bill ? ( Voice : yes ). The leave is granted to introduce the Bill

Shri Bimala Prasad Chaliha-- Sir, I beg to move that the Bill be introduced.

Mr. Speaker— The Motion is moved. Has the House granted leave that the Bill be introduced ? ( Voice : Yes) The Bill is introduced.

## FIFTEENTH REPORT OF THE COMMITTEE ON GOVERNMENT ASSURANCES

Rani Manjula Devi : (Chairman, Assurance Committee) Sir, I beg to present the fifteenth Report of the Committee on Government Assurances.

## FIFTEENTH REPORT OF THE COMMITTEE ON SUBORDINATE LEGISLATION

Shri Jogen Saikia : ( Chairman, Subordinate Legislation Committee ) Sir, I beg to present the fifteenth Report of the Committee on Subordinate Legislation.

## MOTION : DISCUSSION ON THE LAND SETTLEMENT POLICY OF GOVERNMENT

Shri Mahendra Mohan Chaudhury (Minister, Revenue) : Mr. Speaker, Sir, I beg to move that the House do now take into consideration the Land Settlement Policy and its implementation in the State.

Sir, a few days back, the Chief Minister made a statement in the House that the Land Settlement Policy and its implementation should be discussed by the Hon'ble Members. In pursuance of that this Motion has been moved by me. The main purpose of the Motion is, Sir, to seek advice from the Hon'ble Members of

the House whether any amendment of the Land Settlement Policy as announced by the Government in 1968 is warranted. As the land settlement problem is a very important one, we must adopt procedure for speedying up allotment of land whatever land is there at our disposal, to the landless tillers. The matter has been discussed in general and it will be welcome if the Hon'ble Members, instead of indulging in the discussion in general manner put forth their suggestion about implementation of the Settlement Policy and also to suggest the ways for speedying up the work. I do not want to take much time of the House at this stage. If necessary, in winding up the debate I will make whatever observations, I have.

Shri Nakul Chandra Das — মাননীয় অধ্যক্ষ মহোদয়, ভূমি সমস্যাই বৰ্ত্তমান অসমত এটা জ্বলন্ত সমস্যাৰ ৰূপ ধাৰণ কৰিছে। এই সমস্যা সমাধানৰ উপায় উদ্ভাৱনৰ উদ্দেশ্যে সদনৰ মাননীয় সদস্য সকলৰ পৰা দিহা পৰামৰ্শ বিচাৰি ৰাজহ মন্ত্ৰী ডাঙৰীয়াই সদনত যি প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ বাবে ৰাজহ মন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জনাইছো আৰু এই সুযোগতে মই এই জটিল সমস্যা সমাধানৰ পথত কি ধৰণে আমি আগবাঢ়ি যাব পাৰো তাৰ বাবে কেইটামান গঠনমুলক পৰামৰ্শ আগবঢ়াব খুজিছো।

উপাধ্যক্ষ মহোদয়, আপুনি জানে যে যোৱা বছৰ ৰাজহ মন্ত্ৰীয়ে আশাশুধীয়া চেষ্টাৰে এই সদনৰ বিভিন্ন দল-উপদলৰ সদস্যকলৈ ভূমি-সংস্কাৰৰ বিষয়ে বিশদ ভাৱে আলোচনা কৰি সকলোৰে সৰ্ব্বসন্মতিক্ৰমে ভূমি পট্টন নীতি ঘোষণা কৰিছিল। আমাৰ বিশ্বাস আছিল যে কি ৰাজহৰ ক্ষেত্ৰত, কি ভূমি পট্টন দিয়াৰ ক্ষেত্ৰত—সকলো ক্ষেত্ৰৰে বেমেজালি সমূহ দূৰ কৰি দুখীয়া ৰাইজক উপকৃত কৰিবৰ কাৰণে গ্ৰহণ কৰা এই বৈপ্লৱিক

নীতিয়ে ভূমি সংস্কাৰৰ ক্ষেত্ৰত এক বৈপ্লৱিক পৰিবৰ্ত্তন আনিব। কিন্তু নানা ধৰণৰ বেমেজালি আৰু ব্যাঘাতৰ কাৰণেই হওক নাইবা চৰকাৰৰ ভূমি বিভাগৰ বিষয়াৰ ত্ৰুটি বা শিথিলতাৰ কাৰণেই হওক বা ন্যাস্ত স্বাৰ্থৰ প্ৰভাবৰ কাৰণেই হওক যোৱা বছৰটোত আমাৰ চৰকাৰে এটা সুচিন্তিত বৈপ্লৱিক নীতি ঘোষণা কৰা স্বত্বেও ভূমিহীন খেতিয়কক মাটি দিয়াৰ ক্ষেত্ৰত আশানুৰূপ ভাৱে আগবাঢ়িব পৰা নাই।

উপাধ্যক্ষ মহোদয়, আজি অসমৰ ভূমি সমস্যা অসমৰ খেতিয়ক ৰাইজৰ জীৱন মৰণ সমস্যা। অসমৰ শতকৰা ৮০ ভাগ মানুহ খেতিয়ক। অসমৰ ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ কৰ্ম্মসংস্থানৰ বাবে আমাৰ ৰাজ্যত এতিয়ালৈকে ব্যাপকভাৱে কোনো উদ্যোগ গঢ়ি উঠা নাই। গতিকে আমি, অসমৰ ৰাইজে কেকোঁৰা নাঙল আৰু ডুডৰা মাটি লৈ জীৱন যাপন কৰিবলগীয়া হৈছে আৰু ভৱিষ্যতেও তাকেই লৈ থাকিব লাগিব। গতিকেই ভূমিহীন প্ৰকৃত খেতিয়ক ৰাইজক ভূমিপট্টন দিবৰ উদ্দেশ্যে এই ভূমি সমস্যা আমি সন্তোষজনকভাৱে সমাধান কৰিবই লাগিব। এই উদ্দেশ্য আমি এক দূৰদৰ্শী আৰু গঠনমূলক দৃষ্টিভঙ্গী গ্ৰহণ কৰিব লাগিব। আন্দোলনমুখী মনোভাৱে আমাক লক্ষ্যপথত আশানুৰূপভাৱে আগবঢ়াই নিব পাৰিব বুলি মোৰ বিশ্বাস নহয়। মই বিৰোধী দলৰ দলপতি শ্ৰীভট্টাচাৰ্য্য ডাঙৰীয়াক ধন্যবাদ জনাইছো— যে তেখেতে ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্ক প্ৰসঙ্গত আৰু বাজেট বিতৰ্কৰ সময়ত ভূমি সমস্যাৰ সমাধান কল্পে কিছুমান সুচিন্তিত আৰু দূৰদৰ্শী পৰামৰ্শ আগবঢ়াইছে। তেখেতে যি পৰামৰ্শ আগবঢ়াইছে সেয়েই সকলোৰে চকু মুকলি কৰিব বুলি মই আশা কৰিছো আৰু তেখেতৰ সুচিন্তিত পৰামৰ্শ নিৰপেক্ষভাৱে আৰু দূৰদৰ্শী দৃষ্টিভঙ্গীৰে বিবেচনা কৰি ভূমি সমস্যা সমাধানৰ পথত আমি সকলোৱে উমৈহতীয়া প্ৰচেষ্টা চলাই আগবাঢ়িব বুলি মই আশা কৰিছো।

উপাধ্যক্ষ মহোদয়, আমাৰ ভূমি সমস্যা কোনো দলীয় সমস্যা নহয়, ইয়াত কোনো দলীয় ৰাজনৈতিক স্বাৰ্থ থকা উচিত নহয়। এইটো অসমৰ

খেতিয়ক ৰাইজৰ প্ৰাণৰ সমস্যা। আৰু এই সমস্যা যিমান সোনকালে সন্তোষজনকভাৱে সমাধান কৰিব পৰা যায় সিমানেই দেশৰ মঙ্গল— জাতিৰ মঙ্গল — ৰাইজৰ মঙ্গল আৰু দুসাজ খাবলৈ নাপাই হাঁহাঁকাৰ কৰি থকা দুখীয়া ৰাইজৰ মঙ্গল। এই ক্ষেত্ৰত এটা কথা স্বীকাৰ কৰিব লাগিব যে আমি যদি আন্দোলনমুখী দৃষ্টিভঙ্গী লৈ ভূমি সমস্যা সমাধান কৰিবলৈ যাওঁ তেতিয়া-হলে আমাৰ সন্মুখত উপস্থিত হোৱা সমস্যা সমূহৰ সমাধান নহব। তাক সমাধান কৰিবলৈ কেনেকুৱা ব্যৱস্থা লব লাগে তাক ভালদৰে চিন্তা কৰি চাব লাগিব।

আজি বহুত ঠাইত ফৰেষ্ট ৰিজাৰ্ভৰ মাটি, বহুত ঠাইত চৰণীয়া পথাৰৰ মাটি আৰু বহুত ঠাইত অন্যান্য চৰকাৰী মাটি বহুতে বেদখল কৰিছে। এই বেদখলকাৰী সকলৰ কিমান লোক চৰকাৰী মাটি পাবলৈ যোগ্য আৰু কিমান লোক চৰকাৰী মাটি পাবৰ কাৰণে যোগ্য নহয় তাক নিৰ-পেক্ষভাবে তথ্যপাতিৰে বিচাৰ কৰিব লাগিব। কাৰণ এই ধৰণে জধেমধে সংগঠিতভাবে বহু অঞ্চলত হোৱা বেদখলে বহুতৰ ন্যায্য স্বাৰ্থত ব্যাঘাত জন্মাইছে। কিছুমান যথেষ্ট পৰিমাণৰ মাটি থকা লোকেও বহুতো ঠাইত মাটি বেদখল কৰিছে। ইয়াৰ দ্বাৰা তেওঁলোকে প্ৰকৃততে মাটি পাবলগীয়া মানুহক ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰিছে। সেই কাৰণে মই চৰকাৰক বাৰে বাৰে দৃঢ়তাৰে যুক্তি দৰ্শাই আহিছো যে, এই ধৰণৰ বেদখলকাৰী সকলক উচ্ছেদ কৰিব লাগিব। কাৰণ তেনে ধৰণৰ মানুহবিলাক মাটিহীন দুখীয়া খেতিয়ক ৰাইজৰ শত্ৰু, সমাজৰ শত্ৰু, সমগ্ৰ জাতিৰ শত্ৰু আৰু নিষ্পেষিত-নিৰ্য্যাতিত জনগণৰ শত্ৰু। আজি যিসকল লোকে ফৰেষ্ট ৰিজাৰ্ভত আৰু চৰকাৰী চৰণীয়া পথাৰত আৰু গাৱঁলীয়া গোপচাৰত অন্যায়ভাৱে বেদখল কৰিছে সেই সকলক উচ্ছেদ কৰিবলৈ চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু যদি সেইবোৰ অঞ্চলত ভূমিহীন লোকক দিব পৰাকৈ খেতিৰ উপযোগী উদ্বৃত মাটি আছে সেই মাটিবিলাক প্ৰকৃত মাটিহীন খেতিয়কৰ মাজত বিতৰণ কৰি দিয়াৰ আশু ব্যৱস্থা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, অৱশ্যে এই ক্ষেত্ৰত এটা সুচিন্তিত পৰিকল্পনা

আৰু দূৰদৰ্শী দৃষ্টিভঙ্গী লব লাগিব অন্যথায় আমাৰ সংৰক্ষিত ৰনাঞ্চলসমূহ এনেই জথে-মধে মুকলি কৰিলেই ভূমি সমস্যা সমাধান নহব। ইয়াৰ বাবে সাৱধানে আৰু সতৰ্কতাৰে আগবাঢ়ি যাব লাগিব। কাৰণ চৰকাৰী ভূমিনীতি পুস্তিকাৰ ৯ পৃষ্ঠাত উল্লেখ কৰিছে যে -

"ৰাজ্যৰ সংৰক্ষিত বনাঞ্চলৰ মুঠ ষোল্ল হেজাৰ এক শ বাইশ বৰ্গ মাইল মাটি আছে, এই মাটি ৰাজ্যৰ মুঠ মাটি কালিৰ শতকৰা ১৩.৩৪ ভাগ হব। ৰাষ্ট্ৰীয় বননীতি অনুসৰি অসমৰ ক্ষেত্ৰত সংৰক্ষিত বনাঞ্চলৰ মাটি কালি ৰাজ্যৰ মুঠ মাটিৰ শতকৰা ৪০ ভাগতকৈ কম হব নালাগিব।"

উপাধ্যক্ষ মহোদয়, আপুনি জানে যে, আমাৰ ৰাজ্যৰ যি শতকৰা ১৩.৩৪ ভাগ বনাঞ্চল হিচাপে আছে তাৰ ভিতৰত বহু অংশ স্বায়ত্তশাসিত পৰ্ব্বতীয়া বনাঞ্চলসমূহত আছে। তাৰ উপৰি ব্ৰহ্মপুত্ৰ আৰু বহুতো সৰু ডাঙৰ নদীয়ে প্ৰবলভাৱে অসমৰ ফৰেষ্ট ৰিজাৰ্ভৰ আৰু চৰণীয়া পথাৰ আৰু চৰ অঞ্চলৰ বহুতো মাটি খহাই নিছে। গতিকে মোৰ বিশ্বাস চৰকাৰে এই সংৰক্ষিত বনাঞ্চল অটুত ৰাখি ৰাজ্যৰ বনজ সম্পদৰ উৎকৰ্ষ সাধনৰ বাবে এনে বনাঞ্চলত বেদখল কৰা লোকসকলক উচ্ছেদ কৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু যদি কোনো সংৰক্ষিত হাবি-বননিত বনজ সম্পদৰ শ্ৰীবৃদ্ধিৰ বাবে কামত নহা অথচ খেতি-বাতিৰ বাবে উপযোগী মাটি আছে সেই মাটি ভূমিহীন লোকক পৰিকল্পিতভাৱে পট্টন দিব পৰা যায় নেকি আৰু তাৰ পৰিবৰ্ত্তে খেতি-বাতি নোহোৱা আন কোনো ঠাইৰ মাটি বনাঞ্চলত পৰিণত কৰিব পাৰি নেকি তাক চৰকাৰে যথাবিহিতভাৱে পৰীক্ষা কৰা উচিত।

উপাধ্যক্ষ মহোদয়, মই এটা কথা বিশেষভাৱে উল্লেখ কৰিব খোজো যে, আমাৰ যিবোৰ ভূমি সম্বন্ধীয় আইন বা নিয়মবিধি আছে সেইবোৰৰ বহুতেই বৰ্ত্তমান সময়ৰ চাহিদা পূৰণ কৰিব নোৱাৰা ধৰণে আওপুৰণি হৈ পৰিছে। চৰকাৰে সেই আইন আৰু নিয়মবিধি সমূহ সংস্কাৰধৰ্মী মনোভাৱেৰে পুনৰ পৰীক্ষা কৰি তাৰ খুটি-নাতিবিলাক দূৰ কৰা উচিত আৰু বৰ্ত্তমান সময়ৰ ক্ৰমবৰ্দ্ধমান চাহিদা পূৰণ কৰিব পৰাকৈ সেইবোৰ সংশোধন কৰা উচিত।

উপাধ্যক্ষ মহোদয়, আজি অসমৰ মাটিহীন খেতিয়কৰ মাজত এক

জাগৰণৰ সৃষ্টি হৈছে, সেই জাগৰণ যে সময়ৰ সংকেত তাক চৰকাৰে উপলব্ধি কৰা উচিত। তাকে কৰিবলৈ হলে অসমৰ প্ৰত্যেক জিলাই জিলাই মহকুমাই মহকুমাই মাটি পট্টন দিয়াৰ বাবে সক্ৰিয় আৰু কাৰ্য্যকৰী কমিটি গঠন কৰি পট্টন দিব পৰা মাটিবিলাক যোগ্য মাটিহীন খেতিয়কৰ মাজত সুপৰিকল্পিত ভাবে বিতৰণৰ ব্যৱস্থা কৰিব লাগে আৰু তাৰ বাবে এটা সময়োচিত বলিষ্ঠ নীতি ঘোষণা কৰা উচিত। এই নীতি এনেভাবে ঘোষণা কৰা উচিত যাৰ ফলত আমাৰ খেতিয়ক ৰাইজ ন্যস্ত স্বাৰ্থৰ কবলৰ পৰা মুক্ত হব পাৰে আৰু ভূমিপট্টনৰ ক্ষেত্ৰত থলুৱা প্ৰকৃত ভূমিহীন খেতিয়সকলে অগ্ৰাধিকাৰ পাব পাৰে।

উপাধ্যক্ষ মহোদয়, মই এই প্ৰসঙ্গত চাহ বাগিচাৰ মাটিৰ বিষয়েও দুষাৰমান কব খুজিছো। বৰ্তমান ব্যৱস্থা মতে চাহ বাগিচাসমূহত চাহ খেতি যিমান মাটিত আছে তাৰ দুগুণ মাটি কল-কাৰখানা, শ্ৰমিকৰ ঘৰবাৰী আদি আৰু চাহ খেতি ভৱিষ্যতে প্ৰসাৰণৰ উদ্দেশ্যে সংৰক্ষিত কৰি ৰখা হয়। সেই Formula টো পৰিৱৰ্ত্তনৰ সময় হৈছে ; কাৰণ সেইটো হৈছে এক ad-hoc formula, চাহ খেতিয়ক শ্ৰেণীৰ স্বাৰ্থৰ অনুকূলে কৰা formula । আজি ভূমিৰ ওপৰত পৰা ক্ৰমবৰ্দ্ধমান হেঁচা আৰু আনুসাঙ্গিক ভাবে সৃষ্টি হোৱা নানা অৱস্থাৰ পৰিপ্ৰেক্ষিতত এই বিষয়টো পুনৰ পৰ্য্যালোচনাৰ সময় উপস্থিত হৈছে বুলি ক'লে নিশ্চয় অত্যুক্তি কৰা নহব। আজিৰ দিনত চাহ বাগিচাত এই আনুপাতিক ভিত্তিত সেই পৰিমাণৰ মাটিৰ প্ৰয়োজন আছে নে নাই চৰকাৰে বিশদভাবে বিবেচনা কৰা উচিত। যদি সেইটো অনাৱশ্যকীয় তেন্তে সেই Formula প্ৰত্যাহাৰ কৰি চাহ বাগানৰ উদ্ধৃত মাটি চৰকাৰে অধি–গ্ৰহণ কৰা উচিত। আৰু এনেদৰে অধিগ্ৰহণ কৰা মাটি চাহ বাগিচাৰ প্ৰাক্তন শ্ৰমিক শ্ৰেণী যিসকল আজি কৃষিজীৱি হবলৈ বাধ্য হৈছে আৰু অন্যান্য ভূমিহীন খেতিয়কৰ মাজত যথোচিত বিতৰণৰ ব্যৱস্থা কৰা উচিত।

উপাধ্যক্ষ মহোদয়, আজি সদনৰ বহুতো মাননীয় সদস্যই ৰাজ্যৰ ভূমি সমস্যাৰ সমাধান কল্পে নিজ নিজ দৃষ্টিভঙ্গী আৰু অভিমত ব্যক্ত কৰি বহুতো মূল্যবান পৰামৰ্শ দাঙি ধৰিব বুলি মই নিশ্চিত। মই এইখিনিতে

পুনৰ দোহাৰিব খুজিছো যে, অসমৰ মাটি সমস্যা অসমীয়া ৰাইজৰ জীৱন-মৰণ সমস্যা; এইটো দলীয় সমস্যা নহয়। কংগ্ৰেছ, বিৰোধী দল, অন্যান্য দল-উপদল সকলোৱে গঠনমূলক দৃষ্টিভঙ্গীৰে এই সমস্যা সহযোগৰ ভিত্তিত সমাধান কৰিবলৈ আগবাঢ়িব লাগিব। ভূমি-সমস্যাৰ ক্ষেত্ৰত অসমৰ খেতিয়ক ৰাইজৰ মাজত যি জাগৰণ উঠিছে তাক মই সমাদৰ জনাওঁ। কিন্তু লগতেই কওঁ যে, এই জাগৰণক আমি শান্তিপূৰ্ণ বিপ্লৱৰ ভূমিকা দি ৰাজ্যৰ জ্বলন্ত সমস্যা এই ভূমি সমস্যা সমাধান কৰিবলৈ চেষ্টা চলাই দুখীয়া মাটিহীন খেতিয়ক ৰাইজৰ মনলৈ আশাৰ ৰেঙণি আৰু প্ৰাণলৈ উৎসাহ-উদ্দীপনা আনিব পাৰিব লাগিব। আমাৰ সকলোৰে অকুণ্ঠিত সহযোগিতা আৰু আন্তৰিকতা থাকিলে এই ক্ষেত্ৰত আমি বহুখিনি কৃতকাৰ্য্য হব পাৰিম বুলি বিশ্বাস ৰাখি আৰু ৰাজহ মন্ত্ৰীয়ে তেওঁৰ প্ৰস্তাৱেৰে সদনক এই সুযোগ দিয়াৰ বাবে পুনৰ ধন্যবাদ জ্ঞাপন কৰি মই বক্তৃতাৰ সামৰণি মাৰিছো।

Shri Sarat Chandra Goswami : মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ সন্মুখত যি উদ্বেগজনক সমস্যাই দেখা দিছে সেই ভূমি সমস্যাটো এদিনত বা এযুগত সৃষ্টি হোৱা সমস্যা নহয়। ই এটা শতিকাৰ ধাৰাবাহিক কাহিনী।

Shri Hiralal Patwary : উপাধ্যক্ষ মহোদয়, মই এটা কথা জানিব খোজো যে, এই বিষয়টো কিমান সময় চলিব? আৰু কোন কোন সদস্যই কথা কব তাৰ লিষ্ট দিব লাগিব নেকি?

Shri Sarat Chandra Goswami : অসমত আগতে মাটি সমস্যা নাছিল। ভৈয়ামৰ জিলাবিলাকৰ কেতবোৰত আছিল স্থায়ীবন্দোবস্তী, কেতবোৰত আছিল স্বীকৃত জমিদাৰী প্ৰথা; অস্থায়ী বন্দোবস্ত বুলি অভিহিত অন্যান্য জিলা সমূহত আছিল নাবেৰাজ, নিস্পেখিৰাজ আৰু বেৰাজ প্ৰথা। অসমৰ পাহাৰী জিলা কেইখনত নিজা ৰীতি নীতি অনুযায়ী ভূমি ব্যৱস্থা চলিছিল। বহুপৰিমাণৰ যি পতিত মাটি পৰি আছিল সেই কালৰ চৰকাৰে অতি সহজ মজুৰীৰ ভিত্তিত চাহ বাগিচাৰ মালিক সকলক চাহ খেতি কৰিবলৈ

দিছিল। কিন্তু সেই শতিকাতোৱে বাগৰ সলোৱাৰ লগে লগে অসমৰ ভূমি অৱস্থাই সমস্যাৰ ৰূপ ললে। বহিৰাগত মানুহৰ সোঁত ববলৈ ধৰিলে। আৰু সেই কাৰণে অসমত যিবিলাক জনজাতি হোজা সৰল মানুহ আছিল তেওঁলোকৰ স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণে উপনিবেশিক আঁচনিৰে লাইন প্ৰথা ব্যৱস্থা কৰিব লগা হ'ল। কিন্তু সেই লাইন প্ৰথাৰ দ্বাৰাও এওঁলোকক ৰক্ষা কৰিব পৰা নগল। মাটিৰ ওপৰত চাৰিওফালৰ পৰা হেঁচা পৰিবলৈ ধৰিলে। জনজাতীয় লোকসকল পশ্চাদগামী হবলৈ বাধ্য হ'ল। ইতিমধ্যে যি কংগ্ৰেছ "কোৱালিচন" চৰকাৰ গঠন হৈছিল সেই চৰকাৰেও ১৯৩৯ চনৰ নবেম্বৰ মাহত এটা প্ৰস্তাব লৈছিল যে যদি এনেদৰে মানুহৰ সোঁত বৈ থাকিবলৈ ধৰে তেনেহলে অসমত একেবাৰে মাটি নাইকীয়া হৈ যাব। গতিকে খিলঞ্জীয়া বা বহিৰাগত সকলো লোকৰে গৰাহৰ পৰা ব্যৱসায়ী চৰণীয়া ৰিজাৰ্ভ (PGR) আৰু গাৱঁলীয়া চৰণীয়া ৰিজাৰ্ভ ( VGR ) সমূহ ৰক্ষা কৰা হব; জনজাতীয় অনুসূচীত জাতি আৰু পিচপৰা শ্ৰেণীসমূহৰ লোকক ৰক্ষা কৰিবৰ নিমিত্তে "নিষিদ্ধ অঞ্চল" কিছুমান গঠন কৰা হব। ইতিহাসৰ ঘটনা প্ৰবাহৰ গতিবেগ দ্ৰুতভাবে সলনি হবলৈ ধৰিলে। ভাৰতৰ মুক্তি আন্দোলনৰ পটভূমিত কংগ্ৰেছ কোৱালিচন মন্ত্ৰী সভাই পদত্যাগ কৰিলে। ১৯৪০ চনত পুনৰ শাদুল্লা মন্ত্ৰী সভাই কোৱালিচন মন্ত্ৰী সভাৰ ভূমিনীতি অগ্ৰাহ্য কৰি নতুন নীতি গ্ৰহণ কৰিলে ডেভেলপমেণ্ট আঁচনিৰ প্ৰবৰ্ত্তন কৰি। এই আঁচনিও প্ৰচণ্ড বিৰোধৰ সন্মুখীন হয় আৰু মন্ত্ৰী সভাৰ পতন হয়। অসমত গৱৰ্ণৰৰ শাসন প্ৰৱৰ্ত্তিত হ'ল পূৰ্ব্বৰ ঔপনিবেশিক আঁচনি প্ৰৱৰ্ত্তন কৰিবলৈ লোৱা হ'ল। অসমৰ ভূমি সমস্যাই চৰকাৰৰ অভিসন্ধিত নতুন ৰূপ ললে। ঔপনিবেশিক আঁচনি মতে এই সকল বহিৰাগতক মাটি বন্দোবস্তী বিষয়ত অগ্ৰাধিকাৰ দিয়াৰ সিদ্ধান্ত হ'ল—

১। যিসকলৰ বন্দোবস্তী মাটি গৰাখহনীয়াৰ গ্ৰাসত পৰে।

২। যিসকলে নিষিদ্ধ অঞ্চলত একচনা মাটি কিনিছিল।

৩। যিসকলে অনুমতি নোহোৱাকৈ কোনো ৰিজাৰ্ভত কেইবাবছৰ ধৰি বসতি কৰে।

অৱস্থাৰ আৰু অৱনতি ঘটিল। ১৯৪৫ চনত আৰু এটা চৰকাৰী নীতি ঘোষণা কৰা হ'ল—

১। পৰিকল্পিত বন্দোবস্ত অর্থাৎ অনুন্নত, জনজাতীয় লোকৰ গাৱঁৰ যিবোৰত ২০০ বিঘাৰ অধিক পতিত মাটি থাকে তাৰ শতকৰা ত্রিশ ভাগ বাহিৰৰ লোকৰ লগত বন্দোবস্ত কৰিব পাৰিব।

২। ১৯৩৮ চনৰ ১ লা জানুৱাৰীৰ আগলৈকে অহা বহিৰাগত লোক সকলক মাটিহীন খিলঞ্জীয়া লোকৰ পর্য্যায় ভূক্ত কৰা হব।

৩। জনজাতীয় শ্রেণীৰ লোক সকলক তেওঁলোক বসতি কৰা অঞ্চলত জনজাতীয় খণ্ড ( Block ) আৰু জনজাতীয় অঞ্চল ( Belt ) গঠন কৰি ৰক্ষা কৰিব লগা হ'ল।

ইতিমধ্যে ৰাজ্যখনৰ পৰিস্থিতি আৰু পৰিবেশৰ ভালেখিনি সাল-সলনি ঘটিবলৈ ধৰিলে। ১৯৫০ চনৰ ভূমিকম্পৰ পিচত বহু মাটি সঙ্কোচন হোৱা কাৰণে সমস্যাটো আৰু ভয়াবহ হৈ পৰিলে। তদুপৰি বানপানী, গৰা-খহনীয়া ইত্যাদিয়েও ভূমি সমস্যাটো আৰু জটিল কৰি তুলিলে। দেশ বিভা-জনৰ পিচত বহু লাখ মানুহ বাহিৰৰ পৰা অসমলৈ আহিবলৈ ধৰিলে আৰু অসমত মানুহৰ সংখ্যা বাঢ়ি গ'ল। ইয়াৰ ওপৰি প্রগতিৰ প্রতিযোগিতাত আগনাবাঢ়িলেও পৰিয়াল বঢ়োৱাৰ প্রতিযোগিতাৰ ক্ষেত্রত অসমে পৃথিবীৰ হিচাপ অনুযায়ী ১। চেকেণ্ডত এটাকৈ সন্তান জন্ম দিয়াৰ প্রতিযোগিতাত শ্রেষ্ঠ আসন লাভ কৰিব পৰিছে। গতিকে যদি আমি লোক সংখ্যা বর্দ্ধিত হোৱাটো বন্ধ কৰিব পাৰো, বাহিৰৰ পৰা অহা মানুহৰ সংখ্যা কমাব পাৰো আৰু মাটি সন্তোষজনক ভাবে পট্টন দিব পাৰো তেনেহলে মাটিৰ সমস্যা ভালে-খিনি কমিব বুলি আশা কৰিব পাৰো। ইয়াৰ বাহিৰেও আকৌ জনসাধাৰণৰ মঙ্গলজনক কামৰ কাৰণে Railway, মথাউৰি, ৰাস্তা ইত্যাদিৰ কাৰণেও বহু মাটি অধিগ্রহণ কৰিব লগা হৈছে, তাৰ কাৰণেও ভূমি সংকোচিত হৈছে আৰু ভূমি সমস্যাই ভীষণ আকাৰ ধাৰণ কৰিছে। তাৰ কাৰণে চৰকাৰে ভূমি সংস্কাৰ আইন প্রণয়ন কৰিছে। কিন্তু দুর্ভাগ্যবশত এই আইনবিলাক কার্য্যকৰী

হোৱা নাই। তাৰ কাৰণে দোষী সমাজৰ চিন্তাধাৰা আৰু চৰকাৰৰ প্ৰশাসনীয় শিথিলতা। এই ক্ষেত্ৰত আন এটা সমস্যা হ'ল যে, মাটিৰ সমস্যাৰ সুবিধা লৈ এক দালাল শ্ৰেণীৰ সৃষ্টি হৈছে আৰু এইবিলাকে মানুহক বিভ্ৰান্ত কৰি দুপইচা লবৰ বাবে চেষ্টা চলাইছে। চৰকাৰৰ প্ৰশাসনৰ দুৰ্বলতা আৰু দালালৰ স্বাৰ্থান্বেষী কাৰ্য্যকলাপে মাটিৰ সমস্যাটো আৰু বেয়াৰ ফাললৈ লৈ গৈছে। আমাৰ সামাজিক ৰীতিৰ বাবেও মাটিৰ ওপৰত হেঁচা অস্বাভাবিক ৰূপে প্ৰবল হৈ উঠিছে। সমাজত যিসকলে চাকৰি কৰে বা ব্যৱসায় কৰে তেওঁলোকেও মাটি সম্পত্তিকে ভৱিষ্যত নিৰাপত্তাৰ মাধ্যম বুলি গণ্য কৰি তেওঁলোকৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যতে অৱস্থান হিচাপে যিমান পাৰে মাটি ৰাখিবলৈ চেষ্টা কৰে, যাৰ নাই তেওঁলোকে কেনেকৈ দুদৰা মাটি লব পাৰে তাৰেই চেষ্টা কৰি আৰু যাৰ আছে সেই সকলেও পৰিমাণ বঢ়োৱাৰ চেষ্টাত থাকে। বৰ্ত্তমান চৰকাৰে যিবিলাক নীতিৰ দ্বাৰা সংস্কাৰমূলক পদক্ষেপ লৈছে তাৰ দ্বাৰা ভূমিনীতিত ভালেমান সংস্কাৰ সাধনৰ থল আছে। এই পৰিবৰ্ত্তিত পৰিস্থিতি আৰু পৰিবেশৰ পৰিপ্ৰেক্ষিতত ১৯৬৮ চনত ঘোষিত চৰকাৰৰ নতুন ভূমিনীতিক মই বৈপ্লৱীক নীতি বুলি আখ্যা দিছো কিন্তু কথা হৈছে— আমাৰ দেশ কোনো কালেই নীতিৰ দুখীয়া নহয় দুখীয়া সেই নীতি সমূহ কাৰ্য্যকৰী কাৰণতহে। আজি আমি এই ভূমিনীতি কাৰ্য্যত পৰিণত কৰিবৰ কাৰণে সকলো ৰাজনীতি বা অন্য যিকোনো বিভেদজনক নীতিকেই পৰিহাৰ কৰি এটা জাতীয় নীতি হিচাপে গ্ৰহণ কৰিব লাগিব আৰু ইয়াৰ কাৰণে সকলোৰে দ্বিধাহীন আন্তৰিক সহযোগিতাৰ প্ৰয়োজন হব। তাৰ এই বৈপ্লৱিক নীতি কাৰ্য্যকৰী কৰিবৰ কাৰণে প্ৰশাসনীয় যন্ত্ৰ সক্ৰিয়, সক্ষম আৰু দোষমুক্ত কৰি লৈ warfooling কাম কৰি যাবলৈ চেষ্টা কৰিব লাগিব। এই প্ৰসঙ্গত যে মোৰ পৰামৰ্শ এই লৈ আমি ভূমিনীতি সম্পৰ্কত যি কাৰ্য্যপন্থা গ্ৰহণ কৰিম সি "Once for all" নীতিত হব লাগিব। যিবিলাক মাটি পৰ্য্যপ্ত পৰিমাণে উলিয়াব পৰা যায় সেই বিলাক উলিয়াব লাগিব। V. G R. আৰু P.G.R বিলাক বৰ্ত্তমান পৰিস্থিতিৰ লগত সংগতি ৰাখি পৰীক্ষা কৰিব লাগে আৰু সেইবিলাক যি পৰিমাণে প্ৰয়োজন সেই পৰিমাণে আমি বাকী বিলাক শীঘ্ৰে

মুকলি কৰিব লাগে। বনাঞ্চল সম্পৰ্কতো নতুনকৈ অধিক সতৰ্কতাৰে পৰীক্ষা চলাব লাগিব । যিবিলাক বনাঞ্চল খেতিৰ কাৰণে উপযোগী সেইবিলাক মুকলি কৰি দিব লাগে আৰু যিবিলাক অঞ্চল খেতিৰ উপযোগী নহল অথচ গছ-গছনী নাই সেই বিলাকত নতুনকৈ পৰিপূৰক বনাঞ্চল কৰিব লাগে। মই আগতেও কৈছিলো ভূমিনীতি সম্পৰ্কত আগৰ চৰকাৰৰ দিনত চাহ খেতি আদি বিশেষ শ্ৰেণীৰ খেতি কৰিবৰ কাৰণে যি উদাৰ সহজ আৰু মুকলিমুৰীয়া নীতিৰে মাটিৰ লীজ দিছিল সেই নীতিৰ এতিয়া আমূল পৰিৱৰ্ত্তন কৰিব লাগে। সেইটো পৰীক্ষা কৰি 1:2 formula 8 Review কৰিব লাগে আৰু যি পৰিমাণৰ মাটি চাহ খেতিৰ কাৰণে নহলে নহয় সেইখিনিকে দি বাকীখিনি মাটি ভূমিহীন খেতিয়ক সকলৰ কাৰণে মুকলি কৰি দিব লাগে। যিবিলাক পতিত ভূমি খেতিৰ কাৰণে অনুপযোগী হৈ পৰি আছে সেইবিলাক সংস্কাৰ কৰি খেতিৰ উপযোগী কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু এইদৰে যিবিলাক মাটি ওলাব সেইবিলাক প্ৰকৃত ভূমিহীন লোকক দিব লাগে । এই ভূমিহীনৰ সংখ্যাৰ ক্ষেত্ৰত আজি-কালি inflation হৈছে । কাৰণ আজি এনেকুৱা অৱস্থা হৈছে যে, মানুহে ভূমিহীন বুলি মাটি লৈ সেই মাটি বিক্ৰী কৰি আকৌ পুনৰ ভূমিহীন বুলি কয়। যদি এই inflation আৰু দালালি সকলৰ কাম প্ৰতিৰোধ কৰি, পৰিকল্পিত আৰু সংঘবদ্ধ বেদখল উচ্ছেদ আৰু ৰোধ কৰি যি পৰিমাণৰ মাটি পোৱা যায় সেই পৰিমাণৰ মাটি যদি সুস্থ পৰিবেশত নিৰপেক্ষ বিচাৰ আৰু জাতীয় সমস্যা হিচাবে বিবেচনা কৰি যদি প্ৰকৃত ভূমিহীন বিতৰণ কৰিব পৰা যায় তেতিয়া হলে আমি সমস্যা সমাধানৰ পথত নিশ্চয় আগবাঢ়িব পৰা যাব । এই চৰকাৰে যি ভূমিনীতি গ্ৰহণ কৰিছে সেইটো সময়পযোগী হৈছে। আৰু সেই নীতি মই সমৰ্থন কৰো আৰু প্ৰস্তাৱটো সকলোৱে সৰ্ব্বান্ত কৰণেৰে কাৰ্য্যকৰী কৰিবলৈ আহ্বান জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Shri Soneswar Bora:—অধ্যক্ষ মহোদয়, আমাৰ কংগ্ৰেছী চৰকাৰে ভূমি সমস্যা সমাধান কৰাত বিফল হোৱাত আৰু খুব সোনকালে কংগ্ৰেছী

শাসন অসমত ওৰ পৰিবৰ আগমুহূৰ্ত্তত আমাৰ আগত এইটো এটা অতি ডাঙৰ প্ৰশ্ন হিচাবে দেখা দিছে। মই জানো কংগ্ৰেছ চৰকাৰে সমস্যা সমাধান কৰিব নোৱাৰে। প্ৰশ্ন হৈছে আমি চৰকাৰ পালে এই মাটি সমস্যাক কেনেদৰে সমাধান কৰিম ? আমাৰ ছচিয়েলিষ্ট পাৰ্টিয়ে ১৯৪৮ চনৰে পৰা এই কথা চৰকাৰে কৈ আহিছে আৰু দাবী কৰি অহিছে যে দেশৰ ভূমিসমস্যা সমাধান নহলে দেশৰ স্বাধীনতা অসাৰ। যিহেতুকে দেশখনৰ শতকৰা ৮০ ভাগতকৈয়ো বেছিলোক খেতিয়ক আৰু কৃষি কাৰ্য্যই তেওঁলোকৰ একমাত্ৰ সম্বল। গতিকে তেওঁলোকৰ সমস্যা বিলাক সমাধান কৰাত সৰ্ব্বপ্ৰথমে হাতত লোৱাটো যিকোনো চৰকাৰৰে কৰ্ত্তব্য। ছচিয়েলিষ্ট দলে যদি কেতিয়াবা চৰকাৰ পায় তেন্তে তাকেই সৰ্ব্বপ্ৰথমে কৰিব। অসমত মাটি সমস্যা সমাধান কৰিব পাৰি এক বৈপ্লবিক পৰিবৰ্ত্তনেৰেহে, মাটি বা ভূমি সমস্যাক মানুহে জীয়াই থকাৰ বা অন্ন সংস্থানৰ সমস্যা বুলি ধৰি লৈ এক আমূল পৰিবৰ্ত্তনৰ ভিত্তিতহে ইয়াৰ সমাধানৰ সূত্ৰ উলিয়াব লাগিব, নহলে এই সমস্যা সমস্যাহৈয়ে থাকি যাব। ভূমিক এক বৈপ্লবিক ৰূপলৈ আনিবই লাগিব। যিদিনা ৰাজহ মন্ত্ৰীয়ে ভূমি ৰাজহ শিতানৰ কৰ্ত্তন প্ৰস্তাৱত আমাৰ সমালোচনাৰ উত্তৰ দিওঁতে বহুখিনি পৰিবৰ্ত্তনৰ কথা কৈছিল যদিও ই বৃটিছ যুগৰ ভূমি নীতিৰে মাত্ৰ ক্ষুদ্ৰ সংস্কৰণহে। মাত্ৰ "টকাটোৰ ইলুটি-সিলুটি"। এই নীতিৰে ভূমিৰ সমস্যা সমাধান কৰিব নোৱাৰে, পৰিবৰ্ত্তনো আনিব নোৱাৰে। গতিকে কংগ্ৰেছ চৰকাৰৰ বৰ্ত্তমান আঁকোৰ গোজ মনোবৃত্তি পৰিবৰ্ত্তন কৰিবলৈ আৰু পুঁজিপতিক শোষণ কৰাৰ ভাৱ পৰিত্যাগ কৰি এক আমূল পৰিবৰ্ত্তনৰ বৈপ্লবিক নীতিত ভূমি সমস্যা সমাধান কৰিবলৈ মই আহ্বান জনাইছো আৰু তাকে কৰিবলৈ হ'লে কেইটামান মূল মূল কথা আৰু সূত্ৰ মই দাঙি ধৰিছো। মই এই-টোও কৈ থওঁ যে আমি চৰকাৰ পালে এইদৰেই ভূমি সমস্যাটোক সমাধান কৰিম।

(১) ৰাজ্যখনৰ সমুদায় মাটিৰ আৰু মানুহৰ এটা নিৰ্ভুল পিয়ল হব লাগে। মাটিৰ চাহিদা অন্ন সংস্থাপনৰ প্ৰণালী আৰু কৰ্মসংস্থাপনৰ দিহা-

এই কেইটা কথাৰ প্ৰতিও লক্ষ্য কৰিব লাগিব, যাতে পিয়লটো মাত্ৰ লোক দৰ্শক নহয়।

(২) খেতিৰ মাটিৰ প্ৰকৃত খেতিয়কহে গৰাকী হব লাগিব।

(৩) অনা খেতিয়কৰ হাতত থকা সমূদায় খেতিৰ মাটি বাজেয়াপ্ত কৰিব লাগিব।

(৪) চাহ বাগান বিলাকক বৰ্ত্তমানৰ নীতিত ১:২ ফৰমোলা মতে মাটিৰ গৰাকী আৰু ভূমি দাবী কৰাৰ পদ্ধতি তৎক্ষণাৎ ৰহিত কৰি এই আত্মীয় তোষণ আৰু স্বজন প্ৰীতিভাব পৰিহাৰ কৰি ১:১ ফৰমোলা প্ৰৱৰ্ত্তন কৰিব লাগে।

(ক) ১ঃ১ ফৰমোলা প্ৰৱৰ্ত্তন কৰোতে যি খেতিৰ উপযোগী মাটি ওলাব সেইখিনি খেতিয়কৰ কাৰণে জমা কৰিব লাগিব।

(খ) খেতিৰ অনুপযোগী মাটিখিনি অন্য শিল্প বাণিজ্য বা কাঠ খেতিৰ কাৰণে জমা কৰি ৰাখিব।

(৫) বন বিভাগৰ ৰিজাৰ্ভ কৰি ৰখা মাটিখিনিৰ ভিতৰত খেতিৰহে উপযোগী মাটিখিনি আৰু ইতিমধ্যে যিখিনি মাটি বিভিন্ন ঠাইত খেতিয়ক সকলে দখল কৰি খেতিৰ উপযোগী কৰিলে সেই মাট্ৰিবিলাক খেতিয়কৰ কাৰণে খুলি দিবৰ অৰ্থে বা অন্ততঃ ৰিজাৰ্ভৰ শতকৰা পঞ্চাশ ভাগ খুলি দিয়াৰ ব্যৱস্থা লব লাগে।

(ক) উদাহৰণ স্বৰূপে গোলাঘাট মহকুমাৰ দৈয়াং ৰিজাৰ্ভৰ তৰাচিন, গমাৰি, চাউদাং পথাৰ আৰু নামবৰ ৰিজাৰ্ভৰ টেঙালী পথাৰৰ মাটি আৰু এতিয়া পুনৰ ৰিজাৰ্ভ কৰাৰ নামত ব্যৰ্থ চেষ্টা কৰাৰ পৰিৱৰ্ত্তে এই মাটি খেতিয়কলৈ হস্তান্তৰ কৰিব লাগে।

(৬) P. G. R. আৰু V. G R. ৰ নামত থকা গ্ৰেজিংবোৰ জৰীপ কৰি আটাইবিলাক নহলেও অন্ততঃ শতকৰা পঞ্চাশ ভাগ গ্ৰেজিং খুলি দি খেতিয়কৰ কাৰণে বিতৰনাৰ্থে আনিব লাগে।

(৭) অলাগতিয়াল কাৰণত পৰি থকা চৰকাৰী মাটি আৰু এনেয়ে পানী বন্ধ হৈ থকা মাটি বা অলপ পানী যোগান দিলেই মাটি ডোখৰ খেতিৰ

উপযোগী হৈ পৰে এনেকুৱা মাটি বিলাকো জলসিঞ্চনৰ ব্যৱস্থাৰে খেতিৰ উপযোগী কৰি খেতিয়কৰ হাতলৈ আনিব লাগে।

বিতৰণৰ ব্যৱস্থা ঃ

(১) ভূমি নীতিৰ আমোল পৰিবৰ্ত্তন সাধি বিতৰণ ব্যৱস্থাত এক বৈপ্লবিক পন্থাৰে ইয়াক সমাধান কৰিব লাগিব। এইখিনি কৰিবলৈ যাওঁতে অৱশ্যে বহু বিপদৰ যে সমুখীন হব লাগিব এইটো নিশ্চিত। তথাপিও ইয়াক সমাধানৰ সূত্ৰ হিচাবে দিব লাগিব। ই অৱশ্যে এক সামাজিক বিপ্লবৰো সমাধান কৰিব।

(ক) "শ্ৰম যাৰ ফচল তাৰ" ভিত্তিত প্ৰকৃত খেতিয়কহে খেতিৰ মাটিৰ মালিক কৰি মাটি দিব লাগিব।

(খ) ৰাজ্যৰ স্বীকৃত প্ৰতিটো পৰিয়ালকে আৱশকীয় পৰিমানৰ মাটি অন্ততঃ ঘৰৰ ভেটিটো লব পৰাকৈ দিব লাগিব।

(গ) ৰাজ্যত আধিয়াৰ বা চিলিং আইন প্ৰথা আৰু একচনা বা ম্যাদী প্ৰথা এই সমূদায় আইন আৰু প্ৰথাৰ বিলুপ সাধন কৰিব লাগিব। তেহে প্ৰকৃত ভূমি বিপ্লৱ সমাধান হব।

(ঘ) খেতিয়ক হিচাপে বা খেতি কৰিবলৈ মাটি লোৱা পৰিয়ালে যদি কেতিয়াবা খেতি এৰি দিয়ে বা খেতি নকৰে তেন্তে সেই খেতিৰ মাটি প্ৰকৃত খেতিয়কলৈ হস্তান্তৰ কৰিব লাগে। অৱশ্যে খেতিৰ মাটিত খেতি নকৰি বা সংস্থাপনৰ অন্য ব্যৱস্থা লোৱা পৰিয়াল বোৰে বিপদত যাতে নপৰে বা প্ৰকৃত সংস্থাপনৰ ব্যৱস্থা যাতে হয় সেই দায়িত্বও ৰাষ্ট্ৰৰ থাকিব লাগিব।

(ঙ) খেতিৰ মাটি বেচা-কিনাৰ ব্যৱস্থা একেবাৰেই বন্ধ কৰিব লাগিব। চাকৰি এটা যেনেকৈ কিনি লব নালাগে; আৱশ্যক অনুযায়ী পদ খালি হলেই যোগ্যতা থাকিলেই পদটো আৰু অৱসৰৰ পাচতো আন এজনৰ দ্বাৰা পদটো পূৰণ কৰা হয় ঠিক তেনেকৈয়ে খেতিৰ মাটিকো জিবিকা নিৰ্ব্বাহৰ উপায় বা আহিলা হিচাপে ধৰি লৈ অন্ন সংস্থাপনৰ আহিঁৰে খেতিয়কে মাটি পোৱাৰ দিহা আৰু মাটি হস্তান্তৰ পদ্ধতি আইনতঃ কৰিব লাগিব।

(চ) 'ইজৰাইল' চৰকাৰে সীমান্ত সুৰক্ষিত কৰিবলৈ লোৱা পদ্ধতি-ৰেই নগা পাহাৰৰ সীমান্ত অঞ্চলটো সীমান্ত সমস্যা হিচাপে ধৰি লৈ সেই বনাঞ্চলটো খুলি দি সেই মাটি খেতিয়কক খেতি কৰিবলৈ দিয়াৰ উপৰিও সেই খেতিয়কে প্ৰকৃত সীমান্ত ৰক্ষাৰ শিক্ষাৰে শিক্ষিত কৰি সীমান্ত সুৰক্ষাৰ ব্যৱস্থা লব লাগে।

(ছ) মাটিহীন গৰাখহনীয়া প্ৰকৃত বান পিড়ীত আৱশ্যকীয় পাততকৈ কম মাটি থকা আদি ৰাইজে কৰা বেবখলক বা বেদখলীক দেশদ্ৰোহী বুলি বা আইন ভঙ্গকাৰী বুলি নধৰি সেই সকলৰ সম্পূৰ্ণ উচ্ছেদ বন্ধ কৰি সেই সকলক মাটি দিয়াৰহে ব্যৱস্থা কৰিব লাগে।

(জ) এনে লোকৰ ওপৰত তৰা সকলো উচ্ছেদ সম্পৰ্কীয় গোচৰ প্ৰত্যাহাৰ কৰিব লাগে

(ঝ) বিজ্ঞান সন্মত একোটা খেতিয়ক পৰিয়ালে অতি কমেও ১০ বিঘা খেতিৰ মাটি পাব লাগে।

(ঞ) পৰিয়ালৰ আকাৰ ভেদে যদি একান্ন ভোগী ডাঙৰ পৰিয়াল থাকে, তেতিয়া অৱশ্যে সেই দৰেই আৱশ্যকীয় পৰিমাণৰ মাটি দিব লাগিব।

**কৰ বা খাজনা ঃ**

(১) মাটিৰ ওপৰত বিশেষকৈ খেতিৰ মাটিৰ ওপৰত বৰ্ত্তমানৰ খাজনা প্ৰথা ৰহিত কৰি উপাৰ্জনৰ ৰাহিৰ ওপৰতহে আয় কৰৰ ব্যৱস্থা কৰিব লাগে। যেনেকৈ অন্যান্য উপাৰ্জনকাৰী সকলৰ ওপৰত উপাৰ্জন ৰাহিৰ ওপৰত বা ৩,৬০০.০০ টকাৰ বেছি উপাৰ্জনকাৰীৰ ওপৰতহে আয়কৰ লগোৱা হয়।

(২) এই আয়কৰ লগাবলৈ যাওতে কৃষিৰ প্ৰণালী আৰু কৃষিত খেতিয়কৰ খৰচ, ব্যৱহাৰ্য্য সামগ্ৰীৰ মূল্যৰ অসমতা, খেতিয়কৰ জীৱন ধাৰণৰ প্ৰণালী আদিৰ প্ৰতি লক্ষ্য ৰাখি বিজ্ঞান সন্মত এটা খেতিয়ক পৰিয়ালত অন্ততঃ ১০ বিঘা পৰ্য্যন্ত মাটিৰ খাজনা ৰেহাই দিব লাগে।

(৩) ঘৰ সজা বা ব্যৱসায়িক মাটিৰ খাজনা বা কৰ প্ৰথা অৱশ্যে খেতিৰ মাটিৰ লগত তুলনা কৰিব নোৱাৰি।

(৪) খেতিৰ মাটিৰ বন্দোবস্তী ব্যৱস্থা ২০/২৫ ঘৰৰ বা পৰিয়ালৰ গোটত কৰিব পাৰিব বুলি মই বিশ্বাস কৰো।

এই দৰেই এটা বৈপ্লৱীক পৰ্য্যাৰে মাটিৰ সমস্যা সমাধান কৰিবলৈ আহ্বান জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri M. A. Musawwri Choudhury— মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ জনসংখ্যাৰ শতকৰা ৮৩% ভাগ লোকেই খেতিয়ক। এই খেতিয়ক সকলৰ ভিতৰত আছে মাটিহীন কৃষক, খেত মজতুৰ বা Agriculture labour ৰেই বেছি। যিবিলাক শিল্প বাণিজ্য হৈছে সেইবিলাক অসমীয়া মানুহৰ দ্বাৰা হোৱা নাই। আজিৰ পৰা ২০ বছৰ আগতে যিবিলাক মাটি দুখীয়া কৃষকৰ হাতত আছিল আজি সেই মাটি তেওঁলোকৰ হাতত নাই। এই মাটি আজি এক শ্ৰেণী দালালৰ হাতত পৰিছে। গতিকে মাটিহীন সমস্যা সমাধান কৰিবৰ কাৰণে অসমত যি আইন কৰা হৈছে যেনে Ceeling আইন, আধিয়াৰ আইন আদি বহুত আইন প্ৰণয়ন কৰা হৈছে কিন্তু আজিলৈকে মাটিহীন খেতিয়কৰ সমস্যা সমাধান নহ'ল। গতিকে মই মোৰ ব্যক্তিগত মত হিচাবে কব খুজিছো যে যিবিলাক পতিত মাটি আছে বা অসম চৰকাৰৰ সংৰক্ষিত বনাঞ্চল আছে যত Plantation নহয় সেইবিলাক মাটিত যোৱা ২ বছৰে আমাৰ মাটিহীন কৃষকে যিসকল তাত খেতি কৰিবলৈ আৰম্ভ কৰিছে আৰু খেতি কৰাৰ ফলত বহুতো ৰাহি হৈছে আৰু শস্য উৎপন্ন হৈছে সেই বিলাকৰ পত্তনৰ এটি সুপথ আজিলৈকে আমাৰ চৰকাৰে গ্ৰহণ কৰিব পৰা নাই। গতিকে মই কব খুজিছো যে এই সমষ্ট পতিত খেতিৰ উপযোগী মাটি মাটিহীন মানুহ, বন্যা প্ৰপীড়িত আৰু গড়াখহনীয়াত মাটিহীন হোৱা লোক বা খেত মজতুৰ সকলৰ মাজত বিতৰণ কৰি দিব লাগে। আমাৰ মাননীয় বন্ধু শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই ডাঙি ধৰা প্ৰস্তাৱ মৰ্মে সংৰক্ষিত বনাঞ্চলৰ ৫০% ভাগ মাটি খুলি দিব লাগে। আৰু যিবিলাক V. G. R , P G. R. গৰু ম'হৰ কাৰণে ৰাখিছে সেই বিলাকো মাটিহীন খেতিয়কৰ মাজত বা Agriculture labour ৰ মাজত ভগাই দিব লাগে।

উপাধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই এটা কথা দৃষ্টান্তৰূপে কব খুজিছো যে নখুটি অঞ্চলত যিবিলাক অৰণ্য আছিল তাত প্ৰায় ৯ হাজাৰ ভূমিহীন কৃষকে যেৱো ১৫/১৬ বছৰ ধৰি অৰণ্য ভাঙি মাটিখিনি খেতিৰ উপ-যোগী কৰিছে আৰু উৎপন্নও বৃদ্ধি কৰিছে ঠিক সেই সময়ত চৰকাৰে এটা Policy লৈছে যে তাত এখন আদৰ্শ গাওঁ স্থাপন কৰিব আৰু স্থায়ী হিচাপে বসবাস কৰা কৰি থকা মাটিহীন কৃষকক উচ্ছেদ কৰিব। গতিকে যিসকলে কষ্ট কৰি মাটি আবাদ কৰি ঘৰ-দুৱাৰ সাজি স্থায়ী হিচাপে আছে সেইসকল লোকৰ যাতে উচ্ছেদ নকৰে ব্যৱস্থা অচিৰেই লব লাগে আৰু নখুটিত উচ্ছেদ বন্ধ কৰিব লাগে। এইদৰে কৰিলে নখুটিৰ মাটিহীন লোকৰ সমস্যা সমাধান হব। তাত নেপালী, বঙ্গালী, অসমীয়া বহুত ধৰণৰ জনজাতি, অনুসূচিত আৰু বান পীড়িত আৰু গড়াখহনীয়া লোক আছে। গতিকে এওঁলোকৰ মাজত যাতে Clash নহয় তাৰ ব্যৱস্থা কৰিব লাগে।

তাৰ পিচত মহকুমাই মহকুমাই যিবিলাক ভূমি উপদেষ্টা কমিটি আছে তেওঁলোকক মাটি বিতৰণ কৰিবলৈ নিদি চৰকাৰে প্ৰকৃত মাটিহীন কৃষকৰ মাজত মাটি বিতৰণ কৰিব লাগে। যোৱা ২০ বছৰে হাজাৰ হাজাৰ খেতিয়কে খাজনা দি অহা মাটিত এতিয়া চৰকাৰে জৰীপ কৰিছে আৰুএকচনা মাটি বিলাক ম্যাদী কৰিবলৈ টকা-পইচাও লৈছে; কিন্তু ম্যাদী কৰা নাই। সেই মাটি অচিৰে ম্যাদী কৰিব লাগে। আৰু মাটিৰ গৰাকীক পট্টা দিব লাগে। এডোখৰ কৰিং তলি মাটিক বেলেগ বেলেগ দাগ কৰি শালি তলি আৰু আলু তলি কৰিছে কিন্তু তাত আহু বা শালি একোৱেই নহয়। শ্ৰেণী বিভাগ কৰি কেৱল মাটিৰ যি খাজনা বৃদ্ধি কৰিছে সেইটো বন্ধ কৰিব লাগে আৰু সেই একচনা মাটিৰ পট্টা দিব লাগে। ইয়াকে কৈ সামৰণি মাৰিলো।

*Shri Phani Bora—উপাধ্যক্ষ মহোদয়, এই আলোচনাৰ যিটো পদ্ধতি হৈছে মই সেই পদ্ধতিটোৰ প্ৰতিবাদ কৰিছো। এই আলোচনাৰ ইয়াত সূত্ৰ-পাত হোৱাৰ কাৰণে মই গৰ্বনমেণ্টক ধন্যবাদ জনাইছো। যেতিয়া ৩১ তাৰিখৰ দিনা যি অভুতপূৰ্ব্ব কৃষক সমাবেশ ইয়াত হৈছিল আৰু যি ঐতিসাহিক বিক্ষোভ প্ৰদৰ্শন হৈছিল, কৃষক সকলৰ তৰফৰ পৰা, তাৰ পৰিনতি হিচাবেই আজি এই

আলোচনা ইয়াত হবলৈ পালে। সিদিনা আমাৰ মুখ্যমন্ত্ৰী শ্ৰীযুত বিমলা প্ৰসাদ চলিহা ডাঙৰীয়া আৰু ৰাজহ মন্ত্ৰী শ্ৰীযুত মহেন্দ্ৰমোহন চৌধুৰী ডাঙৰীয়াই অসম কৃষক সভা আৰু কৃষক শ্ৰমিক সংঘ এই দুটা সংগঠনৰ তৰফৰ পৰা দুখন স্মাৰক পত্ৰ গ্ৰহণ কৰিছিল। আৰু সেই স্মাৰক পত্ৰত অসমৰ কৃষক শ্ৰমিক আৰু কৃষক ৰাইজৰ কি দাৱী সেইটো কথা স্পষ্টভাবে লিখিত আছিল আৰু সেই কথাবিলাক গৰ্বনমেণ্টৰ ওচৰত দাখিল কৰা হৈছে। এই সদনৰে এজন মাননীয় সদস্যই কৈছে যে আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰীয়াই যিটো প্ৰস্তাৱ দাঙি ধৰিছে। সেই প্ৰস্তাৱটো আমি থেলি আগবঢ়াই লৈ যাব লাগে। কিন্তু ৰাজহ মন্ত্ৰী ডাঙৰীয়াই কোনো প্ৰস্তাৱ সদনত দাঙি ধৰা নাই মাত্ৰ অলোচনা হব লাগে বুলিহে এই মোচনটো আৰম্ভ কৰিছিল। কৃষক ৰাইজ আৰু কৃষক মজদুৰে যিবিলাক দাবী উথাপন কৰিছিল সেই দাবী বিলাকৰ ভিত্তিত মাটি বন্দোবস্তিৰ যি প্ৰস্তাৱ সেই প্ৰস্তাৱৰ তুলনি কৰি তাৰ ভিতৰত বৰ্ত্তমানৰ পৰিস্থিতিত কি ধৰণৰ প্ৰস্তাৱ লৈ এই সমস্যা সমাধান কৰিব পাৰে তাৰ এটা সুচিন্তিত ব্যৱস্থা কৰিব লাগিছিল। কিন্তু তাৰ একো স্পষ্ট ইঙ্গিত দাঙি ধৰা নাই। সেই কাৰণে এই মোচনটো মই সমৰ্থনো কৰা নাই আৰু বিৰোধীতাও কৰা নাই। কাৰণ এইটো এটা মোচন আলোচনাৰ কাৰণে কোৱা কথা।

ইয়াৰ পিচত মই বহলকৈ বিশেষ কথা কবলৈ নাযাও। মাত্ৰ আমাৰ তৰফৰ পৰা যিখিনি প্ৰশ্ন মিমাংসা কৰা প্ৰয়োজন সেই প্ৰশ্নৰ এটাৰ পিচত এটা মই দাঙি ধৰিম। আৰু দ্বিতীয়তে, মোৰ বক্তব্য ইয়াত যদি কাৰ্য্যকৰী কৰিব লাগে তেনেহলে কি কৰিব লাগে সেই সম্পৰ্কে কম। অৱশ্যে কৃষক ৰাইজৰ সমস্যা সমাধানৰ কাৰণে ৰাজনৈতিক বা দলীয় কথা নাই মই সেইটো কোৱা নাই। দলীয় স্বাৰ্থ সম্বন্ধে যে কোৱা নাই সেইটো নহয়। কিন্তু তথাপিও যিবিলাক প্ৰশ্নই দেখা দিছে, সেই প্ৰশ্ন সমাধান কৰিবৰ কাৰণে যিমান দূৰ পৰা যায়, সন্মিলিত ভাবে পক্ষপাতিত্ব হৈ অগ্ৰসৰ হোৱা উচিত আৰু ওপৰতে নিৰ্ভৰ কৰিব কোনটো মূল্যবান আৰু আনটো মূল্যহীন।

(১) চিলিঙৰ সৰ্বোচ পৰিমাণ ৬০ বিঘা কৰা হওক। মাটী মালিকে ১৯৫৫ চনৰ পিচত কৰা জমী হস্তান্তৰ বিষয়ে তদন্ত কৰা হক। চিলিং ফাকি দিয়া বেনামী হস্তান্তৰকাৰী মাটী মালিকক শাস্তি বিহাৰ ব্যৱস্থা কৰা হ'ক। চিলিঙৰ উদ্ধৃত জমী ১৯৬৯ চনৰ ভিতৰতে দখলী ভূমিহীন কৃষকক পট্টন কৰা হ'ক।

(২) ১৯৪৮ চনৰ আধিয়াৰ আইন আৰু বিধি সংশোধন কৰি ভূমি-হীন আধিয়াৰ উচ্ছেদ বন্ধ কৰা হওক। আৰু বৰ্ড সমূহত আধিয়াৰৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধি গ্ৰহণ কৰা হওক আইনজ্ঞ লোক নিয়োগৰ অধিকাৰ আধিয়াৰক দিয়া হওক।

(৩) ১৯৩৫ চনৰ প্ৰজাস্বত্ব আইনৰ ১৩ নং ধাৰাৰ ৬ উপধাৰা ৰ'দ কৰা হওক। আধিয়াৰকো চিৰ দখলী স্বত্ব ( Right of Occupancy ) এই অধিকাৰ দিয়া হওক।

Shri Mahendra Mohan Choadury — এই যে অধিকাৰ আইন প্ৰজাস্বত্ব আইনৰ লগত একেবাৰে বেলেগ।

Shri Phani Bora – তেতিয়া হলে প্ৰজাস্বত্ব এই অইনখন উঠাই দিলে কাৰো ক্ষতি নহব। মাত্ৰ এইটো প্ৰয়োগ কৰিলে বহুতো সুবিধা পোৱা মানুহ তাৰ পৰা বঞ্চিত কৰাহে হব।

Shri Mahendra Mohan Choadhury —বহুতে ৪ বছৰ ধৰি এই আধি খায় থকা মানুহক স্বত্ব দি স্বত্ববান কৰা হয়। কিন্তু এই প্ৰজাস্বত্ব আইনত ১২বছৰৰ পাছতহে এটুকুৰা মাটিৰ স্বত্ব পায়। আৰু ইয়াক এতিয়া উন্নত কৰা হৈছে।

Shri Phani Bora—(৪) ধৰ্ম্মীয় সম্পত্তি আইন কাৰ্য্যকৰী কৰি ১৯৬৯ চনৰ ভিতৰতে ভূমিহীন দখলী কৃষকক পট্টা দিয়া হ'ক।

(৫) একচনা পট্টা ব্যৱস্থা ৰদকৰা হ'ক। সকলো একচনীয়া পট্টা ম্যাদী পট্টা বুলি গণ্য কৰা হক। বিধান সভাৰ এই অধিবেশনতে তেনে ব্যৱস্থা লোৱা হ'ক।

(৬) চাহবাগানৰ কৃষি-উপযোগী জমি ভুমিহীন কৃষকক পট্টন কৰা হ'ক চাহখেতিৰ বিস্তৃতিৰ বাবে ১.১ অনুপাতে মাটি ৰাখি, বাকী সকলো

মাটি বন ক্ষতিপূৰনে চৰকাৰে অধিগ্ৰহণ কৰক। যি সকল অমাৰ চাহ-বাগানৰ খেতিয়ক মজতুৰ আছে, যিসকল মাটিহীন খেতিয়ক আছে তেওঁলোকৰ মাজত মাটি কৰ্ত্তন কৰা হওঁক।

(৭) Forest ৰ কৃষি উপযোগী মাটি ভূমিহীনক দিয়া হ'ক। যিবিলাক মাটিত Forest পুণৰ কৰিব পাৰে, যিবিলাকত হয়তো অন্যান্য খেতি কৰাৰ কোনো সম্ভৱনা নাই। তাৰ বাহিৰে যিবিলাক মাটিত Plantation কৰাৰ অনুপযোগী বা অত্যন্ত মূল্যহীন বা গছ-গছনি নাই সেই বিলাক মুকলি কৰি দিয়া হওঁক।

(৮) অসমৰ বিভিন্ন জিলাৰ গো-চৰন ভূমি আৰু প্ৰফেশ্যনেল গ্ৰেজিং ৰিজাৰ্ভৰ ঘাহঁ নথকা আৰু কৃষি উপযোগী মাটি ভূমিহীনক দিয়া হওঁক। গৰু মহৰ কাৰনে বিশেষ ঘাহৰ খেতি কৰাৰ ব্যৱস্থা প্ৰয়োগ কৰা হ'ক। ভূমিহীন যিসকল খেতিয়ক আছে তেওঁলোকৰ মাটিৰ পট্টা যি ধৰনৰেই মাটি নহওঁক লাগে উচ্ছেদ কৰা বন্ধ কৰা হওঁক। ভূমিহীন যিসকল খেতিয়ক তেওঁলোকক উচ্ছেদ কৰাৰ কাৰনে যিৰিলাক ব্যৱস্থা অৱলম্বন কৰা হৈছে, আৰু যেওঁলোকৰ ওপৰত যি কেচ মোকৰ্দ্দমা কৰিছে সেই বিলাক উঠাই লোৱা হওঁক। আৰু তেওলোকৰ সা-সম্পত্তি উচ্ছেদৰ সময়ত যি বস্তু দবল কৰিছে সেই বিলাক ফিৰাই দিয়া হওঁক। এই ক্ষেত্ৰত ভূমিহীনক উচ্ছেদ কৰা বন্ধ কৰক। এই ক্ষেত্ৰত দেখা যায় মাটিহীন মানুহতকৈয়ো মাটি থকা মানুহেহে বেচি মাটি দখল কৰে। এইদৰে দখল কৰা মানুহক উচ্ছেদ কৰক আৰু মাটিহীন মানুহক উচ্ছেদ বন্ধ কৰক। এইবিলাক যাতে পৰিস্কাৰ থাকে।

তাৰ পাচত কৃষি শ্ৰমিক আৰু গৰিৱ খেতিয়কৰ ৰক্ষণা বেক্ষণৰ দাবী অনুজায়ী আগত বিধান সভাত এখন আইন প্ৰনয়ন কৰক। ভূমিহীন কৃষি শ্ৰমিক আৰু গৰিৱ খেতিয়কে পোৱা জমি ধনী কৃষকৰ ওচৰত যাতে বিক্ৰি আদি হস্তান্তৰ কৰিব নোৱাৰে তাৰ বাবে আইন প্ৰনয়ন কৰক।

মহকুমা Land Settlemat Advisory Board সমূহত অসম ৰাজ্যিক কৃষি শ্ৰমিক সংঘ আৰু কৃষক সভাৰ প্ৰতিনিধি কৰি লওঁক।

কেন্দ্ৰীয় চৰকাৰে কৃষি শ্ৰমিকৰ ক্ষেত্ৰত পুনৰ সংস্থাপনৰ যি আঁচনি লৈছে তাক অনতি পলমে অসমতো কাৰ্য্যকৰী কৰক। তাৰ বাহিৰেও অসম চৰকাৰৰ তৰফৰ পৰাও পুনৰ সংস্থাপনৰ পৰিকল্পনা গ্ৰহণ কৰক।

প্ৰতি মহকুমা আৰু জিলাৰ ভিত্তিত কৃষি শ্ৰমিকৰ ৰক্ষনা-বেক্ষনৰ প্ৰতি চকু দিবলৈ চৰকাৰী বিষয়া নিয়োগ কৰক। তাৰ বহিৰেও এই কথা স্পষ্ট যে মাটি বিতৰণ কৰা সম্পৰ্কত যাতে ইচ্ছাৰ দ্বাৰা নহয় এই কথাত আমি সকলো একমত; কিন্তু কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত মতভেদ দেখা দিব পাৰে। ভূমিহীন খেতিয়কক মাটি দিয়াৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ মাটি থকা মানুহে দুৰ্নীতিৰ সহায় লয়। অতীতত আমি দেখিছো দুৰ্নীতি পৰায়ন মানুহে মাটি বিতৰণৰ ক্ষেত্ৰত জটিলতাৰ সৃষ্টি কৰিছে। আৰু এই বিষয়ে যে দুৰ্নীতি পৰায়নতা ব্যাপক ভাৱে আছে তাত সন্দেহ নাই। বৰ্ত্তমান সময়ত এই বিষয়ে কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত অৰ্থাৎ মাটি বিতৰণৰ ক্ষেত্ৰত মণ্ডলৰ পৰা Secretary পৰ্য্যায়লৈ বিভাগটোৰ আমোল পৰিবৰ্ত্তন কৰিব লাগিব। আৰু কিছুমান মাটি বিলোৱা সৰু সৰু কমিটি গঠন কৰিব লাগিব। আৰু তাত চাব লাগিব যাতে কিছুমান মানুহে তাত টকা ঘটাৰ সুযোগ নাপায় তালৈ লক্ষ্য ৰাখিব লাগিব। তাত ৰাজনৈতিক উদ্দেশ্য পৰিত্যাগ কৰি প্ৰকৃত কৃষক সকলৰ প্ৰতিনিধিক লৈ District আৰু Sub-divisional কমিটি গঠন কৰক। আৰু য'ত Reserve খোলাৰ কথা আহিছে তালৈ সেই কমিটিৰ মেম্বাৰ সকল যাব লাগিব আৰু যদি তাত ধন খৰচ হয় সেই খৰচটো চৰকাৰে বহন কৰিব লাগিব। Forest Reserve বিলাক খোলাৰ সময়ত প্ৰতিনিধি সকলৰ প্ৰতিনিধিয়ে পুংখানুপুঙ্খৰূপে বিবেচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। তাত যদি সম্পূৰ্ণ মাটিহীন মানুহ আছে সেই মাটি তেওঁ-লোকক পট্টন দিব লাগে। আৰু তাত যদি মাটি থকা মানুহ আছে সেই বিলাকক উচ্ছেদ কৰি প্ৰকৃত মানুহক মাটি দিব লাগিব। আৰু এই বিষয়ে প্ৰয়োজন হলে আমি আমাৰ আইন সংশোধন কৰি হলেও মাটি বিতৰণৰ ক্ষেত্ৰত অগ্ৰসৰ হব লাগিব। তেতিয়াহে আমি কৃতকাৰ্য্য হব পাৰিম। তাত

যদি কোনোবাৰ ১০/১২ বিঘাতকৈ বেছি মাটি আছে তেনেহলে তেখেত সকলৰ উৎবৃত্ত মাটিখিনি মাটিহীনক দিব লাগে। কিন্তু আচল কথা মাটি থকা মানুহক গাৱঁৰ মানুহ বিলাকে যেনেকৈ ভাল দৰে কব পাৰিব Officer ৰ যোগেদি সেইটো ঠিক কৰা সম্ভৱ নহব। যি সকলৰ প্ৰকৃততে মাটি নাই তেওঁলোকৰ নাম বিলাক List কৰক আৰু সেই মতে মাটি দিয়াৰ ব্যৱস্থা কৰক। যি সকলৰ কম মাটি আছে সেই সকলৰো এখন লিষ্ট কৰক—যে অমুকৰ ইমান তমুকৰ সিমান বুলি। আৰু তাৰ পাচত সেই মতে বিতৰণৰ ব্যৱস্থা কৰক।

শেষত বেদখলকাৰীক উচ্ছেদৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা কাম হ'ল উচ্ছেদ নকৰা। যি মানুহ য'ত বহি আছে আৰু এওঁলোক যদি প্ৰকৃত মাটিহীন হয় এওঁলোকক বহিবলৈ দিয়ক। এইদৰে মাটিহীনে মাটি পালে মাটি থকা বৈতাল মানুহে বেদখল কৰিবলৈ কেতিয়াও সাহস নকৰে। কিন্তু আমি যদি ইটোও নকৰো সিটোও নকৰো তেন্তে মাটি থকা মানুহ যি-বিলাক টকা পইচা থকা মানুহ তেওঁলোকৰ যি মাটি বেদখলৰ প্ৰচেষ্টা সেইটো ব্যৰ্থ কৰিব পাৰিম। আমি গাৱঁৰ জনসাধাৰণক বিশ্বাসলৈ আনি আমি কেনেকৈ এই সমস্যা সমাধান কৰিব পাৰিম তাৰহে চেষ্টা কৰা উচিত। তাৰ বাহিৰে আৰু অন্য কোনো পথ নাই। গাওঁসভা বিলাক সম্পূৰ্ণ শুদ্ধ হওক বা অশুদ্ধ হওক সেইটো কথা নহয়। কিন্তু গাৱঁৰ মানুহ বিলাকক বাদ দি গাওঁসভাৰ ওপৰত নিৰ্ভৰ কৰিলে নহব। গাৱঁৰ মানুহ আৰু গাওঁ সভাক সমান ভাবে বিশ্লেষণলৈ আনিব লাগিব। আৰু এইদৰে মাটি থকা মানুহক অৰ্থাৎ বেদখল কাৰীক উচ্ছেদ কৰি মাটিহীন মানুহৰ উচ্ছেদ বন্ধ ৰাখিব লাগে যেতিয়ালৈকে আমি তেওঁলোকৰ মাটিৰ সমস্যা সমাধান কৰিব নোৱাৰো। কিন্তু এইটো কথা ঠিক যে আমি বেছি দিন এই মাটি বিতৰণ ব্যৱস্থা বন্ধ কৰি ৰাখিব নোৱাৰিম।

তাৰ বাহিৰে চাহ বাগান বিলাকত আইন পৰিবৰ্ত্তন কৰিবৰ কাৰণে আমি যত্ন কৰিব লাগিব। আৰু চাহ বাগানৰ উৎবৃত্ত মাটি যাতে আমি তাৰ Tea Garden Labour ফালটো Labour সকলক দিব পাৰো

তাৰ বাবে চেষ্টা কৰিব লাগিব। আৰু সেই ক্ষেত্ৰতো আমি মাটিহীন সকলৰ নাম বিলাক লিষ্ট কৰি লব লাগিব। তাৰ কাৰণে প্ৰয়োজন হলে আইন ৰচনা কৰিব লাগিব। এইটো কৰিব পাৰিলে আমি কাৰ্য্যক্ষেত্ৰত কিছু দূৰ আগবাঢ়ি যাব পাৰিম। যিবিলাক উৎবৃত্ত মাটি মালিকৰ হাতত আছে সেইবিলাক মাটি আনি, কৃষক, মজদুৰৰ মাজত বিতৰণ কৰিব লাগিব। কিন্তু এই ক্ষেত্ৰত পুলিচ পঠাব পৰা নহব। যদি পুলিচ পঠোৱা হয় তেনেহলে সেই পুলিচে মালিকৰ পক্ষ লব আৰু কৃষক বনুৱাৰ আৰু গভৰ্ণমেণ্টৰ বিৰুদ্ধে যাব। এই অৱস্থাত আগৰ Agreement বাদ দি নতুন আইন ৰচনা কৰিব লাগিব। যাতে মালিক সকলে তেওঁলোকৰ মাটি বিক্ৰী কৰি চাফ কৰি দিব নোৱাৰে। সেই কাৰণে মোৰ পৰামৰ্শ এয়ে যে যদি কোনোবা মালিকে মাটি বিক্ৰী কৰে তেনেহলে তাত চৰকাৰে হস্তক্ষেপ কৰিব লাগিব। এইটো যদি আমি কৰিব পাৰো তেতিয়া হলে আমাৰ চৰকাৰে দ্ৰুতভাবে কাৰ্য্যকৰী ব্যৱস্থা লব লাগিব। আৰু চৰকাৰৰ তৰফৰ পৰা যি বিলাক অসুবিধা হয় সেইবিলাক আমাৰ আগত ডাঙি ধৰিব লাগিব। আৰু যদি আমাৰ আমাৰ ফালৰ পৰা কিবা অসুবিধা হয় তেনেহলে সেইটো আপোনালোককো জনাব লাগিব। তেতিয়াহে সহযোগ আহিব। আৰু দুয়োপক্ষৰ সহযোগিতা হলেহে ভূমি সমস্যাটো সমাধান হব। তেনে নহলে আমাৰ মাজত আন্দোলন হব, যুদ্ধ হব এই যুজত কোন হাৰে কোন জিকে পিচত নিৰ্ণয় কৰা হব।

Mr. Deputy Speaker : The House is adjourned till 2 P.M. to-day.

## ADJOURNMENT

The House adjourned for lunch till 2 P.M.

## AFTER LUNCH

## RULING BY THE SPEAKER ON ADJOURNMENT MOTION HUNGER-STRIKE BY UNEMPLOYED YOUTH IN FRONT OF THE ASSEMBLY BUILDING

Mr. Speaker : An adjournment motion was tabled by

Shri Promode Chandra Gogoi, M.L.A, Shri Giasuddin Ahmed, M.L.A. and Shri Kehoram Hazarika, M.L.A. today regarding the situation arising out of the hunger strike launched by the representatives of youth and students of Assam in front of the Assembly House. The purpose of the hunger strike is regardng demand for establishment of second public sector refinery in the State, solution of unemployment various other problems, including appointment of local youths in public and private sector industries. Shri Promode Chandra Gogoi, M.L.A. spoke about the admissibility of the motion. The Minister for Parliamentary Affairs opposed the admissibility of the motion on the ground that these problems are not recent but continuing ones. The questions were discussed threadbare not only during the current session of the Assembly but also in the past. Moreover, the House has adopted a resolution demanding a second oil refinery in Assam and decided to send a delegation to New Delhi to press this demand, The questions of unemployment and industrialization are going to be discussed very shorty in this House in connection with motions tabled by Shri Phani Bora, M.L.A., Shri Gaurisankar Bhattacharyya, M.L.A. and Shri Dulal Chandra Barua, M.L.A. This discussion may take place either on 7th, 8th or 9th April, 1969. Besides, there is a notice under rule 50 from Shri Shamsul Huda, M.L.A. pressing a discussion on the question of unemployment in the State

which will take place on 7th April, 1969, when the Hon'ble members will have ample opportunity to discuss the problems raised in the motion. In view of the fact that the problems are continuous ones and further that the problems were discussed in the Budget Sessions of the Assembly and are going to be discussed very soon in connection with the motions submitted by the hon'ble members stated above and also in view of the fact that there will be ample opportunity for the hon'ble members to discuss these problems in the very near future, I disallow this motion.

Shri Hiralal Patwary—Sir, we bow down to your ruling. But as because it is a new thing in the history of Assam, and as I have seen that some tribal boys are also there among the hunger strikers, will you kindly request the Government to make a Statement about the unemployment problem in the State. Sir, as you know, this is a very important matter agitating the minds of the people of the entire State. Therefore, in view of all these, may I request the Government through you to make a statement on this ?

Shri Phani Bora—Sir, at least the Minister-in-charge of of Employment or the Leader of the House or in his absence the Deputy Leader should have gone out of the House with your permision. You can also direct them to meet the hunger strikers to tell them what the Government is thinking about the problem for which they

have resorted to hunger strike. That minimum thing they should have done, We all know what a burning problem our younger generation will face in the near future ! We should be very serious about the situation that is arising out of the growing unemployment problem for which the youths are in demonstration through hunger strike in front of the Assembly.

Shri Dulal Chandra Barua—Sir, I admit that you are perfectly correct to give such kind of ruling. But we should examine and realise the gravity of the situation, the gravity of the matter. Now a days what do we find ? Yesterday we saw how the Engineers were thrown out of employment from the Fertilisers Corporation of India. Now, again in other industries, the industrialists and managements are acting in a different way. It would have been better, if along with your ruling, the Minister, Labour or in his absence the Deputy Leader would have come with a statement apprising the House of the employment potentiality in private sector industries or what steps they have taken in this regard and what are the measures they are going to take in regard to employment of local youths in indu stries. Such a statement could have at least helped subsiding the heet generated among the unemployed youths of the State.

Shri Mahendra Mohan Choudhury—Sir, I said that this matter was discussed in the House and steps have been taken to send a delegation to New Delhi to press our

demand for establishment of a second refinery in the State. As regards other things, such as employment of local youths in the private sector industries etc, the matter is coming up before the House when the Hon'-ble members will be able to utilise their own point and the Ministers will have the opportunity to make statement. Therefore, I do not find and point in the suggestion of Shri Phani Bora to meet the students in front of the Assembly who have resorted to hunger strike. Because so may organisations are functioning in the State and they have various types of demands pur by them indepently and it will be difficult on the part of the Minister to go to every one of them to explain the steps taken by the Government. There is already publicity about the procedding of the House and what steps Government are going to take in this direction. Therefore, I donot see any reason in it.

APPOINTMENT OF SHRI ZAHIRUL ISLAM AS MEMBER OF THE SUBORDINATE LEGISLATION COMMITTEE

M. Samsul Huda—অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই এটা কথা কব খুজিছো। আমি এইটোকে কব খুজিছো যে, ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা এই পৱিত্ৰ সদনৰ সম্মুখত এনে ধৰণৰ অনশন এয়েই প্ৰথম। আমাৰ মহাত্মাজীয়ে দেখুৱাই যোৱা শান্তিপূৰ্ণ পন্থাৰে গণতন্ত্ৰৰ আন্দোলনত এই কংগ্ৰেছ চৰকাৰে সদায় শ্ৰদ্ধা জনাই আহিছে।

Mr. Speaker—He has already explained it.

Shri Phani Bora - Since the Government is not prepared to meet the hunger strike, I want to announce that at

least to tell the hunger strikers that the Government is not willing to meet them, for the time being we are walking out of the House.

( The Opposition except Shri Jalaluddin Ahmed, M.L.A. walked out )

Mr. Speaker—I appoint Shri Zahirul Islam a member of the Subordinate Legislation Committee in place of Shri Phani Bora who is unable to function with the Committee.

MOTION— DISCUSSION ON THE LAND SETTLEMENT POLICY OF GOVERNMENT.

Shri Bishwanath Upadhya—Mr. Speaker, in supporting the motion moved by the Hon'ble Revenue Minister, I want to make a few observations. Sir, some of my friends have given valuable suggestions and I went to add some of my own. I will confine myself to tea garden areas. On previous occasions also I raised this point that the tea garden population have no tenancy right. This is a great loss to the people of the tea estates as they are deprived of the benefit extended by the package progrmme. The package programme facilities have been extended to village people, but in the tea gerden areas the population has been deprived of these facilities. Sir, as you know, recently the commercial banks have come under social control and from these banks we are going to get loans for agricultural purpo-

ses. If this facility is not extended to the tea garden population then these poor people will be deprived of this facility as well. Therefore, Sir, it is my suggestion that tenancy right should be given to tea garden population so that they can get the benefit of package programme and other facilities extended by the commercial banks.

Then, Sir, I am against sale of tea garden lands to outsiders. I am not against the planters who are really sincere and honest in the matter of plantation those who want to increase their acreage and bring it under tea plantation. I have nothing to say, rather I will encourage this because by encouraging the tea industry we are going to get foreign exchange and also employment for non-workers. But, Sir, I am opposed to the very idea of leasing out or selling tea gerden land. This is a tendency in tea garden areas now. Some planters are purchasing gardens not for tea cultivation' but for selling or leasing out land. Therefore, I suggest that the sale or leasing out of land should be immediately stopped. I was really very glad to-day to hear from the Hon'ble Revenue Minister that he has passed an order to the effect that all sales should be immediately stopped. I know, Sir, our district authorities in Cachar are giving warning to the tea garden authorities in the district, but they do not care. So, where is the guarantee that after passing this order all sales

or leasing out of tea garden lands will stop? Therefore, I suggest that immediate steps should be taken to stop sale or leasing out of land by the tea planters in different areas of the State. Then there is another difficulty. If you want to apply the 1:2 formula and then want to take over the surplus land in the tea garden you will find that there will be no surplus land there. After requisietion you will find that people are already settled in the land which in the records has been shown as waste land and surplus land. My suggestion, therefore is that immediate steps should be taken to stop this kind of things; otherwise no useful purpose would be served by passing an order requisitioning land in tea garden areas. My apprehension is that people will be brought by the backdoor by the management and lead to occupy the land. In that case it will be very difficult to out them from the land as it will create complications. I would therefore, request Government to take immediate stepes to stop sale and leasing out of tea garden land by the planters.

Then, Sir, in the tea gardn areas we find that unfriendly workers are discharged and evicted. whenever any occasion arises the management discharge these workers and evict them from the gardens. As you know Sir, these workers, who originally came from other places, have no place to go. They have no permanent home either here or in any other State. If they are

driven away they will pose a big problem for the State. Moreover, a large number of people are residing in tea gardens who have no work. Supposing they will have no place to reside and no place to go. My suggestion is that they should be given protection. If they have to came out of the garden areas they will pose a peculiar problem for the State; the pr blem of rehabilitation will come in the near future.

Sir, the land policy of the Government is being discussed here now. It is really a revolutionary policy, there is some scope for improvement of this policy. I hope the suggestions made in this house will be taken into consideration and the Government will give attention to the points which I have raised.

With these few words, I supprt the motion moved by the Revenue Minister.

Shri Sadhan Ranjan Sarkar—মাননীয় অধ্যক্ষ মহোদয়, আসাম কৃষি প্রধান প্রদেশ। এই কৃষি প্রধান প্রদেশেরে প্রায় শতকরা ৮০ জন কৃষির উপর নির্ভরশীল। তাই কৃষির উন্নতির সংগে আমাদের সমস্ত প্রদেশের উন্নতি তথা জনগণের উন্নতি নির্ভর করে। সেই হিসাবে আজ সাত্যই আমাদের, বিশেষ করে ভূমিহীন কৃষকদের পক্ষে তথা আসাম প্রদেশের পক্ষে একটি শুভদিন। তাই আজ আমাদের, সমস্ত দলীয় স্বার্থের উপরে উঠে বিশেষ ভূমিনীতির উপর জোর দিয়ে ভূমি সমস্যার সমাধানে অগ্রসর হতে হবে। আশা করি যে প্রত্যেক সদস্যের এই বক্তৃতার মাধ্যমে যে সদিচ্ছা পরিস্ফুটিত হয়েছে তা যেন সরকার পক্ষে রূপান্তরিত করবেন।

আজ আমাদের সরকার কৃষির জন্য বৈপ্লবিক নীতি গ্রহণ করেছেন

এবং সেই হিসাবে অনেক আইন প্রণয়ণ করেছেন। যেমন আধিয়ার আইন শিলিং আইন ইত্যাদি। সত্য কথা এই যে এই সমস্ত আইন প্রণয়নের শুর থেকে বার্থে রূপান্তিরিত হওয়ার প্রত্যেক ক্ষেত্রেই আমরা সবাই অর্থাৎ বিরোধী পক্ষের সদস্যরাও অংশ গ্রহণ করেছেন। এই কথা অস্বীকার করা যায় না। তাই এই সমস্ত দোষ ত্রুটী সংশোধন করে আমাদের নে দলীয় মনোভাবের উর্দ্ধে উঠে এই সমস্ত সমস্যার সমাধান করতে হবে। সত্য কথা এই যে আজ আমাদের সরকার যে সমস্ত আইন প্রণয়ন করেছেন সমস্ত দূর্নীতি প্রশ্রয় লাভ করার জন্য কার্যকরী হতয়ার পক্ষে যথেষ্ট বাধার সৃষ্টি করেছে। আজ আমরা ও সরকার পক্ষ, সবাই উপলব্ধি করছি যে এই সমস্ত আইনে দূর্নীতি প্রশ্রয় লাভ করায় কার্য্যকরী হতয়ার ক্ষেত্রে এই আইন সমূহ কৃষকদের অভাব অভিযোগ পূরণ করতে পারে নি। তাই আমরা দলগত নির্বিশেষে রেভেনিউ মন্ত্রীর সহযোগীতা করব এবং আমি রেভেনিউ মন্ত্রী মহোদয়ক ধন্যবাদ জ্ঞাপন করছি।

আজ ভূমিনীতি সম্বন্ধে পূর্ব্ববর্তী ও বিরোধী পক্ষের প্রত্যেক সদস্যই ভূমিনীতি সম্বন্ধে বলেছেন। প্রত্যেকের ভাষাগত পার্থক্য থাকতে পারে। কিন্তু প্রত্যেকেই একমত যে কি ভাবে আজ ভূমিনীতির উন্নতি করা যায়। সরকারের হাতে কৃষিযোগ্য বা অন্যান্য যে সমস্ত মাটী আছে তা প্রকৃত কৃষকদের মধ্যে বিলিয়ে দিতে হবে। যাতে অধিক মাটী যাদের আছে, তারা যাতে এই সুবিধা করতে না পারে যে, যারা ভূমিহীন কৃষক, তাদের নায্য পাওনাকে ষড়যন্ত্র করে বঞ্চিত করতে পারে এইভাবে সরকারকে মাটী বণ্টনের ক্ষেত্রে অগ্রসর হতে হবে। বিশেষ ভাবে, Forest Land এর অন্তর্ভূক্ত যে সমস্ত পতিত জমি আছে, তাতে যাতে কৃষকরা (ভূমিহীন) চাষ করতে পারে তার ব্যবস্থা করতে হবে। তাছাড়া, এই Forest Land এর বিষয়টা অত্যন্ত জটিল প্রশ্ন, বৈজ্ঞানিক প্রশ্ন, যাতে নাবিক দেশের আবহাওয়া জলবায়ু প্রভৃত্তির কথার অবতারনা করতে হয়। অর্থাৎ ভবিষ্যতে এই জমি Forest এর কাজে লাগবে কি না তার কথাও চিন্তা করে দেখতে হবে। তবে,

যতটুকু মাটী Forest এর দরকার, তা বাদ দিয়ে যে সমস্ত অনাবাদী জমি আছে তা আমরা যেন মাটীহীন কৃষকদের জন্য খুলে দিয়ে দেই। তাছাড়া এই সব পরিকল্পনা কার্য্যকরী করার পূর্ব্বে কতকগুলি প্রয়োজনীয় জিনিষ চিন্তা করে দেখতে হবে। প্রথমতঃ প্রকৃত মাটীহীন কৃষকের সংখ্যা কত আছে তা পুংখানুপুংখরূপে নির্ধারণ করতে হবে এবং কত মাটী কৃষকদের মধ্যে বিতরণ করা সম্ভব হবে তাও পুঙ্খানুপুঙ্খরূপে হিসাব করে দেখতে হবে, তারবাবে আমাদের ধীরে ধীরে কার্য্যক্ষেত্রে অগ্রসর হতে হবে। এবং এই কৃষিযোগ্য মাটী মাটীহীন কৃষককে দেওয়ার ক্ষেত্রে আমাদের দেখতে হবে কোন পর্য্যায়ের লোক প্রকৃত মাটী পাওয়ার উপযোগী এবং শুধু তাদের মধ্যেই মাটী বিলিয়ে দিতে হবে। তারপর আমাদেরে আসামের শিল্পের ক্ষেত্রে এর কিছু অংশ দিতে হবে। এই সমস্ত পরিকল্পনা কার্য্যে রূপায়ন করতে ত্বরান্বিত করতে হবে।

আমার মতে মাটীৰ যে সমস্যা সেটা অঞ্চল ভিত্তিতে নিষ্পত্তি করতে হবে। কারণ আসামের সমস্যা এক এক স্থানে এক এক রকম। গোয়ালপাড়া জেলায় জমিদারী প্রথা উচ্ছেদের পরেও যে অবস্থার বা নগাওঁ জেলায় যে সমস্যার উদ্ভব হয়েছে এই সমস্যাগুলি শুধু একই রকমের নয়। গতিকে অঞ্চল ভিত্তিতে এক এক যায়গায় কমিটি করে যাতে সমস্ত দলগত স্বার্থের অবসান ঘটিয়ে কার্য্যকরী পন্থা অবলম্বন করা হয় এবং Target date fixed মাটী কাজ বণ্টন করে দেবে তাদেরে উচ্চ ক্ষমতা দিতে হবে যাতে তারা On the spot যে কোন decision নিতে পারে। তাছাড়া Cealing Act যারা ফাঁকি দিয়েছে তাদের বিরুদ্ধে উপযুক্ত ব্যবস্থা অবলম্বনের জন্য এই সদন থেকে একটি কমিটী গঠন করে বিভিন্ন যায়গায় নিয়ে বিশেষ ভাবে তদন্ত করতে হবে।

(A Voice : উচ্ছেদের কথা বলুন)

উচ্ছেদের সম্বন্ধ নিশ্চয়েই বলবো। যে সমস্ত প্রকৃত মাটীহীন লোক যারা অনন্যোপর হয়ে ৫।১০।১৫ বৎসর এবং পতিত জমিকে যথোপযুক্ত করেছে তাদের উচ্ছেদ বন্ধ করে সরকার যেন তাদের মালিকানা সত্ব দেওয়ার

বন্দোবস্ত করেন তারজন্য অনুরোধ করি। এবং তাতে যেন কোনরকম দলগত স্বার্থের আভাস না থাকে তার ব্যবস্থা করতে হবে। যে কংগ্রেস হোক, যুক্তফ্রন্ট হোক, এই নীতি কোন সরকারই সমর্থন করতে পারেননা বলে আমি বিশ্বাস করি।

তারপর চাবাগানের মাটীর সম্পর্কে 1:2 Formula র পরিবর্ত্তনের কথা অনেকেই বলেছেন। চাবাগানের প্রয়োজনীয় মাটী ছাড়া অতিরিক্ত যে Tea Garden এর মাটী আছে, সরকার যেন অনতিবিলম্বে আইন নির্ধারণ করে তা প্রকৃত ভূমিহীনদের মধ্যে বিলিয়ে দেন। এই বলে আমরা আশা করবো যে এই মাটীকে কেন্দ্র করে যেন কোনরকম রাজনৈতিক দল তাদের নিজস্ব স্বার্থে এই সমস্ত মাটীহীন লোককে ক্ষতিগ্রস্ত করবেন না এবং আমাদের দেশের এই জটীল সমস্যা নিয়ে রাজনৈতিক খেলা খেলবেননা বলে আশা করি। কারণ এটা আমাদের জাতীয় সমস্যা এবং একমাত্র কৃষির উপরই আসাম নির্ভরশীল। এই কৃষি সমস্যার জন্য সকলে সমস্ত ভেদাভেদ ভুলে সহযোগীতার অগ্রসর হলে ১ বছর বা ৬ মাসের মধ্যেই মাটী সমস্যার সমাধান হবে বলে আমি বিশ্বাস করি। রাজনৈতিক আন্দোলনে মাটীর সমস্যা সমাধান করা সম্ভব নয়। এই বলে আমি আমার বক্তব্য শেষ করলাম।

Shri Kehoram Hazarika--On a point of clearification Sir, কথা আছিল পৰামর্শ আগবঢ়োৱাৰ কিন্তু তেখেতে Debate হে আৰম্ভ কৰিছে।

( গণ্ডগোল )

তেখেতে যেতিয়া Debate কৰিছে তেতিয়া হলে Debate কৰিবলৈ আমাকো সুবিধা দিয়ক।

Shri Kehoram Hazarika— মাননীয় উপাধ্যক্ষ মহোদয়, এই সদনত বহুবাৰ ধৰি মাটি সমস্যা আৰু কৃষক সমস্যাৰ কথা আলোচনা হৈ গৈছে আৰু মাননীয় সদস্যসকলে বহুতো মূল্যবান পৰামৰ্শ আগবঢ়াইছে। আজি

আকৌ এই পবিত্ৰ সদনত এই বিষয়টো পুনৰ আলোচনাৰ কাৰণে উত্থাপন কৰাত মই জয় জয়তে অসমৰ কৃষক আন্দোলনক অভিনন্দন জনাইছো। যদি আমাৰ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ কৃষক আন্দোলনৰ সৃষ্টি নহলহেঁতেন আৰু ৩১ তাৰিখে এই সদনৰ সন্মুখত হাজাৰ হাজাৰ কৃষকৰ সমাবেশ নহলহেঁতেন তেনেহলে এই সদনত ভূমি সংস্কাৰৰ বিষয়টো পুনৰ আলোচনাৰ কাৰণে উত্থাপন নহলহেঁতেন। সেই কাৰণে এই অভিনন্দনৰ পাত্ৰ হৈছে কৃষক আন্দোলনকাৰীসকল অৰ্থাৎ কৃষক সমাজ। ৰাজহ মন্ত্ৰীয়ে এইটো আলোচনা প্ৰসঙ্গত এটা প্ৰস্তাব দাঙি ধৰাহেঁতেন তাত আমি সকলোৱেই পৰামৰ্শ আগবঢ়ালোহেঁতেন; কিন্তু ৰাজহ মন্ত্ৰী ডাঙৰীয়াই কোনো প্ৰস্তাৱ উত্থাপন নকৰিলে মাত্ৰ "মোচন" এটা আলোচনা কৰাৰ আৰম্ভ কৰিছে মইও মাত্ৰ কেইটামান পৰামৰ্শ আগবঢ়াবলৈ উঠিছো। প্ৰথমতে চৰকাৰে ক'ৰ ক'ৰ মাটি আনিব সেই সম্পৰ্কে মই তুষাৰমান কম।

প্ৰথম কথা হৈছে যে চিলিঃ এক্ট আমি কৰিছো। ১৯৫৫ চনত চিলিং এক্ট পাচ হোৱাৰ পাচত কাৰ্য্যকৰী কৰোতে যিখিনি সময় লাগিল সেই সময়খিনিৰ ভিতৰত বহুতো মাটিৰ মালিকে মাটি বিক্ৰী কৰিছে। নিজৰ পৰিয়ালয়ৰ নামত Transfer কৰিছে। যিবিলাক মহাজনে চিলিং এক্টৰ পিচতো নিজৰ নামত বা পৰিয়ালৰ অন্যৰ নামতো মাটি Transfer কৰিছে বিক্ৰী কৰিছে সেই বিলাক Enquiary কৰি বেআইনী বুলি ঘোষণা কৰিব লাগে আৰু মাটিৰ মালিকসকলক শাস্তি বিহিব লাগে।

দ্বিতীয়তে চাহ বাগান সম্পৰ্কে আগতেও কোৱা হৈছে যি ১ঃ২ ফৰমূলা চৰকাৰে কৰিছিল সেই ১ঃ২ ফৰমূলা ৰদ কৰিব লাগে তাৰ ঠাইত ১ঃ১ ফৰমূলা কৰিব লাগে। ১ঃ১ ফৰমূলা কৰোতে যিখিনি মাটি-বাঢ়ি যায় সেইখিনি মাটি চৰকাৰৰ মাটিৰ ভঁৰালত জমা থব লাগে। যিবিলাক মাটি চাহ বাগানৰ মালিকসকলক বিনা পইচাই দিয়া হৈছিল আৰু শ বছৰ ধৰি তেওঁলোকে সেই মাটি ভোগ কৰি আছে গতিকে তেওঁলোকক পুনৰ ক্ষতিপূৰণ নিদি বিনা ক্ষতিপূৰণে সেই মাটি চৰকাৰী ভঁৰাললৈ আনিব লাগে।

তৃতীয়তে গ্ৰেজিং ৰিজাৰ্ভ গৰু, মহ চৰিবৰ কাৰণে অনুপযোগী মাটি বিলাক বছৰৰ পিচত বছৰ ধৰি পানীৰ তলত থাকে। সেইবিলাক মাটিও এই চৰকাৰী মাটি ভঁৰালত সন্নিবিষ্ট কৰিব লাগে।

চতুৰ্থতে ফৰেষ্ট ৰিজাৰ্ভৰ অদৰকাৰী মাটিবিলাক য'ত গছ-গছনি নগজে ৰলেও নহয় সেইবিলাক মাটিও এই ভঁৰাললৈ আনিব লাগে। সেই সম্পৰ্কে মই এটা বিচাৰ দিব খুজিছো। চৰকাৰে ভূমি পট্টন নীতিত যি তথ্য দাঙি ধৰিছে সেইটো এটা অদ্ভুত অংক। তাত লিখা আছে—

"গোটেই অসমৰ মাটি কালি সৰ্ব্বমুঠ ৪৭,২৫৭ বৰ্গ মাইল আৰু সেই একেখন ভূমি পট্টন নীতিৰে ৯ পৃষ্ঠাত আছে যে "সংৰক্ষিত বনাঞ্চল ১৬ হাজাৰ ১২২ বৰ্গ মাইল"। ভূমিকাত আছে যে "গোটেই অসমৰ মাটিৰ পৰিমাণ ৮৭ হাজাৰ ২৫৭ বৰ্গ মাইল। আকৌ শতকৰা হিচাবত কেনেকৈ এই অংকটো কোনে উলিয়াইছে কব নোৱাৰো। ১৩,৩৪ ৰ ঠাইত প্ৰায় ৩৩ ভাগ হব লাগে। ইয়াত এইটো ভুল তথ্যহে ভূমি পট্টন নীতিত আনিছে। মাটি নাই বুলি বিচলিত কৰিবৰ কাৰণে এই শতকৰা তথ্যটো দাঙি ধৰা হৈছে। আচলতে সেইটো সঠিক তথ্য নহয়। কাৰণ ভূমিকাত আছে যে ৪৭,২৫৭ বৰ্গ মাইল মাটি কালি। গতিকে কেনেকৈ ১৩·৩৪ শতকৰা দেখুৱাইছে মই বুজি নাপাওঁ। গতিকে চৰকাৰে এনেকুৱা মাটি আচলতে কিমান আছে সেইবিলাকৰ প্ৰকৃত তথ্য উলিয়াই লৈ চৰকাৰৰ ভঁৰাললৈ যাতে আনে তাকেই অনুৰোধ কৰিলো আৰু এই মাটিবিলাক প্ৰকৃত মাটিহীন খেতিয়ক মানুহকহে দিয়াৰ ব্যৱস্থ কৰিব লাগে।

৫ নং পৰামৰ্শ হৈছে যে চিলিং এক্ট মতে ১৫০ বিঘা চিলিং কৰাৰ পৰিবৰ্ত্তে এতিয়া ৬০ বিঘালৈ কমাব লাগে। ১৫০ বিঘাৰ চিলিং চৰকাৰে যি ভূমিনীতি কৰিছে সেই ভূমিনীতিৰ দ্বাৰা মধ্যস্বত্ব ভোগীসকলক ৰক্ষা কৰাহে হৈছে এই পুৰণিকলীয়া ভূমিনীতি পৰিৱৰ্ত্তন কৰিব লাগে। ১৫০ বিঘা চিলিং কৰাৰ ফলত আধি, চুক্তি-চুকেনী আৰু সামন্তবাদী পদ্ধতি চলি থকাৰ সু-যোগ হৈছে। তাৰ ফলত দুখীয়া মানুহৰ কোনো উপকাৰ হোৱা নাই।

আগৰ প্ৰস্তাৱমতে চৰকাৰী ভঁৰাললৈ কম মাটি অনাৰহে চেষ্টা কৰা হৈছে। যোৱা ২০/২২ বছৰৰ ভিতৰত যিবিলাক অনা খেতিয়কে খেতিয়ক বুলি ফাঁকি দি মাটি লৈছে সেইবিলাক মাটি কেন্‌চেল কৰি চৰকাৰৰ ভঁৰাললৈ আনিব লাগে। কিছুমানে আকৌ কো-অপাৰেটিভৰ নামতও মাটি লৈছে। তাতো খেতিয়কতকৈ অনাখেতিয়কৰ সংখ্যাহে বেছি। সেই কো-অপাৰেটিভৰ কাৰ্য্য চাই অনাখেতিয়কে পোৱা মাটি Cancel কৰিব লাগে। সেই মাটি চৰকাৰী ভঁৰাললৈ আনিব লাগে।

তাৰ পিচত আন এটা কথা মই কব খুজিছো যে পাইকাৰী হাৰত উচ্ছেদ কৰা বন্ধ কৰিব লাগে। মই আগতেও সদনত কৈছো যে এই উচ্ছেদৰ আমি বিৰোধিতা কৰো কিয়নো কাৰ মাটি আছে, কাৰ মাটি নাই, সেইটো বিচাৰ নকৰাকৈ যাকে-তাকে উচ্ছেদ কৰিছে। এফালৰ পৰা সকলোকে তহিলং কৰি পেলাইছে। সেই তহিলং কৰা নীতিটো পৰিৱৰ্ত্তন কৰিব লাগে। এই নীতি পৰিৱৰ্ত্তন কৰি যিবিলাক আচলতে ভূমিহীন খেতিয়কে মাটি দখল কৰিছে সেইবিলাকৰ গাত হাত নিদি সেই ঠাইতে তেওঁলোকক বন্দোবস্তি দিব লাগে। আকৌ যিবিলাক ঠাইত মাটি থকা মানুহে বেদখল কৰিছে সেই বিলাকক উচ্ছেদ কৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াকে নকৰি যদি সকলোকে উচ্ছেদ কৰি থকা হয় তেনেহলে অসমৰ ভূমি সমস্যা সমাধান নহব।

তাৰ পাচত যিবিলাক বেদখলকাৰী উচ্ছেদ কৰা হয়, সেই বেদখলকাৰী উচ্ছেদ কৰোতে ভালকৈ বিবেচনা কৰি নোচোৱাকৈ যদি যাকে-তাকে উচ্ছেদ কৰা হয় তেনেহলে দেশৰ খাদ্য সমস্যা সমাধান নহব। গতিকে উচ্ছেদ সম্পৰ্কে পৰিকল্পিত ভাবে নীতি লৈ উচ্ছেদ বন্ধ কৰা হৈছে বুলি সদনত ঘোষণা দিব লাগে। এই ঘোষণা দিয়াৰ পিচত দুখীয়া খেতিয়কক মাটি দিয়াৰ পৰিকল্পিত নীতি গ্ৰহণ কৰিব লাগে। আমাৰ ৰাজ্যৰ কেইবা ঠাইতো পুলিচৰ Agricultural farm আছে। নগাওঁত লখিমী ফাৰ্ম আছে। এতিয়া শুনিছো মঙ্গলদৈতো ও তেনে এখন পুলিচৰ ফাৰ্ম কৰাৰ কাৰণে অনুমতি দিয়া হৈছে। পুলিচৰ ফাৰ্মৰ পৰিৱৰ্ত্তে আমাৰ দেশত থকা বেকাৰ কৃষক

যুৱকসকলকলৈহে এনে ফাৰ্ম গঠন কৰা সময় উপযোগী হব। চুৰাটগড়ৰ নিচিনা একোখন ফাৰ্ম কৰাত চৰকাৰে পৰিকল্পনা হাতত লব লাগে। তেতিয়া হলেহে আমাৰ দেশৰ খাদ্য সমস্যা কিছুদূৰ সমাধান হব। আমাৰ নগাওঁত ন-খুটি ৰিজাৰ্ভত কিছুমান মানুহক মাটি দিবৰ কাৰণে সিদ্ধান্ত কৰা হৈছিল। গৱৰ্ণৰৰ বক্তৃতা আৰু ৰাজহ মন্ত্ৰীৰ বক্তৃতাত এই কথা উল্লেখ কৰিছে। কিন্তু প্ৰকৃততে কিমান মানুহক ন-খুটিত বহুৱা হ'ল তাৰ হিচাব দিয়া নাই। মাটি দিয়াৰ পদ্ধতি ইমান দীঘলীয়া যে, আগষ্ট মাহতে লিষ্ট কৰা হ'ল, তাৰ পিচত চৰকাৰৰ approval ৰ কাৰণে আহিল, তাৰ পিচত approve হওতে লিষ্ট কৰা মানুহক পট্টন দিয়াৰ আগতে আৰু কিছুমান নতুন মানুহে গৈ সেই মাটি বেদখল কৰিলে এতিয়া অৱস্থা জটিল হৈছে। গতিকে মাটি দিয়াৰ বৰ্ত্তমানৰ দীঘলীয়া পদ্ধতি পৰিবৰ্ত্তন কৰি উজু পদ্ধতি চৰকাৰে গ্ৰহণ কৰিব লাগে।

মাটি বিতৰণী কমিটিবিলাক সৰু কৰিব লাগে যাতে এই কমিটি বিলাক কাম কৰিব পৰা কমিটি হয়।

**M. Shamsul Huda**—মাননীয় অধ্যক্ষ মহোদয়, আপুনি কেৱল পৰামৰ্শ দিবলৈ কৈছে। মই কেৱল পৰামৰ্শহে এতিয়া দিম। ভূমি সংস্কাৰ, কৃষি সমস্যা সম্পৰ্কত মোৰ পৰামৰ্শ হৈছে—

১নং হৈছে কংগ্ৰেছ চৰকাৰৰ ৰক্ষণশীল মনোভাৱ, প্ৰতিক্ৰিয়াশীল কৌশল, পুজিবাদৰ দালালী, পাৰ্টিৰ স্বাৰ্থ— (গণ্ডগোল)

২নং হৈছে, চৰকাৰে এটা সৰ্বদলীয় কমিটি গঠন কৰিছে। মই যোৱাকালি শুনিছো যে চৰকাৰে এটা কমিটি গঠন কৰিছে, এইটো সৰ্ব্বদলীয় কমিটি হোৱা নাই। ৰাজ্যত কিমান উলিয়াব পৰা মাটি আছে আৰু কেনেকৈ মাটি পট্টন দিব পাৰে, তাত কি খুট বৈ গৈছে, এই গোটেই বিলাক উদ্ধাৰ কৰি এটা প্ৰগতিশীল নীতিৰ ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে সদনৰ ভিতৰত থকা প্ৰত্যেক ৰাজনৈতিক দলৰ পৰাই কম পক্ষেও এজনকৈ সদস্য লৈ এটা সৰ্বদলীয় কমিটি গঠন কৰিব লাগে।

৩নং হৈছে যে, চৰকাৰী হিচাব মতে দেখা যায় যে, অসমত ৪২ লাখ বিঘা মাটি চাহ বাগিছাৰ হাতত আছে, আৰু তাৰ ভিতৰত কেৱল মাত্ৰ ১১ লাখ বিঘা মাটিতহে চাহৰ খেতি হৈছে। গতিকে এই ১১ লাখ বিঘাৰ লগতে আৰু ৫½ লাখ বিঘা ৰাখি ১৬½ লাখ বিঘা কৰি চাহ বাগিছাৰ পৰা ২৫ লাখ বিঘা মাটি কাটি আনি খেতিয়কৰ মাজত বিতৰণ কৰিব লাগে। অৰ্থাৎ চৰকাৰে যি ১:২ ফৰমূলা কৰিছে তাৰ ঠাইত ১:½ ফৰমূলা কৰিব লাগে। চাহ বগিছাত যিমান মাটি আছে তাৰ আধা মাটি চাহ খেতিৰ কাৰণে ৰাখি বাকী মাটিখিনি বিতৰণ কৰি দিব লাগে। ইতিমধ্যে দেখা যায় চাহ ব্যৱসায়ীৰ নামত আমি ক্ষতি গ্ৰস্ত হৈছো। চাহৰ আয়কৰ ক্ৰমান্বয়ে ৰেহাই দি পুজীবাদীক চহকী কৰি আছে। তাৰোপৰি আন্তৰ্জ্জাতিক ক্ষেত্ৰত চাহ বজাবটো বৰ লাভজনক নহয়। বহুতো নতুন নতুন দেশত বহুতে চাহৰ খেতি কৰি প্ৰতিযোগিতা কৰিছে। অনেক ক্ষেত্ৰত ভাৰতবৰ্ষই চাহৰ আমদানী নকৰি তাৰ Substitute উৎপাদন কৰিবলৈ আৰম্ভ কৰিছে। চাহ খেতিৰ কাৰণে ইমান মাটি নাৰাখি ১:½ Formula ৰ দ্বাৰা চাহ বাগিছাৰ হাতত থকা ২৫ লাখ বিঘা মাটি কাটি উলিয়াই আনিব লাগে।

৪নংত হৈছে ফৰেষ্টৰ নামত যিমানবিলাক মাটি আছে তাৰ আধা মাটি উলিয়াই আনি মাটিহীন খেতিয়কৰ মাজত বিতৰণ কৰিব লাগে।

৫নংত হৈছে মাটিৰ সৰ্ব্বোচ্চ পৰিমান অৰ্থাৎ চিলিং আইন ৩০ বিঘাৰ পৰা ৫০ বিঘা কৰিব লাগে। অৰ্থাৎ দুবছৰীয়া মাটি ৩০ বিঘা আৰু এবছৰীয়া মাটিত ৫০ বিঘা চিলিং আইন নিৰ্দ্ধাৰণ কৰিব লাগে আৰু চিলিং আইন কাৰ্য্য-কৰি কৰিবৰ কাৰণে ১৯৫৫ চনৰ পৰা যিসকল মাটিৰ জমিদাৰে মাটি হস্তান্তৰ কৰিছে সেই সমস্তকে বে-আইনী ঘোষণা কৰিব লাগে আৰু মাটি-বিতৰণ কৰিব লাগে।

৬ নংত হৈছে অনাৱশ্যকীয় যিবিলাক V. G. R ৰ মাটি আছে সেইবিলাক মাটিহীন গৰীব খেতিয়কৰ মাজত ভগাই দিব লাগে।

৭ নংত হৈছে P. G. R ৰ নামত আজি যিবিলাক কাণ্ড ঘটিছে তাৰ অৱস্থান ঘটাব লাগে। কাৰণ আমি জানো যে, চৰকাৰী হিচাব মতে প্ৰায়

৭ হেজাৰ ৰেজিষ্টাৰ গ্ৰেজিয়াৰ আছে। আৰু সেই গ্ৰেজিয়াৰ বিলাকত গৰুৰ সংখ্যা গড়ে ১১ টাকৈ। ১১ টাকৈ একোজন গ্ৰেজিয়াৰৰ গৰু-ছাগলী আছে আৰু তাৰ কাৰণে বহুত লক্ষ্য বিঘা মাটি গ্ৰেজিয়াৰে আবদ্ধ কৰি ৰাখিছে। গ্ৰেজিয়াৰ বিলাকে P.G.R ৰ নামত মাটি ৰাখি এটা নতুন ধৰণৰ জমিদাৰী কৰিছে। সেই P.G.R বিলাকক উঠাই দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু মাটিৰ মালিকৰ পৰা মাটি উদ্ধাৰ কৰিব লাগে। যতে আমি চাওঁ ততে আমি দেখিছো যে V G R ৰ মাটি Forest ৰ মাটি P. G. R. ৰ মাটি কিছুমান মাটি থকা মানুহে টকা-পইছাৰ বলত সেই বিলাক মাটি বেদখল কৰি ৰাখিছে। আমাৰ চৰকাৰে বে দখলকাৰী মাটিৰ মালিকক কোনো দিনেই উচ্ছেদ কৰিব পৰা নাই।

অধ্যক্ষ মহোদয় উদাহৰণ স্বৰুপে মই মাত্ৰ দুখন ঠাইৰ কথা কব খুজিছো। নগাওঁ জিলাৰ মোৰ সমষ্টিতে বৰদেউ কছাৰীত এটা V.G.R. ৰ ৫ হেজাৰ বিঘা মাটি আছে। ইতিমধ্যে ২০০ বিঘা মাটি থকা মানুহেও ২৫০ বিঘালৈ মাটি বেদখল কৰি আছে; কিন্তু সেই সকলক উচ্ছেদ কৰি মাটিহীনক এই মাটি দিব পৰা নাই।

৮ নংত হৈছে যিবিলাক মাটিৰ মালিকক উচ্ছেদ কৰিব পৰা নাই সেইসকল জমিদাৰক আমাৰ হাত দিয়াৰ অধিকাৰ নাই কিন্তু এই মাটিৰ মালিক সকলৰ পৰা এই মাটি উদ্ধাৰ কৰিব লাগিব। আমাৰ যিবিলাক মাটিহীন কৃষক আৰু ভূমিহীন মানুহে যিবিলাক মাটি অধিকৃত কৰি আছে সেইবিলাকক চৰকাৰে অনতিপলমে ভূমি পট্টন দিব লাগে। আৰু মাটিহীন মানুহৰ ওপৰত উচ্ছেদ বন্ধ কৰিব লাগে। অসমত যিবিলাক মাটি আছে সেইবিলাক অতি সোনকালে ম্যাদী বুলি ঘোষণা কৰিব লগিব। চৰকাৰে মাটি বিলাক ম্যাদী কৰিলে বহুতো সমস্যা দূৰ হব।

৯ নংত হৈছে ১৯৫৫ চনতে মাটিৰ দালাল বিলাকে চৰকাৰৰ পৰা কাকুতি কৰি যিবিলাক মাটি লৈছে সেইবিলাক প্ৰকৃত খেতিয়কৰ হাতলৈ হস্তান্তৰ কৰিব লাগে আৰু তেওঁলোকৰ নামত মাটিবিলাক নামজাৰী হব লাগে।

গৃহহীন মানুহক ২ বিঘাকৈ মাটি দিব লাগে তেওঁলোকৰ ঘৰ-বাৰীৰ কাৰণে। এনেকুৱা অনেক মানুহ আছে যিবিলাক ব্যৱসায় কৰে তেওঁলোকৰ মাটি নাই। সেই কাৰণে এই ধৰণৰ নগৰীয়া বা নগৰ উপকণ্ঠীৰ যিবিলাক মানুহ আছে সেইবিলাকক ঘৰ-বাৰী সাজিবৰ কাৰণে অন্তত: দুই বিঘাকৈ মাটি দিব লাগে।

( Bell )

অধ্যক্ষ মহোদয় মই এটা বিশেষ ৰাজনৈতিক দলৰ সদস্য। আৰু মাটিৰ বিষয়ে বহুতো পৰামৰ্শ দিব লগা আছে। গতিকে মোক আৰু অলপ সময় দিব বুলি আশা কৰিলো।

(১০) কিছুমান দালাল শ্ৰেণীৰ মানুহে Fishy culture ৰ নামত মাটিলৈ নতুন জমিদাৰী আৰম্ভ কৰিছে। এইবিলাক মাটি চৰকাৰে এই মানুহ বিলাকৰ হাতৰ পৰা আনি নদী আৰু বিলৰ পাৰে পাৰে থকা Scheduled Caste মানুহক Fishery ৰ কাৰণে পাঁচ বিঘাকৈ মাটি দিব লাগে। আৰু লগতে তেওঁলোকক Loan দি সহায় কৰিব লাগে।

(১১) গোৱালপাৰা আদি জিলাত Tribal Block আৰু Tribal Belt ৰ ভিতৰত যিবিলাক মানুহে খেতি কৰি আছে তেওঁলোকক সামান্য এখন আঠুৱা, ছাতি, এমুঠি চাউল আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীৰ বিয়া-বাৰুৰ কাৰণে মাটি বন্ধক দি তেওঁলোকৰ মাটি হেৰুৱাব লগা হৈছে। সেই সকলৰ মাটি উদ্ধাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে।

(১২) অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে সমবায়ৰ নামত বহুত টকা খৰছ কৰি কিছুমান মাটিৰ মালিকে বেনামী সমবায় চলাই আছে। এই বিলাক প্ৰৱঞ্চনামূলক সমবায়ৰ পৰা মাটি উদ্ধাৰ কৰি প্ৰকৃত খেতিয়কৰ হাতত দিব লাগে।

মই আৰু এটা পৰামৰ্শ দিব খোজো যে অসমৰ এক কোটি ২২ লাখ বেকাৰ সমস্যা সমাধান কৰিবৰ কাৰণেও মাটি নীতি সংস্কাৰৰ প্ৰয়োজন হৈ পৰিছে। অসমৰ ১ কোটি ২২ লাখ মানুহৰ খাদ্য সমস্যা ইয়াৰ

ভিতৰত সোমাই আছে। খাদ্য বুলিলে অকল চাউলকে নুবুজায়। ডাইল, সৰিয়হ, মাহ, আলু, চেনি বহুত বস্তু আমি বাহিৰৰ পৰা আনিব লগা হয়। গতিকে ভূমি সমস্যা সমাধান কৰি আমাক সকলো প্ৰকাৰৰ খাদ্য শস্য উৎপাদানৰ ব্যৱস্থা হব লাগে। কৃষিৰ উন্নতি কৰিবলৈ হলে কৃষকক মাটি দি সংস্থাপন কৰিব লাগিব। আৰু এটা কথা কব খুজিছো যে আমাৰ Forest অঞ্চলত যিবিলাক উদ্বাস্তু আহি সোমাইছেহি তেওঁলোকৰ বিষয়েও চিন্তা কৰি চাব লাগিব। তদুপৰি যিবিলাক মাটিহীন ব্যৱসায়ী মানুহ আছে তেওঁলোককো মাটি দিব লাগিব। তেওঁলোকৰ ঘৰবাৰী সাজিবৰ কাৰণে আৰু যিবিলাক প্ৰকৃত খেতিয়ক তেওঁলোকক খেতিৰ মাটি দিবলৈ ব্যৱস্থা কৰিব লাগিব। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Jogen Saikia— অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্কৰ সময়ত মাটি সমস্যা সম্পৰ্কেও আলোচনা হৈ গৈছিল। মোৰ শ্ৰদ্ধেয় বন্ধুসকলে যি পৰামৰ্শ আগবঢ়াইছে আৰু যিবিলাক মাটি পট্টন দিবৰ কাৰণে পৰামৰ্শ দিছে সিমান মাটি আমাৰ নাই। অসমৰ মানুহক মাটি দিবলৈ হলে ৬০ লাখ বিঘা মাটি লাগিব।

Shri Promode Chandra Gogoi : তেখেতে পৰামৰ্শ দিছে নে Debate ৰ reply দিছে ?

Shri Jogen Saikia—অধ্যক্ষ মহোদয়, মই পৰামৰ্শহে আগবঢ়াব খুজিছো।

Shri Dulal Chandra Barua — মাননীয় সদস্যই ভুল বুজিছে। তেখেতক আমি কবলৈ বাধা দিয়া নাই। তেওঁলোকেই মাটিৰ মুৰব্বী। কিন্তু দুখীয়া শ্ৰেণীয়ে কি কয় সেইটো শুনিলেহে ভাল হব নেকি ?

Shri Jogen Saikia— অসমৰ মাটিহীন মানুহক মাটি দিবলৈ হলে সিমান মাটি অসমত নাই।

Shri Keho Ram Hazarika— পৰামৰ্শ আগবঢ়াবলৈহে কথা আছিল। কিন্তু তেখেতে Debate আৰম্ভ কৰিছে।

Mr. Speaker— ইয়াত আগতেও কোৱা হৈছে যে এইটো এটা impor-

tant Subject। গতিকে সকলো মিলি সমস্যা সমাধানৰহে পৰামৰ্শ আগ-বঢ়াব লাগে।

Shri Jogen Saikia – চাৰ, আকাশত উৰি ফুৰিলে নহব। মাটি সমস্যাটো আকাশ কুসুম নহয়।

Shri Atul Chandra Goswami— মাননীয় সদস্যই আকাশ কুসুম বুলি কেছে, তেখেতেনো কি বাস্তৱ পৰামৰ্শ দিব খুজিছে দিয়ক।

(Noise)

Shri Hiralal Patwary— মাননীয় সদস্যই যে এই বিষয়ে পৰামৰ্শ আগবঢ়াব খুজিছে তেখেতে জানো কেতিয়াবা হালবাই পাইছে ?

Shri Jogen Saikia— হালবাই উঠি মই ১০ মাইল দূৰৰ স্কুললৈ অহা-যোৱা কৰিছিলো।

(Noise)

Mr. Speaker— Let him say, we should not break the trend of his Speech

Shri Dulal Chandra Barua – চাৰ, এই ধৰণে কথা-বতৰা হৈ থাকিলে আমাৰ প্ৰস্তাৱটো আলোচনাৰ উদ্দেশ্য নষ্ট হব।

(A voice — মাননীয় সদস্যই পৰামৰ্শ দিব লাগে, কথা ক'লে নহব)

Mr. Speakcr— Order, Order, Please.

Shri Jogen Saikia — আজি এনেকুৱা এটা ধাৰণাৰ সৃষ্টি কৰিব খুজিছে যে অসমত বহুতো মাটি আছে কিন্তু চৰকাৰে দিব খোজা নাই। এই কথা সত্য নহয়।

(Loud noise)

Shri Phani Bora : Mr. Speaker Sir, In this House nobody has sought to create the impression that anybody and everybody of India can be settled here in Assam and the hon. Member need not try to Provoke the

Members of this side of the House by bringing this kind of unfounded allegation against the Members of the Opposition.

Shri Dulal Chandra Barua : Sir, this is not the intention of this side or that side of the House to create any confusion. Our whole intention was how best we can solve our economic and basic problems of the State. But if this sort of individual attacks in this way and that way, is made, it will not solve the problems. Members of this side of the House are not here only to create some sort of confusion in the minds of the people and to agitate the people. We are also concerned with the basic problems of the State. What the other side of this House speaks is not the gospel truth.

Mr. Speaker : In my statement made yesterday it was indicated that only suggestions should be given. Therefore, I would request the hon. Members to put forward their suggestions only.

Shri Jogen Saikia—মাক এটা কথা কব খুজিছো যে এনেকুৱা এটা ধাৰণাৰ যদি সৃষ্টি কৰিব খোজা হয় যে আমাৰ চৰকাৰে ভূমি বিতৰণৰ কথা ভবা নাই। মই আগৰ চৰকাৰৰ কথা কোৱা নাই। মই এই চৰকাৰৰ ৰাজহমন্ত্ৰীক ভূমিহীন সম্পৰ্কীয় বিষয়ত ধন্যবাদ দিব লাগিব আৰু সকলোৱে দিব লাগিব।

Shri Promode Chandra Gogoi - অধ্যক্ষ মহোদয় on a point of order আপুনি যিটো Ruling দিছিল যে এই আলোচনা সংক্ৰান্তত

যিসকলে অংশ গ্ৰহণ কৰিব তেওঁলোকে বিষয়টোকলৈ বিতৰ্ক নকৰি মাত্ৰ পৰামৰ্শহে আগবঢ়াব—

Shri Atul Chandra Goswami— চাৰ, point of order ক'লে অন্যজন বহিব লাগে কিন্তু তেখেত বহা নাই।

Shri Promode Chandra Gogoi : অধ্যক্ষ মহোদয় on a point of order মই কব খুজিছো যে এই বিষয়টোক আলোচনা প্ৰসঙ্গত আপুনি যিটো Ruling দিছিল যে যিসকলে এই আলোচনাত অংশ গ্ৰহণ কৰিব তেখেত সকলে নিৰ্দিষ্ট পৰামৰ্শহে দিব। আমাৰ পক্ষৰ পৰা কোনেওঁ বক্তৃতাৰ অৱতাৰণা কৰা নাই। অথবা মাননীয় সদস্য শ্ৰীশইকীয়া ডাঙৰীয়াই যি বক্তৃতা আৰম্ভ কৰিছে তাৰ দ্বাৰাই অপোনাৰ Ruling Vliolate কৰিছে। ইয়াৰ দ্বাৰাই তেন্তে পৰামৰ্শৰ ঠাইত তেল দিয়াৰ হে আৰম্ভ কৰিছে।

Shri Phani Bora This was not in existence but there was consultation or general discussion ... ... ........

Mr. Speaker—Now the procedure is if any hon. Member speaks he should not be interrupted and by that we can avoid inconvenience, interruption and confusion

Shri Phani Bora — Mr. Speaker, Sir, will you please allow me to clearify the position ? We are not blaming the Govt and it was decided that nobody can bring any allegation. We did not blame the Govt. Now, the hon. Memer is saying we have accused the Govt. We are not accusing the Govt or making out a case. If the hon. Member goes the same way, we will interrupt.

Shri Jogen Saikia— মাননীয় অধ্যক্ষ মহোদয়, অসমত যি ভূমিনীতি গ্ৰহণ কৰিছে তাৰ কোনো অগ্ৰগতি আমি আজিলৈকে দেখা পোৱা নাই। মোৰ ধাৰণা হৈছে আৰু যিবিলাক সমালোচনা কৰা হৈছে সেইবিলাক কাৰ্য্য-

কৰী কৰাৰ ক্ষেত্ৰত আমি যিমান ক্ষিপ্ৰভাৱে আগবাঢ়িব লাগিছিল সিমান ক্ষিপ্ৰভাৱে আগবাঢ়িব পৰা নাই। ভূমিনীতিৰ মূল কথা দুটা। এই দুয়োটা কথাকেই আলোচনা কৰা হৈছে।

আজি যিবিলাক আমাৰ ৰিজাৰ্ভ আছে সেইবিলাক খুলি দি তাত V. G. R. আৰু P. G. R. ৰ ৰক্ষাৰ ব্যৱস্থা কৰিব লাগে। Forest Reserve বিলাকৰ ক্ষেত্ৰত যি কামকেই নকৰক তাক পৰিকল্পিত ভাবে কৰিব লাগে। অৱশ্যে মই ভাবো এই কথাত কাৰো দ্বিমত নাই।

আমাৰ অসমৰ Geography কাৰণে আৰু Forography পৰিবৰ্ত্তন দ্ৰুতভাবে হোৱা নাই। আৰু যাতে ভৱিষ্যতে জলবায়ুৰ পৰিবৰ্ত্তন নহয়, আৰু বানপানী, গৰাখহনীয়া নহয় এই বিলাক সিদ্ধান্ত নোহোৱাকৈ অসমৰ Forest Reserve খুলি দিলে অসমৰ কাৰণে এটা ডাঙৰ অন্যায় হব পাৰে। অসমত বানপানী হোৱাৰ কাৰণে অকল যে খেতিয়ক সকলেই ক্ষতিগ্ৰস্ত হৈছে এনে নহয় অন্যান্য লোকো ক্ষতিগ্ৰস্ত হৈছে। গতিকে যদি Deforestration কৰে, তেনেহলে আকৌ কিছুমান মানুহৰ অন্যায়হে কৰা হব। তাৰ দ্বাৰা কিছুমান মানুহক মাটি দিয়া হব যদিও কিছুমান মানুহক মাটি দিব পৰা নহব। এইবিলাক কথাত যাতে ভুল নহয় সেইটো ভালদৰে চাব লাগিব।

আমাৰ এটা সমস্যা আছে আমাৰ যিবিলাক ৰিজাৰ্ভ আছে সেই বিলাকত কিমান পৰিমানে মাটি দিব পাৰি সেই বিষয়ে এটা জৰিপ হব লাগে। সেইটোত চৰকাৰৰ আপত্তি থাকিব নোৱাৰে। আমাৰ ইয়াত যি বিলাকৰ মাটি নাই বা কাৰোবাৰ অলপ মাটি আছে, কোনোবা গৰাখহনীয়াত প্ৰপিড়ীত আৰু কোনোবা বানপানীত বিধ্বস্ত এই সকলো বিলাক এটা উচ্চক্ষমতা সম্পন্ন কমিটিৰ জৰিয়তে অনুসন্ধান নকৰিলে এই সমস্যাৰ সমাধান নহয়। আৰু এইটো এটা Limited period ৰ ভিতৰত অৰ্থাৎ ২/৩ মাহৰ ভিতৰত কৰিব লাগিব। আৰু ইয়াৰ কাৰণে পৰিকল্পিত ভাবে কৰিবলৈ হ'লে এখন তালিকা কৰিব লাগিব। সেই উদ্দেশ্যে প্ৰত্যেক মৌজাত

শ্ৰী বৰা ডাঙৰীয়াই কোৱাৰ দৰে গাৱেঁ গাৱেঁ গৈ মানুহৰ নামৰ তালিকা আৰু মাটিৰ পৰিমাণৰ তালিকা কৰিব লাগিব। আৰু priority ৰ ক্ষেত্ৰত কাক প্ৰথমতে দিব কাক পাচত দিব সেইবিলাক ভালদৰে বিচাৰ কৰি চাব লাগিব। মই ভাবো যিবিলাক বানপানীৰ কাৰণে মাটিহীন হৈছে, যিবিলাক গৰাখহনীয়াৰ কাৰণে মাটিহীন হৈছে সেইসকলক প্ৰথম Category ত ধৰিব লাগে। আৰু যিবিলাক মানুহৰ উপযুক্ত খেতিৰ মাটি নাই আৰু যিবিলাকে আধিয়াৰ কৰি খায় সেই সকলক দ্বিতীয় স্থান দিব লাগিব। অৱশ্যে আধিয়াৰ হিচাপে খায় থকা সকলে কিছুমান Right পায়।

ইয়াত এটা কথা উঠিব পাৰে সেইটো হৈছে উচ্ছেদৰ কথা। অৱশ্যে এই কথাত শ্ৰী বৰা ডাঙৰীয়াই সমালোচনা নকৰে কিন্তু তেখেতৰ নিচিনা আন কিছুমানে জানো সমালোচনা নকৰাকৈ থাকিব? কিন্তু ইয়াতে এটা কথা আছে যে উচ্ছেদৰ কথা শুনিলে ভয় খাবৰ কোনো কাৰণ নাথাকে, তেখেতে কৈছে যে যিসকলে মাটি থকা স্বত্বেও বেদখল কৰিছে, যিবিলাকৰ হাল গৰু আছে তেখেত সকলেও বেদখল কৰিছে আৰু যি সকলৰ উপযুক্ত খেতিৰ মাটি নাই সেই সকলেও বেদখল কৰিছে। কিন্তু যাৰ মাটি আছে হাল, গৰু আছে সেই সকলে বেদখলকাৰীক উচ্ছেদ কৰিব লাগে। কিন্তু যিসকল লোক বানপানী গৰাখহনীয়াত বিধ্বস্ত সেইসকলক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। যিবিলাকৰ ৫/১০ বিঘা মাটি আছে সেইবিলাকক মাটি দিব নালাগে। কিন্তু সমূলি মাটিহীন মানুহক মাটি দিব লাগে। সেই কাৰণে চাব লাগিব কোনে বেদখল কৰিছে, মই আৰু তাৰ ভিতৰত কাক কাক মাটি দিব পৰা যায়; সেইটো বিবেচনা কৰিব লাগিব। যিবিলাক মানুহৰ সমূলি মাটি নাই নদীয়ে খহোৱাত মাটিহীন হৈছে যিবিলাকৰ থাকিবলৈ ঘৰ নাই আনকি ভেটিটোও নাই সেই সকলক প্ৰথম স্থান দিব লাগিব। কিন্তু যদি ৪/৫ বিঘা মাটি থকা স্বত্বেও বেদখল কৰে তেনেহলে তেওঁলোকক মাটি নিদি উচ্ছেদ কৰিব লাগে। মাটিহীন মানুহক মাটি দিবলৈ হলে সকলো-বিলাক কাম পৰিকল্পিত ভাৱে কৰিব লাগে। তাকে নকৰিলে মাটি নাপাব-লগীয়াই পাব আৰু প্ৰকৃত মাটি পাবলগীয়া মানুহে নাপাব। চাহ বাগানৰ

১:২ Formular যিটো Revew আগবঢ়োৱা হৈছে, সেইটোৰ বিষয়ে মই চৰকাৰৰ ওচৰত কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। ১:২ Formula টো এনেকৈ Revew কৰিব লাগে যাৰ দ্বাৰা, যিবিলাক মাটিত চাহ খেতি নহয় সেইবিলাক বেলেগ মানুহক পট্টা দিব পাৰে। কিছুমান চাহ বাগানত Special cultivation ৰ কাৰণে মাটি দিয়া হৈছে; কিন্তু তেওঁলোকে সেই Special cultivation ৰ কাৰণে দিয়া মাটিবিলাক কোনোবা খেতিয়কক বিক্ৰী কৰিছে বা কোনো Industry ক বা বজাৰত বিক্ৰী কৰিছে। এই মাটিবিলাক বিতৰণ কৰিবৰ কাৰণে ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত এটা উচ্চ ক্ষমতা সম্পন্ন কমিটি গঠন কৰিব লাগে। মহকুমা বিলাকত যিবিলাক Land Settlement Advisory Committee আছে সেইটো Discussion খোৱামহে হৈছে কামত একো হোৱা নাই। এনেকুৱা উচ্চক্ষমতা সম্পন্ন কমিটি কৰিব লাগে যাৰ দ্বাৰা ১ মাহ ২ মাহ বা ৩ মাহৰ ভিতৰতে কাম সমাধা হব পাৰে। এটা মহকুমাত মাটি অন্য মহকুমাৰ মানুহে পাব নোৱাৰা এই Local feeling তো থাকিব নালাগে। এইটো গোটেই অসমৰ সমস্যা হিচাপে ধৰি লৈ স্থানীয় স্বাৰ্থকে ধৰি লব নালাগিব। এই কথাটো বিবেচনা কৰিবৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিছো। যিটো Tenancy সম্বন্ধে আইন আছে বা যিবিলাকে ১০ বছৰ, ১২ বছৰ বা ২০ বা ৩০ বছৰ ধৰি খেতি কৰি আছে, Growmore food Campaign ৰ নামত খেতিয়ক সকলক উচ্ছেদ কৰিছে— সেইটো যাতে হব নোৱাৰে তাৰ কাৰণে চৰকাৰে ব্যৱস্থা লব লাগে। চাহ বাগানক Special cultivation ৰ কাৰণে যিবিলাক মাটি দিয়া হৈছে সেইবিলাক অধিগ্ৰহণ কৰি ক্ষিপ্ৰ গতিত খেতিয়কৰ মাজত বিতৰণ কৰি দিলে তেওঁলোকৰ সমস্যা কিছু সমাধান হব পাৰিব। এটা নিৰ্দিষ্ট সময়ত Target Date Fix কৰিব লাগে। মই কওঁ যে, চৰকাৰৰ এনে কোনো নীতি নাই। চৰকাৰৰ এনেকুৱা নীতি আছে আৰু এই বিষয়ে Circular ত দিছে কিন্তু অফিচৰ ফাইলৰ মেৰপাকত সেইবোৰ সোমায়ে আছে।

কোনো কোনো ক্ষেত্ৰত চৰকাৰে কিছু লোকক মাটি দিছে কিন্তু

অফিচাৰ সকলৰ হেমাহিত সেইটো কাৰ্য্যকৰী হৈ উঠা নাই। চৰকাৰৰ ফালৰ পৰা ক্ষমতাসম্পন্ন মন্ত্ৰী সকলৰ ভিতৰৰ পৰা এটা কমিটি গঠন কৰি এই সমস্যা এনে ধৰণে সমাধান কৰিব লাগে যাতে পুনৰ এই বিষয়ৰ অৱতাৰণা কৰিব লগা নহয়। ৰাজহ মন্ত্ৰীয়ে এই পৰামৰ্শ দিবৰ কাৰণে এই সদনত সুবিধা দিয়াৰ কাৰণে মই ৰাজহ মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Not is 3.30 P.M. I think we should proceed in a business-like manner. I think we should fix upto 4 P.M., for debate and leave half an hour for the Minister's reply.

Shri Hiralal Patwary : Sir, I think you should allow three minutes each to the hon. Members wishing to speak., This is a very important matter and I think many Hon. Members would want to speak. I would suggest that we sit upto 5.30 today so that the Government may get benefit by hearing the hon. Members.

Shri Mahendra Mohan Choudhury, ( Minister, Revenue) : Sir, we have no objection to prolong the discussion on the subject but as you have said we should proceed in a business-like manner. Therefore, if the hon. Members want to advance any more suggestion then I think the House can be prolonged. I shall not take a very long time in my reply; I shall be very brief. I may finish within 10 minutes.

Shri Hiralal Patwary : The hon. Minister may not take a long time in his reply but I think the Ministers sho-

uld know the minds of the hon. Members and it will be useful if we sit upto 5.30 P.M. today so that the hon. Members can express their opinion.

Mr. Speaker: Mr. Barua.

(At 3.29 P.M. Mr. Speaker left the Chamber and Mr. Dy. Speaker took the Chair)

*Shri Dulal Chandra Barua: Mr. Speaker, Sir, this is a very important subject which we are to deal to-day and to create a congenial atmosphere this motion has been moved by the Government side and we also wish to participate in it. It is a very vital problem and many of the Hon'ble Members have said that this should be done immediately and all the land settlement problems will be solved in a day or two or within a week or two but I feel that it is not so. It should be done througha process of evolution, that means, through our experience. We have seen that though the land policy have been adopted by the Government from time to time, it has not become vary effective because of two reasons: No. 1 is, a part from the suggestions that have been made by the Hon'ble Members of the both sides of the House, we must see the other aspect also.

Whatever suggestions and recommendations we may make unless these are implemented in a proper way there cannot be success in respect of solving the land problem.

* Speech not Corrected

Therefore, my first and foremost suggestion is that the Revenue Department should be geared up from top to bottom In what way it should be done will be examined by the Committee. Number (2) who is landless and to what extent a man has got to be termed as landless that is to be finalised by the Committee. Number (3) as has been suggested by the Hon'ble member Shri Jogen saikia,till to-day we have not got the real picture of the number of landless people. Landless people are there in various forms viz (1) landless by eorsion, (2) landless from the beginning and (3) some are landless due to acquisition and requisition of land for the defence and other purposes. Therefore, my suggestion is that a thorough survey has to be made district wise and sub-division wise. For this purpose the Circle Officer should be entrusted and to help him the land Settlement Advisry Board should form Circle Committee to make survey and the nature of the landless people. More so. we are to find out the area of land available for settlement. For that purpose, without going to other Committees my suggestion is that the Land Settlement Advisory Board in the Districts and Sub-Divisional level be asked to constitute a few sub-committees. Sub-committee for forest to find out the forest land, Sub Committee for tea garden land and Sub-Committee for other waste land and Land Settlement Advisory Board should be entrusted to find out the real number of landless people

with the help of the Sub-Committees and Circle Committees. We are to see another thing Sir, it is becoming chronic on the part of the Government to acquire and requisition land very frequently. We see that the Acquisitin and Requisitin Act is used very sparingly, without proper verification and without considering the after affect. Therefore, my suggestion is that the acquisition and requisition of cultivable land even for the defence purpose should be stopped forthwith. Now it has been pointed by pointed out from the Government side that the Land Settlement Advisory Board of Jorhat wanted to shift the Army Headquarters from Jorhat to some other forest land near Mariani. Instead of that they have acquired cultivable land in and around Jorhat town and by doing that they had made the maximum number of people landless. There should be clear cut policy by the Government in consultation with the Government of India so that there is no such reckless acquisition and requisition of land for dfence purpose rendering the people homeless and landless. I agree with the suggestion that has been made by many of the Hon'ble members that there should a Special Committee. Because the Committee constituted by the Hon'ble Speaker will not be able to go into the details of the whole matter. Because it will not be possible for the Land Setlement Advisory Committee to enquire into the matter and submit facts and figures about the tea garden land. In

this connection I suggest that the formula of 1:2 should be changed to 1:1. This is a very delicate issue and the entire force entire energy of the machinary should be applied. In making the tea garden land abailable to the landless peaple we have excluded the tea garden labourers. Tea garden land ought to have been made available to the landless people of tea gardens. Frist priority should be given to these people.

Now in respect of Adhiar Act, Government has in page 74 ( Committee on Government Assurances-Fifteenth Report ) said "Certain beneficial provisions of the Adhiar protection Act,may, if necessary, be repealed." Sir, that is to be done immediatly. Beause, Adhiar protection Act is there only in name; neither it his given any benefit to the trenants nor has it given any benifits to the owners and consequent on this, there is a huge number of case pending in the Courts. Apart from this fact, at the time of survey we are to see whether Government has given anything to the Co-operative Department. This has to be scrutinised carefully. Co-operative farming is good and this has to be encouraged but not at the cost of peasants. I have already said that we are following the legacy of British regime in respect of Land Revenue Manual. That has to be made up-to-date in conformity with our present social conditions.

Now, about the cealing, we find that government

propose to fix the cealing of land holding by an individual from 150 bighas to 100 bighas. Our view point is that it should not be more than 60 bighas.

Now apart from this I want make to more suggestions. It is very clear that although the Government has abolished the zamindary system, in practice zamindary system is still in force in Cachar and Goalpara districts. That has to be seen. Now as stated by the Hon'ble member Shri Saikia that we may make land available in one Sub-Division. But if any people come other areas, as for instance, an acute land problem is going in the district of Goalpara and the people are coming to other areas, it may not be possible to accommodate them in that Sub-Division. There is another controvertial matter and that is with regard to Tribal Belts and Blocks. Government should adopt a strong policy in this regard. If they are to retain the Tribal Belts and Blocks that has to be maintained at all costs.

Mr.Deputy Speaker — What is your suggestion in this regard ?

Shri Dulal Chandra Barua—Sir, Government has made a mistake in the beginning. Because it has created certain dissension in the minds of the people. For the protection of the poor people belonging to the Tribal communities the Blocks and Belts should be maintained. As we have discussed earlier, in the name of

Tribal Belts and Blocks no non-Tribals should be given settlement there.

Suppose in a particular belt or block there are 100 numbers of people to be re-habilitated and after re-habilitating these people if another 30 or 5o landless indigenous people are accommodated, I think my tribal brothers with not object to it which will create a congenial atmosphere. Sir, my last suggestion is that Government should thake immediate steps to prevent people from encroaching lands within the tribal belts and blocks. I have found that in the North Bank specially in North Lakhimpur and Dhemaji the entire tribal belts and blocks have been occupied by non-tribals and by people who are not even from this State. I have also seen that the lands by the side of the Railway line from Rangiya to Silapathar have been occupied by people from Rangiya to Silapapaihar have been occupied by people from outside the State When we are not in a position to feed our people .......

Mr. Deputy Speaker—They are people of which place ?

Shri Dulal Chandra Barua -They are from Bihar, Nepal and some elements from Pakistan also who claim themselves to be refugees. Sir, we have a duty to accommodate the real refugees. But we should not encourage whose people who come from Pakistan under this

or that plea in the name of refugees. The question of accommodating refugees is a delicate question and it should be examined very carefully because it is seen that in the name of refugees there is an onrush of people from that side of the border. If we allow this process to go on unchecked, a time will come when the entire people of Assam will be extinct. Sir, these are my suggestions. This is not a problem which could be solved in a day or two. It is a continuous process. Now it is just the start process, and I hope under the able guidance of the Committee and the Government leaders the people of the Commeittee and the Government leaders the people of our own State will be able to live and to earn their livelihood.

Shri Pitsing Konwar— উপাধ্যক্ষ মহোদয়, আজি আমাৰ বিশেষকৈ ভূমিহীন কৃষকসকলক মাটি দিয়াৰ যিটো আলোচনা চলিছে সেইটো সময়োপযোগী হৈছে। আৰু সেই ক্ষেত্ৰত মই এটা কথাই কব খুজিছো যে এইটো অলপ liberal হব লাগে আৰু উদাৰ মনোভাৱ লৈ মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। সেই কাৰণে মই প্ৰথমেই কৈছো যে ইয়াৰ কাৰণে Mental Preparation ৰ প্ৰয়োজন। দ্বিতীয়তে কিমান মাটি দিব পাৰিব আৰু কেনে ধৰণৰ আৰু কেনেকুৱা ঠাইত দিব পৰা যাব সেইটো চিন্তা কৰিবলগীয়া কথা। আমাৰ D. F. O. বিলাকক এই বিষয়ে যেতিয়া কওঁ যে, মাটি ৰিজাৰ্ভৰ পৰা খাচ কৰিবৰ বাবে Recommend কৰি নিদিয়ে কিয় - তেতিয়া তেওঁলোকে কয় যে মাটি Recommend আমি কৰি দিব নোৱাৰো মিনিষ্টাৰেহে পাৰে। Forest ৰ কিছুমান rule আছে। সেই কাৰণে তেওঁলোকে মিনিষ্টাৰৰ ওচৰলৈ যাবলৈ কয়। মিনিষ্টাৰৰ ওচৰলৈ গ'লে তেওঁলোকে কয়

যে গছ ৰুবলৈ মাটি লাগে। আমাৰ অন্তত: Land Settlement policy তো effective হব লাগে, নহলে কিছুমান ঠাইত বেদখল হয়। ৫/৬/৭ বছৰ ধৰি কিছুমান মানুহে Reserve ত মাটি খুলি দিয়াৰ সময়ত মাটি পাবৰ কাৰণে দৰখাস্ত দিয়ে। কিন্তু পাছত দেখা যায় যে, দৰখাস্ত দিয়া মানুহে মাটি নাপায় আৰু দৰ্খাস্ত নিদিয়াই মাটি পায়। সেই কাৰণে মাটি দিয়া Policy টো effective আৰু propel হব লাগে। আমাৰ মিৰি সমাজৰ কোনো কোনো পৰিয়ালত ১২০ জন পৰ্য্যন্ত মানুহ আছে—এই পৰিয়াল বিলাকক ১০ বিঘাকৈ মাটি দিলে সেই মাটি তেওঁলোকৰ কাৰণে যথেষ্ট নহব। গতিকে family unit টো পৰিষ্কাৰ হব লাগে।

Shri Mahendra Mohan Choudhury— কেনে ধৰণৰ মানুহক মাটি দিয়া হব সেইটো ঠিক কৰা হৈছে। এটা পৰিয়ালৰ গিৰিয়েক-ঘৈণীয়েক বিয়া নিদিয়া ছোৱালী লৈ এটা পৰিয়াল বুলি ধৰি ১০ বিঘাকৈ মাটি দিয়া হব।

Shri Pitsing Konwar— এই কামবিলাক ঠিক হোৱা নাই কাৰণেহে এইটো মই কব লগা হৈছে। আমাৰ মাননীয় সদস্য শ্ৰীকেহুৰাম হাজৰিকাই এম, এল, এ, সকলক লৈ এটা কমিটি হব লাগে বুলি পৰামৰ্শ দিছে। আগতে অকল এম, এল, এ, সকলক লৈ কমিটি বিলাক হৈছিল। এইবাৰহে বেলেগ বেলেগ মানুহ লৈ এই কমিটি কৰিছে। ইয়াৰ ভিতৰত পঞ্চায়তৰ মানুহ আৰু আন আন মানুহো অন্তৰ্ভূক্ত হৈছে।

পতিত মাটিৰ বন্দোবস্তি ক্ষেত্ৰতো আমাৰ চৰকাৰে বিশেষ ধৰণৰ ব্যৱস্থা কৰা উচিত। আজি বহুদিন ধৰি কিছুমান পতিত চৰকাৰী মাটি বন্দোবস্তি পাবৰ বাবে কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰিছে কিন্তু এই আবেদন বা দৰ্খাস্তবোৰ মঞ্জুৰী নকৰাৰ মূলতে হৈছে যে যদি এটা দাগত ১০ বিঘাৰ অধিক মাটি থাকে তেনেহলে সেই মাটি দৰখাস্তকাৰী সকলক মাটি কমিটিয়ে বন্দোবস্তি দিব পাৰে। বৰ্ত্তমানে এনে ধৰণৰ দৰখাস্ত উল্লেখ কৰা দাগৰ হাজাৰ হাজাৰ আছে। এনেস্থলত মাটি উপদেষ্টা কমিটিয়ে সকলো আপত্তি কম সময়ৰ ভিতৰতে নিস্পত্তি কৰাটো সম্ভৱপৰ হয়। গতিকে এনে

ধৰণৰ ভূমি সংক্ৰান্ত বিষয়বোৰৰ নিস্পত্তিৰ কাৰণে প্ৰত্যেক চাৰ্কোলতে আঞ্চলিক এম, এল, এ, আৰু তুই এজন ব্যক্তিক লৈ এচ, ডি, চি, সহ একোখন কমিটি কৰি দিব লাগে। ট্ৰাইবেল বেল্ট বা ব্লকৰ ভিতৰত বহুতো খেতিৰ উপযোগী মাটি আছে বুলি আমাৰ বহুতো মাননীয় সদস্যই কৈছে। কিন্তু প্ৰকৃততে ট্ৰাইবেল বেল্ট বা ব্লকত নাই, কাৰণ এই ট্ৰাইবেল ব্লকত খেতিৰ মাটিতকৈ Reserve ৰ মাত্ৰাহে বেছি। মই জনাত বেছিভাগ ট্ৰাইবেল বেল্টতে Forest বা P. G. R. ৰে ভৰপূৰ। সেই কাৰণে ট্ৰাইবেল বা অনুসূচীত জাতিৰ লোকে আজিলৈকে মাটি পোৱা নাই–যি অলপ মাটি আছে সেইবিলাক অতিসোনকালে ট্ৰাইবেল বা অনুসূচীত জাতিৰ লোকক দিব লাগে। কিছুমান অনা ট্ৰাইবেল মানুহে ট্ৰাইবেল বেল্টৰ ভিতৰত মাটি বন্দোবস্তি নোপোৱাৰ কাৰণে দুখ প্ৰকাশ কৰে বা মনতে অসন্তুষ্টিৰ ভাব প্ৰকাশ কৰে। প্ৰকৃত পক্ষে তেনেভাৱ পোষণ কৰাটো কোনো অস্বাভাৱিক কথা নহয়, যিহেতু ট্ৰাইবেল বেল্ট বা ব্লকৰ ভিতৰত ট্ৰাইবেল বা অনুসূচীত জাতিৰ লোকক আজিলৈকে মাটি দিয়া নাই। অথচ অসমৰ বাহিৰত বেল্ট বা ব্লকৰ বাহিৰত বহুতো মানুহে বেল্টৰ মাটি বে-দখল কৰি বন্দোবস্তি পোৱাৰ সুবিধা কৰি গৈছে। মই ভাবো তেনে ধৰণৰ বে-দখল লোৱাৰ আগতে ট্ৰাইবেল বা অনুসূচীত জাতিৰ লোকসকলক ব্লকৰ মাটিবোৰত বন্দোবস্তি দিব লাগে। যেতিয়া ট্ৰাইবেল মানুহে বা অনুসূচীত জাতিৰ ভূমিহীন লোকক বেল্ট বা ব্লকৰ ভিতৰত মাটি নিদি সেই মাটি Unprotected Class ৰ মানুহক দিয়া হয়, তেতিয়া তেওঁলোক অসন্তুষ্ট হোৱা স্বাভাবিক। কিন্তু Tribal area ৰ মাটি এতিয়ালৈকে দিয়া হোৱা নাই। Tribal মানুহকো নিদিয়ে আমাকো নিদিয়ে। অথচ ৰিফিউজি আহি বে-দখল কৰিছে। সেইকাৰণে Tribal belt ত অন্ততঃ প্ৰকৃতপক্ষে যিবিলাকক মাটি দিব পাৰে সেইবিলাক মাটি Reserve কৰি ৰাখিব নালাগে। কাৰণ এতিয়াও বহুত মাটি Reserve কৰি ৰখা হৈছে অথচ বিতৰণ কৰা হোৱা নাই। Forest ত মাটি লাগে বুলিমানুহৰ পৰা মিনিষ্টাৰে বহুতো দৰখাস্ত পাইছে। গতিকে সেই দৰখাস্তকাৰী সকলক যাতে মাটিৰ কিবা এটা ব্যৱস্থা কৰি দিয়ে তাৰবাবে অনুৰোধ জনালো।

মাটি দিয়াৰ ক্ষেত্ৰত অলপ liberal হোৱা বাঞ্ছনীয়। এই পৰামৰ্শকে আগবঢ়াই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Kandarpa Narayan Banikya : Mr. Deputy Speaker, Sir, the present policy of l nd settlement in the district of Goalpara is like a cup of milk adulterated with morphia. Sir, I being the son of the soil I feel for all the people of Assam who are landless, starving and deserving, yet, Sir, the land settlement of our district is the most burning problem. Our Revenue Minister is our neighbour, I, therefore, need not repeat the problem as he knows every nook and corner of our district. Sir, I do not want to explain the preamble but I am only giving some suggestions. Sir, in our district there are so many people who have been eroded by floods ; they have lost their hearth and homes, they have lost their cattle and they have even lost their children. So, my request to the Government is that Government should give top priority to these people who have lost their hearth and homes due to erosion by floods every year. Again Sir, due to recurrence of floods every year, the most fertile fields have been covered by sand. So, my request to the Hon'ble Minister is that he should see to this so that the fertile top soil can be retained and the sand should be removed. For this all possible measures should be taken by the Government.

Sir, with regard to V. G. Rs. I have something

to say. As a matter of fact, no member mentioned about the V. G. Rs. These V. G. Rs. are sandy and less grass can grow there than what is required for the cattle. So. my suggestion is that some parts of the V. G. Rs. should be given settlement for only one year so that fresh and new grass can grow for the betterment of the cattle. Sir, the major portion of our district was under the zamindars, and when Government took possession of the acquired estate, it is a matter of great regret that the Government did not consult with the officers of the Zamindaris in order to give settlement peacefully. As a matter of fact, thousands or lakhs of bighas of land which were under 'Touzi' have now become 'khas'. So, Government should extend more time for this... . ......

Mr. Deputy Speaker - I think quorum is alright.

Shri Kandarpa Narayan Banikya- Sir, the lands which were enjoyed by the people for centuries which were under 'touzi' system should be given settlement to the people without any further delay otherwise a great revolution is impending from the district of Goalpara. There should not be two policies—the present policy of the Govt. to give settlement of land to the people should be in conformity with the G.T. Act and the G.T. Act should be honoured and must be maintained as this is the request of about 20 lakhs of people of

Goalpara Again, I repeat that our Revenue Minister, being our neighbour, knows our troubles and woes and if he takes a quick decision, I think this revolution will never take place.

Shri Atul Chandra Goswami— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্য-খনৰ আটাইতকৈ গুৰুত্বপূর্ণ সমস্যাটো সমাধানৰ কল্পে অধ্যক্ষ মহোদয়ে এখন কমিটি পাতি দি ভূমি সমস্যা সমাধানৰ যি ইঙ্গিত দিছে তাৰ বাবে তেখেত ধন্যবাদৰ পাত্ৰ। কিন্তু কমিটি এখন পাতি দিলেই যদি ভূমি পট্টন নীতিৰ সকলো সমস্যা সমাধান হলহেঁতেন তেনেহলে ভূমি পট্টন নীতিৰ ( ১৯৬৮ চন ) সম্পৰ্কীয় পুস্তিকাখন প্ৰকাশ হোৱাৰ পিচতেই ভূমি সম্পৰ্কীয় আৰু কোনো সমস্যা নাথাকিলহেঁতেন। ভূমি সমস্যা সমাধানৰ ক্ষেত্ৰত আমি যদি সামন্ত-বাদী নীতি পৰিত্যাগ কৰিম বুলি সাহসেৰে ওলাই আহো তেনেহলে আমি ভূমি সমস্যা সমাধান কৰিব পাৰিম। কিন্তু চৰকাৰে সমাজবাদ নীতিৰ মুখা পিন্ধি আমাৰ দেশখনৰ আধিয়াৰ আৰু মহাজন সকলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে আধিয়াৰ আইন কৰি দিছে। ভূমি নীতি ক্ষেত্ৰত এই আধিয়াৰ আৰু মহা-জনৰ সংৰক্ষণ যিমান দিনলৈকে থাকিব আৰু সেই মৰ্মে যিমানেই আইন নকৰক প্ৰকৃত খেতিয়ক সকলৰ কোনো উপকাৰ নহব। সেই কাৰণে চৰকাৰৰ ভূমি পট্টন নীতি সম্পৰ্কত এটা পৰিষ্কাৰ ঘোষণা কৰিব লাগে যাতে যিসকল প্ৰকৃত ভূমিহীন খেতিয়ক সেই সকলেহে মাটি পায় এতিয়া যিবিলাক মাটি বিতৰণ কৰা হৈছে সেই মাটিবিলাক মহাজনসকলৰ এজেণ্টসকলে পাইছে আৰু এই মহাজনৰ এজেণ্টসকলৰ পৰা পুনৰ মাটি উদ্ধাৰ কৰি পুনৰ বিতৰণ কৰিব লাগে। আগতে যিসকল মহাজনে মাটি ঘটিছিল সেইসকল এতিয়া মালিক হিচাবে থাকিব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, V.G.R. P.G.R. আৰু ফৰেষ্ট ৰিজাৰ্ভ যিবিলাক আছে তাৰ মাটি বিতৰণৰ ক্ষেত্ৰত যি আহুকাল হব বুলি ভবা হৈছে সেইটো প্ৰকৃত একো আহুকালৰ কথা নহয়। আমাৰ যি পৰিয়ালৰ গৰু মহ আছে

সেই গৰু মহ চৰণীয়া পথাৰৰ কাৰণে যি পৰিমানৰ মাটি ৰখা হৈছে সেই হুয়োটা হিচাব কৰি কিমান গৰু মহৰ কাৰণে কিমান মাটি লাগে সেইটো চিলিং বান্ধি দিব লাগে। আমাৰ ভাল জাতৰ গৰু কম ৰাখিলেও হয়' বেয়া জাতৰ গৰু বেছিকৈ ৰাখিলেও একো কাম নহব একোটা পৰিয়ালে কিমান বলধ কিমান গাই গৰু ৰাখিব পাৰে তাৰ এটা হিচাব কৰি দিব লগে। তেতিয়াহলেহে এই প্ৰকৃত সমস্যাৰ সমাধান হব নহলে হাজাৰ হাজাৰ কামত নোহোৱা গৰু গাই ৰাখি তাৰ কাৰণে বেছিকৈ V.C.R. P.G.R. ৰখাৰ কোনো আৱশ্যক নাই। গতিকে ভাল জাতৰ গৰু কমকৈ ৰাখি উন্নত ধৰনে খেতি কৰিলে অধিক শস্য উৎপাদন হব।

তাৰ পিছত চাহবাগানৰ পতিত মাটিৰ ১:১ ৰ ঠাইত ১:২ ফৰমূলা কেনেকৈ আহে মই বুজি নাপাওঁ। কিমান মাটিত কিমান শস্য উৎপাদন কৰিব পাৰি সেইটো হিচাব কৰি তাৰ কাৰণে যিমান মাটিৰ প্ৰয়োজন তাতকৈ অধিক মাটি চাহবাগান বিলাকক দিয়াতো পূজিবাদী কথা।

উপাধ্যক্ষ মহোদয়, মই আগতে কৈছো যে প্ৰথমে নীতি নিৰ্দ্ধাৰণ হব লাগিব নহলে প্ৰকৃত কাম নহব। এটা গতানুগতিক কমিটি কৰি দিলে কোনো কাম নহয় বৰঞ্চ দ্ৰুতগামী কামবোৰ৷ পিছুৱাই যায়। গতিকে এই মোচন অনাৰ লগে লগে যদি মোচনৰ লগতে মাটি নীতিৰ পৰিষ্কাৰ ঘোষণা কৰিলেহেতেন তেন্তে ভাল হলহেতেন।

এতিয়া মাটিৰ ক্ষেত্ৰত পৰিয়ালৰ সমস্যালৈ চাওঁক। যদি মানুহৰ সংখ্যালৈ চাই বিয়া কৰোৱা নকৰোৱা আদি তথ্য লৈ মাটি বিতৰণ কৰে তেন্তে বেছি মানুহ থকা পৰিয়ালে বেছি মাটি পাব আৰু যদি সেইটোৱে হয় তেন্তে চৰকাৰে Family Planning ভৰি যাব। গতিকে চৰকাৰে এটা unit কৰক যাতে ৫ জনীয়া এটা পৰিয়ালক যিমান মাটি দিয়া হব আৰু ২০ জনৰ কম হলে কিমান মাটি দিয়া হব এনেকুৱা এটা সিদ্ধান্ত থাকে। ৫ জনীয়া এটা পৰিয়ালে ২০ বিঘাতকৈ কম মাটিৰে চলিব নোৱাৰে এতেকে ২০ বিঘাতকৈ কম হব নালাগে আৰু ৫০ বিঘাতকৈ

বেছি হব নালাগে। গতিকে নিম্নতম ২০ বিঘা আৰু উচ্চতম ৫০ বিঘাৰ ভিতৰত এই uint বিলাক কৰিব লাগে। P.G.R. V.G.R. আৰু Forest Reserver ৰ মাটিবিলাক কাকো ব্যক্তিগত ভাবে পট্টন দিব নালাগে। শিক্ষিত ডেকাসকলে বা শিক্ষিত নিবনুৱা যুৱক যুৱতী সকলে ৫০/৬০ হাজাৰৰ একোটা unit কৰি ভূমি সেনা গঠন কৰিব লাগে।

Shri Sailen Medhi— মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে সদনত বহুকেইজন মাননীয় সদস্যই ভূমি সমস্যা সম্পৰ্কে বহুতো পৰামৰ্শ দিছে, মই মাত্ৰ কেইটামান কথাহে উন্নুকিয়াব খুজিছো। ইতিমধ্যে চৰকাৰৰ তৰফৰ পৰা যিবোৰ আইন, যিবোৰ নীতি লোৱা হৈছিল সেইবোৰ কাৰ্য্যকৰী নোহোৱাৰ ফলত আজি আকৌ চৰকাৰৰ তৰফৰ পৰা আৰু বিৰোধী সদস্যসকলৰ তৰফৰ পৰাও এটা আলোড়ন উঠিছে; এই আলোড়নৰ লগে লগে গোটেই অসমতে যিসকলে ভূমিৰ ওপৰত নিৰ্ভৰ কৰি থাকে, ভূমিৰ ওপৰতে ৰক্ষনা-বেক্ষন সেইসকলৰ পুনৰবসন কৰাটো অত্যন্ত প্ৰয়োজন হৈ উঠিছে। আজি যিসকলে ভূমিৰ ওপৰতে বৰ্ত্তি থাকে সেইসকলৰ কাৰণে ইতিমধ্যে বহুতো আইন প্ৰণয়ন কৰা হৈছে। সেই আইন বিলাকৰ ভিতৰত আধি আইন, চিলিং আইন ইত্যাদি এক্ট সদনত পাচ হৈ গৈছে। কিন্তু আজি দেখা গৈছে সেইবিলাক আইন পাচ হৈ যোৱাৰ পিচতো সেই আইনৰ দ্বাৰা তেওঁবিলাকক ৰক্ষনা-বেক্ষন দিয়া হোৱা নাই। ইতিমধ্যে বাহিৰৰ পৰা নতুন মানুহ অহা কাৰণে, মাটি কমি যোৱা কাৰণে মাটি সমস্যাই ভয়ানক ৰূপে দেখা দিছে। আজি আমাৰ সদস্যসকলে যিবিলাক পৰামৰ্শ দিছে তাৰ ভিতৰত মোৰ কবলগীয়া একো নাই। মই মাত্ৰ সেই পৰামৰ্শ বিলাককে বিবেচনা কৰি কাৰ্য্যকৰী কৰিবলৈ চৰকাৰক অনুৰোধ জনাওঁ। মই কব খুজিছো যে আজি আমাৰ যিবিলাক কমিটি কৰি দিয়া হৈছে সেইবিলাক কিয় কাৰ্য্যকৰী হোৱা নাই? প্ৰকৃত মাটিহীন খেতিয়ক কোন সেইবিলাক তথ্যপাতি লৈ মাটি সমস্যাক সমাধান কৰিবলৈ মাত্ৰ কেইজনমান চৰকাৰী অফিচাৰ নিয়োগ কৰিলেই মাটি সমস্যা সমাধান নহব- মাত্ৰ এটা ডাঙৰ সাঁথৰ হৈহে ৰ'ব।

উপাধ্যক্ষ মহোদয়, আপুনি জানে চিলিং আইন আমাৰ ইয়াতে পাচ হৈ গল। এই আইনমতে ১৫০ বিঘাৰ বেছি মাটি থাকিব নোৱাৰিব। কিন্তু ১৫০ বিঘাৰ বেছি মাটি থকা লোকে লাহেকৈ কব আমাৰ ৫ টা ল'ৰা, মাটিখিনি ৫ জনৰ মাজত ভাগ কৰি দিছো। ১৫০ বিঘা মাটি আছে নে নাই যদি কোনো strict অফিচাৰক চাবলৈ পঠিওৱা হয় কথা নাই, কিন্তু যদি কোনো ভেটি খোৱা অফিচাৰক পঠিওৱা হয় তেন্তে অফিচাৰজনক অলপ পইচা দিলে আৰু লাহেকৈ চকু ৫ টা নি ক'লে যে এওঁলোকে বেলেগে বেলেগে খায়। প্ৰকৃত মাটিহীন মানুহ কিমান সেইটোহে চাব লাগিব। ৫ টা ল'ৰাৰ কাৰণে বেলেগে বেলেগে মাটি লাগে, কিন্তু কিছুমানৰ ফালে চালে কথাটো হয়। অৰ্থাৎ মাটি নাই। গতিকে কাৰ মাটি নাই, কাৰ কিমান আছে, কাৰ পৰিয়ালৰ সংখ্যা কিমান এই পৰিসংখ্যা উলিয়াবৰ কাৰণে Revenue বিভাগ বা চৰকাৰী অফিচাৰ সকলেই প্ৰকৃত তথ্য বাহিৰ কৰিব নোৱাৰে। সেই কাৰণে মোৰ প্ৰথম পৰামৰ্শ হৈছে সমষ্টি হিচাপে Constituency wise আমাৰ M. L. A. সকলে এই দায়িত্ব লব লাগে। Assistant settlement Officer সকলক লৈ কমিটি কৰি সমষ্টি হিচাপে মাটি নোহোৱা বা অলপ মাটি থকা মানুহ, পৰিয়ালৰ সংখ্যা ইত্যাদি হিচাপ লব লাগে। এনেকুৱা Statistics বাহিৰ কৰিব লাগে তেতিয়াহলেহে মাটি সমস্যা সমাধান হব বুলি মই দৃঢ় বিশ্বাসেৰে কব বিচাৰিছো।

দ্বিতীয় প্ৰশ্ন হৈছে Land Settlement Policy ত কৈছে ফৰেষ্ট বিভাগৰ V. G. R., P. G. R. আছে, আকৌ হুদা ডাঙৰীয়াই কোৱাৰ নিচিনা Fishery আদিতো তেনে ধৰণৰ মাটি আছে ইত্যাদি নানান ধৰণৰ মাটি আছে, সেই মাটি কিমানখিনি খেতিৰ উপযোগী কৰি তুলিব পাৰি কিমানখিনি বসবাসৰ উপযোগী কৰিব পাৰি সেইটোহে চাব লাগিব। সমষ্টি হিচাপে কমিটি নকৰিলেও ৰাজ্যিক পৰ্য্যায়ৰ কমিটি কৰিব লাগিব। ফৰেষ্ট বিভাগ, Revenue বিভাগ, বিধান সভাৰ সদস্য ইত্যাদি লৈ কমিটি কৰি সেই কমিটি দুই ভাগত ভগাব পাৰি- এটা ফৰেষ্ট বিভাগ এটা Revenue

বিভাগ। এনেকুৱা বিধৰ কমিটি কৰিলেহে কাম উজু হব, সহজ হব। কিমান মাটি নোহোৱা মানুহ আছে, কিমান Encrochers আছে সেইটো উলিয়াব লাগিব। তৃতীয় প্ৰশ্ন হৈছে যিবিলাক Encrochers আছে, Encrochers বুলি নকওঁ Illegally Occupy কৰি আছে সেইবিলাক মানুহ প্ৰকৃততে চৰকাৰী মাটি পোৱাৰ যোগ্য নে ? উচ্ছেদৰ পিচত উচ্ছেদ কৰা সত্বেও সেই বিলাকেই পুনৰ সমস্যাৰ সৃষ্টি কৰে। আকৌ সেইবিলাকৰ মাজতেই বহুতে Transaction কৰিছে নে নাই সেই কথাটোও বিবেচনা কৰি চাব লাগিব। তাৰ কাৰণে আজি চৰকাৰৰ যিসকল বিষয়াই ২২ বছৰ ধৰি প্ৰকৃত হিচাবত কাম কৰিব পৰা নাই, হয় ফাকি দিছে নহয় অনভিজ্ঞ, নহয় নানান, ধৰণে ফুচুলাই ভুল তথ্য দিছে। মাননীয় সদস্য দুলাল বৰুৱাই কোৱাৰ দৰে আমাৰ ভূমিনীতি সলনি কৰি কালি মাত্ৰ বিল পাচ কৰিলেই নহব। বিধান সভাৰ সদস্যসকলেও ৩ মাহ বা ৬ মাহৰ ভিতৰতে নিজ নিজ সমষ্টিত থকা প্ৰকৃত মাটিহীন মানুহৰ সংখ্যা দাখিল কৰিব লাগিব। গোটেই অসম জুৰি বিধান সভাৰ সদস্যসকল S. D. C আদি লোকক লগত লৈ কমিটি কৰি লব লাগিব। মাটি থকা মানুহেই, নে মাটি নথকা মানুহেই, Encroachers নে কি সেই কথা বাহিৰ কৰিব লাগিব। সেইবিলাক সুচিন্তিত ভাবে সমাধান কৰিব লাগিব। নহলে অকল Resolution লৈ বিল পাচ কৰিলেই মাটি সমস্যা সমাধান কৰিব নোৱাৰে। উপাধ্যক্ষ মহোদয়, আমাৰ মাটি নোহোৱা মানুহৰ সংখ্যা উলিয়াটো কামৰ প্ৰথম পদক্ষেপ হব। ইয়াকে কৈ মই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

*Shri Giasuddin Ahmed— মাননীয় উপাধ্যক্ষ মহোদয়, ভূমি সমস্যা সম্বন্ধে আলোচনা কৰাৰ আগতে মই গোৱালপাৰা জিলাৰ যিটো সমস্যা সেই সমস্যা সম্বন্ধে অলপ কব খুজিছো। মোৰ বক্তৃতা চমু কৰাৰ কাৰণে মই ৰাজহ মন্ত্ৰীলৈ ১৯৬৭ চনৰ ১৯ এপ্ৰিল তাৰিখে এখন চিঠি দিছিলো এই সদনৰ জ্ঞাতাৰ্থে। এই চিঠিখনৰ প্ৰাসঙ্গিক কথাখিনি পঢ়ি শুনাইছো। যাতে মোৰ বক্তৃতাটো চমু হয় তাৰ বাবেই এইখিনি পঢ়ি শুনাইছো।

* Speech not Corrected

"The problem of land settlement and revenue administration is a complicated one. It is more so in the District of Goalpara which is passing through a transitional period is so far as the revenue administration is concerned. The Zemindary system was abolished in 1951. Subsequently settlement operation was started and it is now over. In the process the tenants had to confront with manifold anomalies that have smashed the very foundation of the economic structure of the peasants.

1. <u>Incorrect record of land :</u>

During the period of Zemindary system in most of the estates proper record was maintained. The maps or the chitas were prepared really on the basis of actual possession. And as a result people had little scope of making any complaint regarding record of right. Except a few foundary disputes or disputes regarding title or possession occuring normally here and there, people were generally satisfied with the records of rights prepared during the Zemindary system. Their tenancy was secured and they got a psychological impetus to devote more attention to cultivation.

Unfortunately this position was disturbed unwisely due to the following defects of the recent settlement operation :—

(a) The procedure of "Bujaot" as laid down in the Goalpara Tenancy Act was not followed.

(b) Survey and settlement was corcectlessly without any reference to or consulting the previous states chitas or maps.

(c) This complicated job of survey and settlement was made with incompetent hands i. e. upstant young boys getting only six months training—learning nothing but how to be richer by exacting money.

(d) The tenents who were never experienced about the procedures of the settlement operations were not given any chance to know things prior to the beginning of the settlement operation.

The result was disastrous, the whole thing went topsyturvey. The records of rights enjoyed by tenants for generations together vanished over night. The land of X was recorded in the name of Y. The land of Y was recorded in the name of Z and Z's land was converted into a no-man's land and so on an so forth.

Thousands of cases under section 107 and under section 103 of the G. T. Act were the result of these incorrect records. There are thousand other people who could not file any case whatever for correction of the records.

2. Encroachment cases :—

As mentioned above many touzi lands were incorrectly recorded as khas. Now eviction proceedings have

been started against those who could not get or avail of the remedies under section 107 or 103 of the G.T. Act nor couid file any Civil suit. They are going to be evicted from their own ancestral touzi land only because of the incorrect record Their only fault is that they could not understand in time the implication of the settlement operation. Although ignorance of law is no excuse, the authority concerned also cannot be excused for the defects stated in pars 1 (a)(b)(c) and (d) above.

3. Rent without land :

There are instances of demand of rent according to the old touzi whereas the tenent has no such land according to the settlement record.

4. Status lowered :

Some times a periodic Patta holder is compelled by circumstances to take annual patta of his own periodic patta land which was incorrectly recorded as Khas.

5. Corruption :

Corruption in the Revenue Administration knows no bound. The officers from top to bottom in a circle are really living in a paradise of corruption. To them there is no law but money. In revenue and settlement matters they can do whatever they like for the sake of money. Indeed in the field of Revenue Administration it is money that counts, and nothing else.

6. No remedy :

Now that period of limitation for filing application under section 107 and suits under section 103 of the G.T. Act as Civil Suits is seen in all the Dehis. The aggrieved tenants who could not take any steps for correction of the incorrect records are now going to leave their ancestral land for good.

In short these are the anomalies besides others which I hope to discuss with you on some other occasion.

My suggestions for removing the anomalies are given below :—

1) Section 124 of the G. T. Act should be amended so as to give it wide scope with a view to providing remedy similar to that of section 107 and 103 of the G. T. Act.

2) The period of limitation for filing Civil Suits as prescribed in the G. T. Act should be extended upto 12 years by amendment.

3) All encroachment cases should be stayed until a thorough enquiry is made to find out the real state of affairs.

4) The system of giving annual patta within the jurisdiction of the G.T.Act should be strictly prohibited.

5) An enquiry commission should be appointed to make a thorough investigation into the anomalies in the matter of settlement and administration.

6) The rights and privileges of tenants as per provision of the G.T Act should carefully be protected.

The matter discussed above is really a life and death question of the people of the District of Goalpara.

Shri Jalaluddin Ahmed— माननीय় উপাধ্যক্ষ মহোদয়, আমাৰ অসমৰ বিভিন্ন জিলাবিলাকত বিভিন্ন ৰকমৰ মাটিৰ সমস্যা আছে। এখন জিলাৰ লগত অন্য এখন জিলা, এখন মহকুমাৰ লগত অন্য এখন মহকুমা, এটা circle ৰ লগত অন্য এটা circle ৰ, এটা মৌজাৰ লগত অন্য এটা মৌজাৰ সমস্যাৰ লগত মাটিৰ বিষয়ে মিল নাই— এনে অৱস্থাও দেখা গৈছে। এই সম্পৰ্কে মোৰ সমষ্টিৰে কিছুমান বেমেজালিৰ কথা উল্লেখ কৰিব বিচাৰিছো। তাত কিছুমান মানুহে ২০ বছৰ ধৰি গভৰ্ণমেণ্টৰ খাচ মাটি দখল কৰি আছে।

গভৰ্ণমেণ্টলৈ বেআইনীভাবে মাটি পট্টা দিয়াৰ বিষয়ে গোচৰ দিয়া হৈছে। সেই সম্পৰ্কে ৫২ জন মানুহৰ নামৰ পৰা ৪৫০ বিঘা মাটি cancelled কৰা হৈছে আৰু এনেকৈ বহু মহাজনৰ নামত বেআইনীভাবে মাটিৰ পট্টা হৈছে আৰু মণ্ডলৰ আত্মীয় স্বজনৰ নামত পট্টা হৈছে। এইবোৰ মাটি মহাজনৰ নামৰ পৰা আৰু cancelled কৰিলে মৌজাত শতকৰা ৩০ জন মানুহে মাটি পাব। আৰু নদীৰ গৰাখহনীয়া মানুহবো শতকৰা ২/৩ জনে মাটি পাব। অৱশ্যে মৌজাখনৰ বেলেগ বেলেগ ঠাইত কিছুমান বেলেগ বেলেগ সমস্যা আছে। এই সমস্যাবিলাক দূৰ কৰিবৰ কাৰণে মোৰ কেইটামান পৰামৰ্শ আছে—

(১) মণ্ডলৰ সঁচা-মিছা Report ৰ ওপৰত ভিত্তি কৰি যেন মাটিৰ পট্টন দিয়া নহয়। কাৰণ মণ্ডলৰ Report এ এই মাটিৰ কণ্ডল লগাইছে।

(২) চাৰ্কোলৰ ঠাইত কৃষি সমিতি পাতি তাৰ জৰিয়তে ভূমিহীন মানুহক আৰু নদীৰ গৰাখহনীয়া মানুহক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

(৩) হাজাৰ হাজাৰ বিঘা অখেতিয়কে পোৱা মাটি তেওঁলোকৰ

নামৰ পৰা কাটি প্ৰকৃত ভূমিহীন খেতিয়কৰ নামত পট্টন দিব লাগে।

(৪) মণ্ডল, কানানগুসকলে ধনী মানুহৰ পৰা ভেটি লৈ নাবালকৰ নামত পট্টা দিয়া মাটিবোৰৰ পট্টা ৰদ কৰি ভূমিহীন আৰু গৰাখহনীয়া মানুহক মাটি দিব লাগে।

(৫) মাটিৰ Settlement ৰ বেমেজালি হোৱাৰ একমাত্ৰ কাৰণ হ'ল, চাৰ্কোলৰ বাহিৰৰ পৰা মণ্ডল কানানগু লোৱাৰ গতিকে কিছুমান বেমেজালি হোৱা দেখা যায়। সেই কাৰণেই মণ্ডল কানানগু চাৰ্কোলৰ ভিতৰৰ মানুহ লোৱাৰ ব্যৱস্থা কৰিব লাগে।

এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Mohidhar Pegu— মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মাটিৰ সমস্যাটোৱেই এটা চৰম সংকটৰ সন্মুখীন হব লগীয়া হৈছে। এই মাটিহীন সমস্যাৰ মূলতে আছে— (১) নগৰমুখী উন্নয়নৰ ব্যৱস্থা। (২) বহিৰাগতৰ অবিৰাম সোঁত। (৩) মাটি গিৰিৰ ক্ষমতা বাহাল। (৪) ১৯৫০ চনৰ ভূমিকম্পৰ ফলত ভূ-পৃষ্ঠৰ বিৰাট পৰিৱৰ্ত্তন। (৫) ব্ৰহ্মপুত্ৰ প্ৰভৃতি নৈবিলাকৰ প্ৰতিক্ৰীয়াশীলতা ইত্যাদি। এইয়া সাধাৰণ ভাবে সন্মুখীন হোৱা মাটিৰ অৱস্থা।

জনজাতীয় সকলৰ বাবে সংৰক্ষিত বেল্ট আৰু ব্লকৰ ৰক্ষনা-বেক্ষণত চৰকাৰৰ উদাসীনতাই সমস্যাৰ বৃদ্ধি ঘটাইছে।

তদুপৰি ১৯৬৪ চনত পূব পাকিস্তানৰ মৈমনসিং, ঢাকা আদিৰ পৰা অহা লাখ লাখ ভগনীয়াৰ এতিয়ালৈকে পুনৰ বসতি নোপোৱাত মাটিয়া কেম্পৰ ৪½ হাজাৰ পৰিয়াল ২০ হাজাৰ লোকৰ সমস্যা, তাৰোপৰি কাছাৰ জিলাৰ বৰগোলা, চন্দ্ৰনাথপুৰ, শিলকুটি কেম্পত থকা ১ হাজাৰৰো অধিক লোকৰ কথা আছেই। এতিয়া মাটি সমস্যাৰ সমাধান কিভাবে কৰা যায় তাৰ মই এই পৰামৰ্শকেইটা আগবঢ়াও—

(১) অসমত প্ৰকৃত মাটিহীন পৰিয়ালৰ তালিকা নিৰ্ভুল ভাবে প্ৰস্তুত কৰিব লাগে।

(২) মাটিহীন লোকৰ মাটিৱাদৱতীৰ বাবে মহকুমা পৰ্য্যায়ত একো-জন বিশেষ বিষয়া সাঙ্গোপাঙ্গ সহ ৰাখিব লাগে।

(৩) মহকুমা বিলাকত থকা মাটি বিতৰণী উপদেষ্টা সমিতিৰ সভ্য নুন্যতম সংখ্যালৈ কমাব লাগে।

(৪) মাটি বাদৱতীৰ ক্ষেত্ৰত স্থানীয় লোকৰ পৰা পোৱা সকলো প্ৰকাৰৰ বাধা-বিঘিনী চৰকাৰী দায়িত্বত আতৰ কৰাৰ উপযুক্ত ব্যৱস্থা কৰিব লাগে।

(৫) সংৰক্ষিত বনাঞ্চল যত বিগত ১৫/২০ বছৰ ধৰি গছ হোৱা বা ৰোৱা হোৱা নাই, যি যি অঞ্চলত জলদোৰা অৱস্থাৰ বাবে কোনো মূল্য-বান গছ হোৱা বা ৰোৱাৰ কোনো সম্ভাৱনা নাই তেনে সমস্ত মাটি জোখ-মাখ কৰি ভূমিহীন মানুহৰ মাজত বিতৰণ কৰি দিব লাগে।

(৬) ভূমিহীন লোকৰ তালিকা এনে শ্ৰেণীগত ভাবে বিবেচনা কৰিবযথা, --- (১) গৰাখহনীয়া আৰু খিলঞ্জীয়া, অসমীয়া, (২) অন্যান্য বহিঃ ৰাষ্ট্ৰৰ পৰা সেই ৰাষ্ট্ৰৰ লগত বাসিন্দা সম্বন্ধ চিণ্ডি স্থান এৰি অসমত নিগা-জীকৈ বসবাস কৰা লোক। মুঠৰ ওপৰত অসমীয়া অৰ্থে যথাৰ্থতে অসমৰ লোক হব লাগিব।

(৭) মাটি বাদৱতীৰ যাৱতীয় কাৰ্য্য পৰিচালনাৰ বাবে আৱশ্যকীয় বিত্তিয় ব্যৱস্থা ( Budget Provision ) ৰাখিব লাগে।

(৮) বানপীড়িত অঞ্চলৰ বাবে বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত অধিক মনো-নিবেশ কৰি ভূমি উন্নয়ন আৰু ৰক্ষনা-বেক্ষনত অধিক গুৰুত্ব আৰোপ কৰিব লাগে।

(৯) বহু সংখ্যক একান্নৱৰ্ত্তী পৰিয়ালৰ লোকজন যাতে উপযুক্ত পৰিমাণৰ মাটি পোৱাৰ পৰা বঞ্চিত নহয় তাৰ উপযুক্ত ব্যৱস্থা ৰাখিব লাগে।

এই খিনিয়েই মোৰ পৰামৰ্শ ! কিন্তু আমি চৰকাৰৰ পৰা এনে ব্যৱহাৰ নিবিচাৰো যে "নোধোওঁ গা ধুৱানী, নেখাও ভাত খুৱালি, "নিগিলো কি কৰ কৰ"।

* Shri Govinda Kalita – Mr Speaker, মাটি সমস্যা জটিল সমস্যা, ইয়াৰ সমাধান কৰিবৰ কাৰণে অসমত বহুত আইন পাচ হ'ল কিন্তু

*Speech not corrected

এই আইনবিলাক কাৰ্য্যকৰী নহ'ল। উদাহৰণ স্বৰূপে মই চিলিং অইনৰ কথাকেই কৈছো। এই আইম ১৯৫৫ চনত পাচ হ'ল। আৰু তাৰ পাছত কেবাটাও সংশোধন হ'ল। এই আইন, আইন হৈ থাকিলে আৰু ইয়াৰ দ্বাৰা মানুহে মাটি নাপালে। কাৰণ এই চিলিং আইনখনত ইমান ফাঁক থাকি গ'ল তাৰ ফলত মাটিৰ অলপো লোকচান নোহোৱাকৈ মালিক সকলে মাটি বেনামী কৰাৰ সুবিধা পালে। চিলিং আইনখন পাচ হোৱাৰ পাছত তাক কাৰ্য্যকৰী কৰিবৰ ক্ষেত্ৰত কিছুমান ন্যস্ত স্বাৰ্থ আহিল। ন্যস্ত স্বাৰ্থ কেনেকৈ আহিল মই কওঁ। এই আইন পাচ হোৱাৰ পাচত কামৰূপ জিলাত আইনখন সকলো জিলাৰ পিছত বলবৎ হ'ল।

যিখন আইন পাচ কৰা হয় তাক বলবৎ কৰা আৱশ্যক। কিন্তু ন্যস্ত স্বাৰ্থৰ কথা আহিলে আইন কেতিয়াও কাৰ্য্যকৰী কৰিব পৰা নাযায়। এই আইনখন কামৰূপ জিলাত পলমকৈ প্ৰযোজ্য হৈছে। কাৰণ এজন মন্ত্ৰীয়ে Oil Refinary বিক্ৰী কৰাৰ উদ্দেশ্যই কামৰূপত আইনখন পলমকৈ বলবৎ কৰিলে। যিবিলাকে যান্ত্ৰিক পদ্ধতিত খেতি কৰে এই আইন অনুযায়ী তেওঁলোকক ৫০০ বিঘাকৈ মাটি ৰাখিবলৈ দিয়া হয়। এইটো এটা সাংঘাটিক ব্যৱস্থা। ইয়াৰ দ্বাৰা আৰু এক নতুন জমিদাৰী সৃষ্টি কৰা হৈছে। উদাহৰণ স্বৰূপে কওঁ যে ৰাজহমন্ত্ৰীৰ সমষ্টিৰে ডিমৰুৱা গাৱঁৰ এজন মানুহক যান্ত্ৰিক পদ্ধতিত খেতি কৰিব কাৰণে ৫০০ বিঘা মাটি দিয়া হৈছিল। তেওঁৰ নাম লালসিং। এই আইন বলবৎ হোৱাৰ পিছতো এই একেজন মানুহক আৰু ৫০০ বিঘা মাটি যান্ত্ৰিক খেতিৰ কাৰণে দিয়া হ'ল। এই মানুহজনে সেই মাটিত প্ৰজা বহুৱাই জমিদাৰ হৈ বহি আছে। গতিকে এই আইনত ফাঁকি দিয়াৰ ব্যৱস্থা আছে। গতিকে এই ফাঁকি বিলাক দূৰ কৰিব লাগে, এই আইনখনৰ আৰু এটা ফাঁকি হৈছে যে original যি আইন তাত হস্তান্তৰ কৰাৰ ব্যৱস্থা ৰাখি বেনামী মাটিৰ গৰাকীৰ ব্যৱস্থা কৰা হৈছে। সেই কাৰণে চিলিং আইনখনৰ অতিসোনকালে শোধন কৰা প্ৰয়োজন। কিন্তু অতি দুখৰ বিষয় যে চৰকাৰে ইয়াৰ সংশোধনৰ কোনো ব্যৱস্থা কৰা নাই।

কিছুদিনৰ আগতে সংশোধনী কৰিবলৈ ওলাইছিল। কিন্তু কিয় কৰা নহল কব নোৱাৰো। সেই কাৰণে এই আইন সংশোধন কৰি গোটেই মাটি খেতিয়কক দিবলৈ ব্যৱস্থা কৰিব লাগে আৰু V. G. R. P. G. R. ত যিবিলাকে খেতি কৰি আছে তেওঁলোকৰ মাটি পট্টন দি উচ্ছেদ বন্ধ কৰিব লাগে। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker—There are someother speakers in the list. Is it the sense of the House that the time should be extended to accommodate them or should I ask the Minister of Revenue to reply ?

Shri Hiralal Patwary—We have already requested to extend the time so that some more hon, members may speak.

Shri Mahendra Mohan Choudhury—Yesterday when this matter was taken up for fixing the date and time, the Leader of the oposition " Shri Bhattacharjee emphasised that only half a day should be taken for discussion on the motion or two hours maximum. We have already discussed more than 4 hours and I think it is not necessary to extend the House any more instead I may be allowed to speak.

Mr. Deputy Speaker—Members from all parties indluding the independent members have taken part in this discussion and I do not think we have left out anything to be spoken and therefore, I request the Revenue Minister to give him reply.

Shri Hiralal Patwary—I have a right to explain the things. It has been said that almost all the members

from all parties have been covered. But I can say that there are many members who could participate and for that confusion may arise. To remove the confusion it will be better if they are allowd to speak. They offer good suggestions which will be benifitical to the govt.

Mr. Deputy Speaker — First of all hear the Revenue Minister.

Shri Mahendra Mohan Choudhury— माननीয় উপাধ্যক্ষ মহোদয়, আজি যি Motion টো সদনত আলোচনা কৰা হৈছে সেই Motion ৰ গুৰুত্ব সম্পৰ্কে সকলোৱে ব্যাখ্যা কৰিছে। আৰু এই প্ৰস্তাৱটো আলোচনা হোৱাটো অত্যন্ত বাঞ্ছনীয়। মাটি বিতৰণ সম্পৰ্কে প্ৰশাসনীয় দিশত মোৰ বিশেষ কবলগীয়া নাই। কিন্তু ভূমিনীতি বিষয়টো অতি গুৰুত্ব সহকাৰে সদস্যসকলে বিবেচনা কৰিছে। আৰু সদস্যসকলে শান্তিপূৰ্ণ পৰিবেশত আলোচনা কৰাত সহযোগীতা কৰিছে।

চাৰ, আজি মই এই সদনত এই বিতৰ্কৰ মুখনি মাৰি মোৰ কবলগীয়া কথা কমেই আছে। আজি এই প্ৰস্তাৱটো আলোচনা কৰাৰ উদ্দেশ্য হৈছে যে আমাৰ মাটি পট্টনৰ বিষয়ে যিবিলাক সমস্যা উদ্ভব হৈছে সেই বিলাক সমাধান কৰিবৰ কাৰণে সদস্য সকলে পৰামৰ্শ দিছে। সদস্য সকলৰ ফালৰ পৰা যিবিলাক পৰামৰ্শ আগবঢ়াইছে সেই পৰামৰ্শ বিলাক আমি বিবেচনা কৰি চোৱা উচিত। অধ্যক্ষ মহোদয়, আজি মাটিৰ পট্টনৰ নীতি কাৰ্য্যকৰী কৰাৰ কাৰণে এখন উপদেষ্টা কমিটি নিয়োগ কৰা হৈছে।

Shri Promed Chandra Gogoi— যিটো কমিটিৰ কথা announce কৰা হৈছে সেইটো কেনেকুৱা কমিটি ?

Shri Mahendra Mohan Choudhury— যি কমিটি নিয়োগ কৰা হৈছে, সেই সম্পৰ্কে নিৰ্দিষ্ট মতামত এতিয়াও দিয়া নাই। মই ভাবো এই কমিটিৰ কাম হব সদস্যসকলে মাটি পট্টন নীতি নিৰ্দ্ধাৰণ কৰিবৰ কাৰণে

যিবিলাক পৰামৰ্শ আগবঢ়াইছে সেইবিলাক বিবেচনা কৰিব আৰু এই পৰামৰ্শ কেনেকৈ কাৰ্য্যকৰী হয় সেইবিলাক নিৰ্দ্ধাৰণ কৰিব।

Shri Hiralal Patwary— এই প্ৰস্তাৱত কব খুজিছো যিহেতু আমাৰ কিছুমান সদস্যাই কথাবিলাক সদনত জনাবলৈ নাপালে। কোনো কোনো সদস্যাই কৈছে যে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে বিহাৰৰ পৰা যিবিলাক মানুহ আহি মাটি দখল কৰা কথা কৈছে তাৰ কোনো ভিত্তি নাই। গতিকে এনেকুৱা কথাৰ ওপৰত যাতে গুৰুত্ব দিয়া নহয় সেইটো চাব লাগিব।

Shri Mahendra Mohan Choudhury— চাৰ, এই কথাৰ প্ৰস্তাৱৰ লগত কোনো সম্পৰ্ক নাই। যিবিলাক পৰামৰ্শ আগবঢ়োৱা হৈছে সেই পৰামৰ্শ বিলাক সদস্য সকলে স্পষ্টকৈ বুজাই দিবৰ কাৰণে এই বক্তৃতা চলিছে। কিন্তু সেই বক্তৃতাৰ কথাবিলাক যিখিনিত মনোযোগ দিব লগীয়া কথা নহয় তাত মনোযোগ দিয়া নহব। আৰু যিখিনিত মনোযোগ দিয়া উচিত সেই কথা বিচাৰ কৰি চোৱা হব। কিন্তু প্ৰকৃতপক্ষে পৰামৰ্শ বিলাক কাৰ্য্যকৰী হব পাৰেনে নোৱাৰে সেই কথাও চাব লাগিব। এই কথা ইয়াত উল্লেখ কৰা হৈছে যে যিখিনি মাটিৰ কথা সদস্যসকলে উল্লেখ কৰিছে সেইখিনি মাটিৰ কিমান মাটি পট্টন দিব পৰা হব বা প্ৰকৃতপক্ষে কিমান মাটি আছে সেই সম্পৰ্কে কোনো হিচাব হোৱা নাই। এটা কথা ইয়াত উল্লেখ কৰা হৈছে যে আমাৰ ইয়াত কিমান মাটি আছে, কিমান পট্টন দিয়া হৈছে, কিমান Reserve আছে আৰু কিমান পট্টন দিব পাৰে এই সম্পৰ্কে কোনো হিচাপ আজিলৈকে হোৱা নাই বুলি কৈছে কিন্তু এই কথা সঁচা নহয়। ১৯৬১ চনৰ ২২ জুন তাৰিখে এটা কমিটি গঠন কৰা হৈছিল সেইটো হৈছে West Land Servey Technical কমিটি। এই কমিটিয়ে বিভিন্ন ঠাইলৈ গৈ মাটি সম্পৰ্কে তথ্য আদি আহৰণ কৰি এটা Report দাখিল কৰিছিল। আৰু কেইদিনমানৰ আগতে এই সদনৰ Table ত দাখিল কৰা হৈছিল। গতিকে আমাৰ এইবিলাক তথ্যৰ যিমানখিনি লাগে সিমানখিনি সংগ্ৰহ কৰা হয় আৰু এই Report তৈয়াৰ কৰা হয়, ১৯৬৬ চনত

তাৰ পাচত তেতিয়াৰ পৰা আজিলৈকে এই মাটিৰ সম্পৰ্কত বহুতো পৰিৱৰ্ত্তন হৈছে। মাটি নোহোৱা মানুহৰ সংখ্যা বৃদ্ধি পাইছে। আৰু ভূমিহীন লোকৰ সংখ্যা বছৰত ৭৫ হাজাৰকৈ এই ৩ বছৰৰ ভিতৰত প্ৰায় ২ লাখ পাইছেগৈ। ইয়াৰ উপৰিও আমাৰ ৰাজ্যত বছৰি বানপানী আৰু গৰাখহনীয়াৰ কাৰণে বহুসংখ্যক মানুহ ভূমিহীন আৰু গৃহহীন হৈছে। তাৰ লগে লগে Defence purpese আৰু বিভিন্ন ৰাজহুৱা কামৰ কাৰণে প্ৰয়োজনীয় বহুতো মাটি অধিগ্ৰহণ কৰা হৈছে। ইয়াৰ ফলত আকৌ বহুতো মানুহৰ মাটি নোহোৱা হৈছে।

Shri Sarat Chandra Rabha— এই মানুহবিলাকৰ মাটি আৰু আছে।

Shri Mahaedra Mohan Choudhury— মই সেই কথা কৈছোৱেই। এইদৰে ১৯৬৫ চনৰ পৰা ভূমিহীন লোকৰ সমস্যা বৃদ্ধি পাইছে আৰু ক্ৰমে ক্ৰমে ভূমিহীন লোকৰ সংখ্যাও বাঢ়ি গৈছে। সেই কাৰণে আমি আজি এটা সুস্থিৰ পৰিকল্পনা হাতত লব লাগিব যাৰ দ্বাৰা ভৱিষ্যত যিবিলাক সমস্যা উদ্ভৱ হব পাৰে সেইবিলাকো লেখতলৈ এই সমস্যাৰ এটা সমাধান উলিয়াব লাগিব। আজি চিলিং আইন সম্পৰ্কত বহুতো আলোচনা হৈছে, বিশেষকৈ শ্ৰীগোবিন কলিতা ডাঙৰীয়াই কৈছে যে এই চিলিং আইনখন কাৰ্য্যকৰী হোৱা নাই আৰু তাৰ ফলত ভূমিহীন লোকে মাটি পোৱা নাই। কিন্তু মই কব খূজিছো যে আজি চিলিং আইনখন কাৰ্য্যকৰী সম্পূৰ্ণ ভাৱে হোৱা নাই কাৰণ যিমানখিনি মাটি লাগে সিমানখিনি চৰকাৰে দিব পৰা নাই। আমাৰ চিলিং আইনখনত সৰ্ব্বোচ্চ পৰিমাণ নিৰ্দ্ধাৰণ কৰা হৈছে যদিও এতিয়া যি সকলে মাটি দখল কৰিছে তেওঁলোকৰ নামত পট্টা হোৱা নাই, মালিকৰ নামত আছে। ইয়াৰ কাৰণে প্ৰতিক্ৰিয়া হব পাৰে।

Shri Govinda Kalita— মন্ত্ৰী মহোদয়ে যি কথা কৈছে সেইটো ঠিক নহয়। চিলিং আইন মতে অতিৰিক্ত মাটি বিলাক বিক্ৰী হৈ আছে আৰু Registration হব লাগিছে আৰু খেতিয়ক সকল উচ্ছেদ হব লাগিছে—এই কথা মন্ত্ৰী মহোদয়ে অস্বীকাৰ কৰাৰ উপায় নাই।

Shri Mahendra Mohan Choudhary—আৰু এটা কথা, mechanised Caltivation ৰ কাৰণে ৫ শ বিঘা মাটি দিয়াৰ কথা নাই.....

ইয়াত কোৱা হৈছে—Ceiling on existing holdidg and acquisition of excess land ... Chapter II page 4. Section 4(1) Notwithstanding anything to the contrary in any law, custom or agreement no person shall be entitled to hold as owner or tenand, lands, which exceed the limit of 150 bighas in the aggregate : Provided that where the person holds orchard lands the afore-mentioned limit shall be incraased by the actual area of the orchard subject to a maximum of the orcaard subject to a maximum of 30 bighas ). Section 4(2) The Ceiling of a Cooperative Farming Society shall be the aggregate of the ceiling of it individual members or their families under sub-section (1) adove provided that lands held outside the society by a member of a Cooperative Society or any member of his family shall also be taken into account for determining his ceiling. Section 4 (3) No bename transfer made after the twelfth day of November 1955, shall be taken into account in determining the limit upto which the transfer shall be entitled to hold lands under Sub-section (1) above and in such case the limit and the excess land of the trasferor shall be determined as if the transfer has not taken place.

Any person who, on the date of commencement of this Act holds as owner or tenant lands, which in the aggregate, exceed the limit fixed under section 4

above, shall within the presdribed period, submit to the Collector a return giving the particulars of all his lands in the prescribed form and stating therein his selection of plot or plots of lands (not exceeding in the aggregate the limit fixed under sedtion 4 above ) which he desires to retain under the provision of this Act.

ইয়াত ব্যাক্তিগত মানুহৰ নাম কোৱা হৈছে। শ্ৰীলাল সিং কংগ্ৰেচৰ সক্ৰীয় মেম্বাৰ আছিল নে নাই মই কব নোৱাৰো যদিও মই গত ৪০ বছৰ কংগ্ৰেচৰ কাম কৰি আহিছো। সেই কাৰণে মই কও যে ৫শ বিঘা মাটি দিয়াৰ কথা এই আইনত নাই।

ইয়াৰ পাছত, মই এই কথা কোৱাৰ কাৰণ হৈছে যে এই সদনত Missunderstanding হোৱাটো পৰিলক্ষিত হৈছে আৰু শ্ৰী কলিতা ডাঙৰীয়াক মই বুজাব পৰা নাই। তেখেতে কৈছে যে মাটি বিলাক বিক্ৰী কৰিছে আৰু সেইটো আইত সংশোধন কৰি বিক্ৰী কৰা সহজ কৰি দিছে। আইনখন সংশোধন কৰা হৈছে আৰু মাটি বিক্ৰীৰ ক্ষমতা দিয়া হৈছে যদিও মাটি ১৫০ বিঘাৰ ভিতৰত থাকিব লাগিব। যদি কোনো মানুহৰ বেছি মাটি আছে আৰু চিলিং এক্ট, অনুযায়ী মাটি বিক্ৰী কৰে তেনেহলে বিক্ৰী কৰা মাটি চিলিং এক্টত অন্তৰ্ভূক্ত কৰিব পাৰি। এই আইনৰ পাছত যদি ৫০ বিঘা মাটি বিক্ৰী কৰিছে তেনেহলে সেই খিনি চিলঙত যোগ কৰা হব আৰু যদি কোনোৱে অতিৰিক্ত মাটি বিক্ৰী কৰিছে ক্ষতিপূৰণ পাবলগীয়া মানুহে সেইটো নাপাব। এতিয়া কথা হৈছে যদি এজন মানুহৰ হাতত ১৫০ বিঘা মাটি ... ... ... ... ... ...

Shri Govinda Kalita— এইটো আইনৰ কথানে আপোনৰ কথা ?

Shri Mahendra Mohan Choudhury— আইনৰ কথা।

Shri Govinda Kalita— এইটো বেনামী কৰা হয়।

Shri Mahendra Mohan Chaudhury— ইয়াত বেনামী কৰা নহয়।

Shri Govinda Kalita— মই সেই কথা বুজিছো আৰু এই সম্পৰ্কত আলোচনা হৈছে। মই ব্যক্তিগত অভিজ্ঞতাৰ পৰা কওঁ যে এজন মানুহৰ ১৮শ বিঘা মাটি আছে আৰু তাৰে ৪ শ বিঘা মাটি বিক্ৰী কৰিছে এই সম্পৰ্কত মই মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰোতে তেখেতে ক'লে যে Register কৰি বিক্ৰী কৰিছে...... ।

Shri Mahendra Mohan Choudhury— বেনামী বিক্ৰী মাটি গ্ৰাহ্য নকৰো। Bonefied Sell হলে Sell কৰা মাটি চিলিঙৰ ভিতৰত ভুক্ত কৰি চিলিং কৰা হয়।

উপাধ্যক্ষ মহোদয়, চাহ বাগিছাৰ মাটি সম্পৰ্কত যিটো প্ৰশ্ন হৈছে সেই সম্পৰ্কত এই সদনত বহুত আলোচনা হৈছে। বিশ্বনাথ উপাধ্যায় ডাঙৰীয়াই এই কথা কৈছে যে চাহ বাগিচাৰ যিবোৰ মাটিত মজদূৰসকলে খেতি কৰি আছে সেই মাটিৰ tenency right তেওঁলোকক দিব লাগে। এইটো যুক্তিসঙ্গত কথা। সেই কাৰণে "In regard Sylhet Tenancy Act a notification was issued on 7th May, 1965, vide No. RRG. 40/62/33 for preparation of tenency rights. This was challenged in the form of writ petition before the Hon'ble High Caurt of Judicature of Assam & Nagaland by M/s Central Cachar Tea Company Limited. It has stayed operation under the said notification". এইটো হৈছে position tenency Act. মতে নগৈ বেলেগ এখন tenency আইন আনিবলৈ আঁচনি গ্ৰহণ কৰা হৈছে। অসম উপজকাতো মজদুৰ সকলক tenency right দিবৰ কাৰণে চেষ্টা কৰা হৈছে। এইটো কাৰ্য্যকৰী কৰিব পৰা নাই; কাৰণ যিবিলাক মাটি দখল কৰি আছে তাৰ কোনো Record of right নাই। সেই কাৰণে কোনদিনৰ পৰা মাটি দখল কৰি আছে সেইটো কব নোৱাৰি। শিৱসাগৰ, লক্ষীমপুৰ আৰু দৰং জিলাত Settlement operation চলি আছে আৰু সেই মানুহবিলাকৰ খাজনাৰ ৰচিদ আদি চাই

tenency right দিব লাগে বুলি দাবী কৰিছে। সেইটো সম্ভৱপৰ নহব।

Shri Hiralal Patwary— Settlement operation বাবে যিবোৰ অফিচাৰ দৰং জিলালৈ পঠাইছে সেইবোৰৰ ভিতৰত ইমান দুৰ্নীতি সোমাইছে যে চৰকাৰে এজন ভাল অফিচাৰ নপঠালে নহব। তেওঁলোকে কয় যে নতুন Settlement ত ১০ বিঘাৰ বেছি মাটি নেপায়, নহলে দুশ টকা বা পাঁচশ টকা দিয়ক। এই কথালৈ চৰকাৰে লক্ষ্য ৰাখিবনে?

Shri Mahendra Mohan Choudhury— চোৱা যাব। চাহ বাগিচা মাটি সম্বন্ধে যি ১:২ ফৰমূলা আছে, সেইটো সংশোধন কৰিবলৈ সদনৰ দুই ফালৰ পৰা পৰামৰ্শ আগবঢ়াইছে। আমাৰ কমিটিয়ে যি কৰিবলৈ নিৰ্দেশ দিছে সেই মতেই কাম কৰিবলৈ চেষ্টা কৰিম।

এই মাটি সমস্যাটো জটিল হোৱাৰ কাৰণ কি? এই সদনত সমালোচনা হৈছে যে মাটি নোহোৱা মানুহে মাটি পোৱা নাই; অথচ ন্যস্ত স্বাৰ্থ থকা মানুহে অন্য ঠাইত মাটি পাইছে। এই মধ্যস্বত্বাধিকাৰী সকলক কেনেকৈ গুচাব পাৰি তাৰ বাবে চেষ্টা কৰিব লাগে। মই কৈছিলো যে প্ৰচলিত আধিয়াৰ আইন অনুযায়ী শস্যৰ হিচাপত খাজনা দিব লাগে আৰু সেইটো সংশোধন কৰি টকা হিচাপে খাজনা দিয়া কৰিব পাৰিনে নোৱাৰি সেইটো বিচাৰ কৰিব লাগে। কিন্তু সদস্যসকলৰ পৰা এই বিষয়ে ভাল সিদ্ধান্ত পোৱা নাই। আমি যিটো কমিটি কৰিছো আশাকৰো সেই কমিটিয়ে এই সিদ্ধান্ত দিব।

মাটিত মূলধন ঘটাব নোৱাৰি। তাৰ কাৰণে ব্যৱস্থা কৰিমলৈ tenency আইন সংশোধনৰ প্ৰয়োজন আৰু মোৰ বিশ্বাস আমাৰ কমিটিয়ে এই বিষয়ে পৰামৰ্শ দিব। মোৰ কথা হৈছে প্ৰজাস্বত্ব আইন মতে তেওঁলোকৰ দখল স্বত্বত থকা মাটি নামজাৰী কৰাত সুবিধা থাকিব লাগে। এইবোৰ ব্যৱস্থা যদি প্ৰবৰ্ত্তন কৰিব পাৰি তেনেহলে মাটি সমস্যাই যি জটিল অৱস্থা ধাৰণ কৰিছে সেইটোৰ পৰা ৰক্ষা পাব পাৰি। আমাৰ কমিটিয়ে যদি পৰামৰ্শ দিয়ে সেইটো কাৰ্য্যকৰী কৰিবলৈ মোৰ ফালৰ পৰা প্ৰস্তুত আছো।

চৰকাৰৰ গণতন্ত্ৰৰ Rule by Low democratic পৰীচলনা কৰিবৰ কাৰণে আৰু তাক বিৰোধ কৰিবৰ কাৰণে কিছুমান আইন কৰা হৈছে আৰু সেইমতে গণতন্ত্ৰ পৰিচালনা কৰা হয়। সংবিধানত নিৰ্দ্দেশ আছে যে সেই আইন বিলাকৰ জৰীয়তে গণতন্ত্ৰৰ ব্যৱস্থা কৰা হয়, গতিকে যি-আইনৰ লগত কাম কৰো সেইবিলাক গণতন্ত্ৰৰ সংবিধানৰ মতে হব লাগে। এইবিলাক ক্ষেত্ৰত আমি আইন পাছ কৰিলো হয় কিন্তু সেই আইন আজি কাৰ্য্যকৰী কৰিব নোৱাৰো। আমি বহু আইন পাছ কৰিছো কিন্তু পিছত প্ৰশ্ন হয় যে সেই আইনবিলাক সাংবিধানিক হোৱা যায় তাত যথেষ্ঠ বাধা, আছে, যথেষ্ঠ চৰকাৰৰ মতভেদ থাকে।

আমাৰ যিবিলাকে Land Reformation কমিটি আছে তাত finance Bill ২ খন আলোচনা কৰি গ্ৰহণ কৰিছিল, কিন্তু সেই আইন পাচ কৰিলেই নহয়; যাতে তাত মানুহৰ মৌলিক স্বত্ব থাকে তাকো পাব লাগিব। সেই আইনবিলাকত আকৌ ৰাষ্ট্ৰপতিৰ সন্মতি হব লাগে। Department য়ে গ্ৰহণ কৰাৰ পাছতো তাক ঘূৰাই পঠিয়ায়, সেই আইন সংবিধানিক হলেও সেইবিলাক সম্পৰ্কত তেওঁলোকেহে মত প্ৰকাশ কৰে। Land Reformation সম্পৰ্কত যি আলোচনা কৰা হৈছিল এতিয়া অতি সোনকালে সেইবিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে আমাৰ Land Advisary Committee য়ে সেই বিষয়ে পৰামৰ্শ আগবঢ়াব পাৰে।

Sir Forest ৰ কথাটো বহুতো কাকতত প্ৰকাশ কৰা হৈছে। Forest Reserve নামত কিছুমান পৰামৰ্শ আছে কিন্তু এই Forest Reserve ৰ পৰামৰ্শই কিমান কাম দিব সেই বিষয়ে একমত হব নোৱাৰো কোনো কোনোৱে কয় ½ বিঘা মাটি Forest ৰ পৰা কাটি দিব লাগে। কোনো কোনোৱে কয় মাটিৰ Ratio ১:১ হব লাগে।

ভিজিয়াৰ পিজিয়াৰ সম্পৰ্কত মই কব খুজিছো যে যিবিলাক ভিজিয়াৰ পিজিয়াৰ সম্পৰ্কত মই কব খুজিছো যে যিবিলাক ভিজিয়াৰ পিজিয়াৰৰ কথা কৈছে কিন্তু সিমান বিলাক ভিজিয়াৰ নাই। ইয়াৰ ভিতৰত

কিছুমান ভিজিয়াৰ পিজিয়াৰ খুলি দিয়া হৈছে। কেৱল গৰু মহৰ কাৰণেহে আমাৰ ভিজিয়াৰ পিজিয়াৰ আছে। ইয়াৰ আৰু এটা উদ্দেশ্য হৈছে আমাৰ অসমত বছৰে বছৰে গড়াখহনীয়া আৰু বানপানী হৈ পৰা লোক-সকলক মাটি দিয়া। আৰু এটা উদ্দেশ্য হৈছে আমাৰ দেশখন এতিয়া উন্নতি পথত আগবাঢ়ি যোৱা দেশ তেনেস্থলত আমাৰ ইয়াত ৰাজহুৱা অনুষ্ঠান কৰিবৰ কাৰণে মাটিৰ প্ৰয়োজন ৰব বেচি। সেই বিলাকো আমি চাবলাগিব। Military ৰ বাবেও মাটি অৰ-তৰ পৰা আধিগ্ৰহণ কৰা হয়, গতিকে সেই ঠাই আধিগ্ৰহণ কৰা মাটিৰ লোকসকলক ক্ষতি পূৰণ দিয়াৰ কাৰণে মতামত প্ৰকাশ কৰি সিদ্ধান্ত কৰিব লাগে।

আজি আমাৰ সদনত যিটো মতপ্ৰকাশ কৰিছে বিশেষকৈ বিৰোধী দলৰ সদস্যসকলৰ মতে ইয়াত যিটো পৰিসংখ্যা দাখীল কৰা হৈছে সেইবিলাক ভুল। মই কব খোজো সেইবিলাক ভুল নহয়। সেই পৰিসংখ্যা ভুল হলেও পৰিসংখ্যা উলিয়াব লাগিব। এইটো ভুল বুলি কোৱা হয় কিন্তু শুদ্ধ সংখ্যাও তেওঁলোকে উলিয়াব পৰা নাই। যদি এই পৰিসংখ্যাৰ জৰীয়তে কিমান মাটি Reserve আছে তাক সংশোধনী কৰা হয় তেতিয়াহলে পঞ্চায়তত কিমান মাটি আছে সেই মাটিখিনি ওলাব পাৰে। সদনত মই কৈছিলো এই পৰিসংখ্যা দেখুৱা হৈছিল, এই সংখ্যা দেখুৱাৰ পিচতো বহুত মাটি মানুহে বেদখল কৰিছে। আমাৰ Forest অঞ্চলত সংশোধনী পঞ্চায়তৰ ভিতৰতো মানুহে মাটি বন্ধ কৰি ৰাখিছে। মই কৈছিলো যে যিটো সংখ্যা বা পৰি-সংখ্যা আছে, Mizo অঞ্চলৰ বোকা অঞ্চলত ২৬ Sq. miles মাটি আছে য'ত এজোপা গছো দেখিবলৈ নায়, গোটেইখিনি মাটি মানুহে বেদখল কৰি বহি আছে। সেই বিষয়ে এটা চিন্তা কৰি তাৰ যোগেদি এটা Agree-ment ত আহি সেইটো নিষ্পত্তি কৰিব লাগে।

এতিয়া প্ৰশ্ন হ'ল আমাৰ মাটি নোহোৱাটো কেনেকৈ দূৰ কৰিব পাৰি, সেই বিষয়ে আমাৰ মাননীয় সদস্য Medhi ডাঙৰীয়াই এটা পৰামৰ্শ আগবঢ়াইছে। তেখেতে কোৱা মতে আমাৰ M. L. A সকলক সেই দায়িত্ব

দিলে সেই দায়িত্ব পূৰণ কৰাৰ ক্ষেত্ৰত বা কাম হোৱাত পলম হব পাৰে। কাৰণ M. L. A. সকলৰ বহুত কাম থাকিব পাৰে, ৰাজহুৱা কাম, ব্যক্তিগত কাম তাৰোপৰি নানা ধৰণৰ কমিটিৰ কামত লাগিব লাগে আৰু বিশেষকৈ তেনেধৰণৰ কামতেই তেওঁলোক জৰীত থাকে। আমাৰ যিবিলাক সংশোধিত কমিটি আছে সেই কমিটিবোৰলৈ অহা যোৱা কৰিয়েই থাকিব লাগে। গতিকে একেলগে ৩ মাহ সময় দিব নোৱাৰি।

আৰু এটা কথা হৈছে আমাৰ মাটিৰ সম্পৰ্কত যিবিলাক সংবিধান হয় তাত ৰাজনীতি নাই সেইটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। এতিয়া যদি কংগ্ৰেছ দলৰ পাৰ্টিৰ মানুহে মাটিৰ List তৈয়াৰ কৰে তেতিয়াহলে কমিউনিষ্ট দলে আপত্তি কৰিব আৰু কমিউনিষ্ট দলে List কৰিলে কংগ্ৰেছ দলে আপত্তি কৰিব। গতিকে List কৰাৰ দায়িত্ব কোনো পাৰ্টিয়ে লব নোৱাৰে। সেই কাৰণে মই ভাবো এই বিষয়ে দায়িত্ব দিব লাগিব গাওঁ পঞ্চায়ত বিলাকক।

Shri Dulal Chandra Barua- অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক এটা কথা কব খুজিছো, ভগৱানৰ শপত যেন চৰকাৰে এই দায়িত্ব কেতিয়াও গাওঁ পঞ্চায়তক নিদিয়ে, এইটো কাম কৰিলে আমাৰ গোটেই উদ্দেশ্যটোৱেই ধ্বংস হৈ যাব।

Shri Keho Ram Hazarika— Sir, মই এটা information দিব খুজিছো, মাটি নোহোৱাকৈয়ে List তৈয়াৰ কৰিব ধৰিছে, ঠায়ে ঠায়ে দুৰ্নীতি আৰম্ভ হৈছে। এতিয়াই মাটি বেচা-কিনাৰ নামত টকা-পইচা লোৱা আৰম্ভ কৰিলেই।

Shri Mahendra Mohan Choudhury— আমি এখন প্ৰাথমিক List তৈয়াৰ কৰি দাখিল কৰিব লাগে, আমি যদি গাওঁ পঞ্চায়তক List তৈয়াৰ কৰিবলৈ দিও, তাৰ পাছত সেই List খন M. L. A. মণ্ডল কাননগু আদিয়ে ভালদৰে Scrutinise কৰে তেতিয়াহলে বহুতো বেমেজালি দূৰ হব। প্ৰকৃত ভূমিহীন মানুহনো কোন? আৰু কোন বিলাকে মাটি পাব লাগে তাক

ভালদৰে Serutinize কৰিলেহে আমাৰ শেষৰ কামটো সহজসাধ্য হৈ পৰিব। তেতিয়াহলে আমাৰ সকলো কাম সহজতে হব। কাৰণ সেইটোৱেই নহৈ যদি নতুনকৈ দায়িত্ব লবলগীয়া হয়, তেতিয়াহলে আমাৰ দায়িত্ব দীঘলীয়া হব। গতিকে সেইটো আমাৰ কমিটিয়ে বিবেচনা কৰি বিষেশ যত্ন কৰিব। চাৰ, মই শেষ কৰিব খুজিছো।

Shri, Hiralal Pataray—চাৰ, যিখন কমিটিৰ কথা কৈছে তাত অসমৰ ট্ৰাইবেলৰ বিষয়ে প্ৰশ্ন আছে। সেই কাৰণে মই আপোনালোকৰ জৰীয়তে অনুৰোধ কৰিছো যে সেই কমিটিত ট্ৰাইবেল মানুহকো অন্তৰ্ভুক্তকৰা উচিত।

Shri Mahendra Mohan Choudhury— আমাৰ বৰুৱা ডাঙৰীয়াই কেইটামান পৰামৰ্শ আগবঢ়াইছে সেই পৰামৰ্শ সমূহ আমি বিবেচনা কৰি চাম। কাৰণ তেখেতে কৈছে যে circle wise কৰিব লাগে। কিন্তু তাত কিছুমান অসুবিধা আছে। যিখিনি ক্ষুদ্ৰকাৰ কৰি লম সেইখিনি বিবেচনাৰ ক্ষেত্ৰত ভাল হব। কাৰণ আজি কিছুমান circle ত মাটি আছে, কিছুমান মহকুমাত মাটি আছে, আৰু কিছুমান মহকুমাত মাটি নাই। কিন্তু যিবিলাক মহকুমাত মাটি নাই সেইবিলাক মহকুমাত মাটিহীন মানুহে cricle weise কৰিলে মাটি নেপাব। সেই কাৰনে এই ক্ষেত্ৰত এটা উপায় কৰিব লাগিব, যাতে কাম বিলাক দ্ৰুত গতিত আগবাঢ়ি যাব পাৰে।

( Noise )

তাৰ পিছত আৰু কিছুমান Co-Opertive ৰ নামত মাটি দিয়া নহব। কাৰণ এই Co-Oparetive-Bogus আৰু আমাৰ চৰকাৰে ঘোষনা কৰিছে যে যদি সমবায় সমিটিক মাটি দিয়ে, তেতিয়াহলে মাটি থকা মানুহে জমিদাৰী কাৰবাৰৰ কাৰণে সমবায়ৰ নামত মাটিৰ পট্টা বেছিকৈ উলিয়াবলৈ চেষ্টা কৰিব আৰু সমবায় সমিটিৰ বুলি Co-Operative Deptt. এ তেওঁলোকক মাটিৰ পট্টা পাব পৰা কৰিব। তাৰোপৰি Co-Operative Deptt. ৰ কাৰোবাক সেই কমিটিত নিযুক্ত কৰিলে; সেই কমিটিয়ে কাম কৰিলেনে নকৰিলে তাকো চাব লাগিব।

মালোত "ডায়েৰী ফাৰ্মত" ৫০০ বিঘা মাটিৰ ম্যাদ্দী পট্টা আছে। সেই ৫০০ বিঘা মাটিৰ ম্যাদী পট্টা কেনেকৈ হ'ল কব নোৱাৰি। তেওঁলোকে ম্যাদী পট্টা লৈ ৫২ হেজাৰ টকাত কাৰোবাক বন্ধক দিয়ে। পাছত দেখা গ'ল যে তাত গৰু-মহ এটাও নাই, গাখীৰ নাই, মাত্ৰ ভগা-চিগা ছুটামান ঘৰহে আছে। সেই মাটিখিনিৰ তদন্ত কৰিবলৈ সমবায় সমিতিক খবৰ দিয়া হৈছে।

Shri Hiralal Patwary — চাৰ যিখন কমিটিৰ কথা মাননীয় মন্ত্ৰী-মহোদয়ে কৈছে, সেইখন কমিটিৰ Chairman কোন ?

Shri Mahendra Mohan Choudhury— নামটো মই নাজানো।

Shri Dulal Chandra Barua— নামটো আমি জানো নহয়।

Shri Mahendra Mohan Choudhury—তেন্তে নামটো জনাই দিলে ভাল হয়।

Shri Dulal Chandra Barua : সেইজন হৈছে আমাৰ ককাক।

Shri Mahendra Mohan Choudhury : তেখেত নহয়। তেখেত আগতেহে সভাপতি আছিল। তেখেতৰ পৰা তেতিয়া ৫২ হেজাৰ টকা ধাৰে লবলৈ এটা পৰিয়ালে প্ৰাৰ্থনা কৰিছিল।

Shri Dulal Chandra Barua : এতিয়া মন্ত্ৰী মহোদয়ে তেখেত নহয় বুলি কৈছে। পিছে সকলোৰে লগত আৰম্ভণিৰে পৰা ককাক সেইটো কমিটিৰ সভাপতি আছিল আটাই কেইজন সদস্য হ'ল আপোনালোকৰ কংগ্ৰেছৰ সক্ৰীয় সভ্য।

Shri Mahendra Mohan Choudhury : এই ৫০০ বিঘা মাটিৰ ওপৰিও তেওঁলোকে অতিৰিক্ত ৩৪ বিঘা মাটি বে-দখল কৰিছে। তেওঁলোকে এতিয়া সেই মাটিত আহুধানৰ কাৰণে ১০, টকা আৰু শালিধানৰ কাৰণে ১২, টকা কৰিছে। সেই কাৰণেই এই সমবায় সমিটিখন Bogus হৈছে।

Shri Jogen Saikia : সেই মাটিখিনি সমবায় সমিটিক দিয়া নাছিল। কিন্তু সেই সময়ত "নেওঁগ" নামে এজন সভাপতি আছিল। সেই কেইজন কংগ্ৰেছী লোক নহয়; বৰং তেওঁলোক কংগ্ৰেছৰ বিৰোধী আছিল।

(Noise)

Shri Dulal Chandra Barua : অধ্যক্ষ মহোদয়, আনৰ ঠাইত বহি মাননীয় সদস্যই জানো কথা কব পাৰে ? শ্ৰীসাধন চৰকাৰে অন্যঠাইত বহিয়েই কৈ আছে ।

Shri Mahendra Mohan Choudhury : মই আৰু বেছি নকওঁ । বোধকৰো সকলোৰে ধৈৰ্য্য নোহোৱা হৈছে ।

Shri Promode Chandra Gogoi : ছাৰ, তেখেতে গোটেইবিলাক কথা নকলে ।

Shri Mahendra Mohan Choudhury : গতিকে তেওঁলোকক আনি দিব নোখোজো । আলোচনা কৰি মই এইখিনিকে কব বিচাৰিছোঁ যে, মাননীয় সদস্য সকলে আজি যিবিলাক পৰামৰ্শ আগবঢ়াইছে, সেই গোটেইখিনি বক্তৃতাতে Implimation আছে । কমিটিয়ে তাক চাবৰ কাৰণে বিবেচনা কৰিব । আৰু বাকী যিখিনি Point আছে ; সেইখিনি বিবেচনা কৰি পৰামৰ্শমতে কাম কৰিবলৈ চেষ্টা কৰিম ।

আমাৰ ইয়াত মাটিৰ যিটো সমস্যা সৃষ্টি হৈছে ; সেইটো দৰিদ্ৰ খেতিয়কৰ সমস্যা । সেই সমস্যা দূৰ কৰিবলৈ সকলোৱে একত হব লাগে, যাতে এই সমস্যা সম্পূৰ্ণ সমাধান হয় তাৰ বাবে সকলোৱে চেষ্টা কৰা উচিত ।

Shri Hiralal Patwary : চাৰ, এই সদনত এই পক্ষই হওক বা সেই পক্ষই হওক মোৰ বিশ্বাস সকলো সদস্যৰে একমত । কিন্তু Land Advisory Committee ৰ সংখ্যা বেছি হৈছে আৰু তাত নিৰ্ব্বাচিত প্ৰতিনিধি সকলে ঠিকমতে কাম কৰিব নোৱাৰে । সেই কাৰণে কিবা এটা পৰামৰ্শ দিলে, তাক ভালকৈ সমালোচনা কৰি এই কমিটিবিলাক যদি গঠন কৰে, তেন্তে Land Settlement কৰাৰ ক্ষেত্ৰত ভাল হব ।

Shri Mahednra Mohan Choudhury—মই গোটেই বিলাক প্ৰশ্নৰ উত্তৰ খাটাং ভাবেই দিছোঁ । কিন্তু এতিয়া যি সমস্যাৰ সৃষ্টি হৈছে, সেইটো দূৰ কৰিবলৈ চেষ্টা কৰিব লাগে ।

Noise

ছাৰ, মই চমুকৈ কৈছোঁ সেইটো উপৰঞ্চি কথা ।

## ADJOURNMENT

The Assembly then adjourned till 10 A.M. on Monday, the 7th April, 1969.

SHILLONG
The 3rd April, 1969

U. Tahbildar
Secretary.
Legislative Assembly, Assam

REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY